# অসম বিধান সভা অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী

**তাৰিখ ঃ ২১/০২/২০১৮ বুধবাৰ**

**আজি ইংৰাজী ২১-০২-২০১৮ তাৰিখে ৰাতিপুৱা ৯.৩০ বজাত অসম বিধান সভাৰ বাজেট অধিবেশন পূৰ্বনিৰ্দ্ধাৰিত সময়সূচী মতে অনুষ্ঠিত হয়।**

**माननীয় অধ্যক্ষ ঃ** Question No. 161 শ্ৰী নাৰায়ণ ডেকা, আছেনে? নাই। Question No. 162.শ্ৰীৰূপজ্যোতি কুৰ্মী, নাই। Question No.163 শ্ৰীআমিনুল ইছলাম, নাই। Question no. 164. শ্ৰীতেৰছ গোৱালা । মন্ত্ৰী আছে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**শ্ৰীতেৰছ গোৱালা, (দুলিয়াজান) ঃ** মাননীয় অধ্যক্ষ মহোদয়,মই মোৰ প্ৰশ্নটোৰ উত্তৰ পাইছোঁ। মোৰ এটা অনুৰোধ থাকিব যে, দিবাংগ সকলৰ যি ট্ৰেইনিং চেণ্টাৰ আৰম্ভ কৰিছে, মোৰ দুলিয়াজান সমষ্টিত দিবৰ কাৰণে অনুৰোধ জনালোঁ।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, আমাৰ দিব্যাংগ সকলৰ কাৰণে ITI এখনৰ ডিব্ৰুগড়ত ইতিমধ্যে আধাৰশিলা স্থাপন কৰিছো। কাম আৰম্ভ হ'ব আৰু অধ্যক্ষ মহোদয়, আপুনি শুনি সুখ পাব যে, ভাৰতবৰ্ষৰ ভিতৰত অসম একমাত্ৰ ৰাজ্য য'ত অকল exclusive ভাৱে দিব্যাংগ সকলৰ কাৰণে ITI অসমত স্থাপন হৈছে। আমাৰ মাননীয় মুখ্যমন্ত্ৰীয়ে আধাৰ শিলা স্থাপন কৰিছে And in India this is the only ITI.

**মাননীয় অধ্যক্ষ ঃ** এইটো ভাল খবৰ, ভাল কথা। শ্ৰী কমলাক্ষ দে পুৰকায়স্থ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজিকালি গোটেই বস্তুটো দিনদয়াল যোজনাৰ নামত হয়। কথাটো হৈছে দীনদয়াল অন্তদয়া যোজনা, তাত Skill Development হয়, ল'ৰাখিনিক Skill Development কৰি আমি Placement ৰ ব্যৱস্থা কৰি থাকো। অধ্যক্ষ মহোদয়, আমাৰ কৰিমগঞ্জ টাউনৰ চিত্ৰখন কৈ আছো। ২৩ জনক আমি ট্ৰেইনিং দিলো। এজনক Placement দিব পাৰিলো। অধ্যক্ষ মহোদয়, তেওঁলোকৰ কথা আছিল যে, after training তেওঁলোকক মাহিলি stipend দিব। আজি এক বছৰ হৈছে। একটকাও পোৱা নাই। অধ্যক্ষ মহোদয়, কথাটো হৈছে কি এনেকুৱা যোজনা চলি থাকিলে কি লাভ আছে, যদি তাৰ পৰা ৰাইজ উপকৃত নহয়। মন্ত্ৰী মহোদয়ৰ পৰা স্পষ্ট উত্তৰটো আমি বিচাৰিছো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, আমি এতিয়া ২৪৯ চেণ্টাৰ নতুনকৈ মুকলি কৰিছোঁ। এতিয়া আগৰ কিছুমান চেণ্টাৰ আছিল কেন্দ্ৰীয় চৰকাৰৰ অধীনত। তাতে যিবিলাক training হৈছিল তাত এই কথাখিনি compulsory আছিল নে নাই? মই নাজানো। কিন্তু আমি এইবাৰ compulsory কৰি দিছো। যে যিসকলে training আমি Skill Development ৰ training যিসকলtraining provider দিব। training টো শেষ হোৱাৰ পাছত Placement ৰ দায়িত্ব তেওঁলোকৰ ওপৰত ন্যস্ত কৰা আছে। এতিয়া কৰিমগঞ্জত এইটো কি কথা হৈছে মই নাজানো। কাৰণ এই কৰিমগঞ্জৰ কথাটো যদি এজনে মাত্ৰ Placement পাইছে, বাকীকেইটাই কিয় পোৱা নাই, মই চাম কথাটো। কিন্তু এইবাৰ আমি training provider

সকলক এইখিনি কথা কৈছো। যে আপোনাসকলে যি Skill training দিব তাৰ পাছত যাতে placement হয়।

**মাননীয় অধ্যক্ষ ঃ** Question No. 165 শ্ৰীঅশোক শৰ্মা।

**শ্ৰীঅতুল বৰা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰীঅশোক শৰ্মা, (নলবাৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ক মই চাৰিটা প্ৰশ্ন সুধিছিলো নলবাৰী জিলাৰ সম্পৰ্কত। যোৱা বছৰত পাৱাৰ টিলাৰ নলবাৰী জিলাত কিমানখন দিয়া হৈছিল? উত্তৰ ১৯৬ দিছে আৰু তাত ১৯৪ খন দিয়া হৈছে। এতিয়া মাননীয় মন্ত্ৰী মহোদয়লৈ মোৰ এটা পোনপটীয়া প্ৰশ্ন সুধিব বিচাৰিছোঁ। যে এই পাৱাৰ টিলা বিলাক দিওঁতে বহু পলম হয়। দুখীয়া কৃষক সকলে যিখিনি তেওঁলোকৰ ভাগৰ ধন কৰবাৰ পৰা সংগ্ৰহ কৰি আনি বেংকত জমা দিয়ে আৰু জমা দিয়াৰ পাছত পাওঁতে বহুত সময় লাগে। গতিকে মন্ত্ৰী মহোদয়ক মই অনুৰোধ জনাব বিচাৰিছোঁ যাতে এই পাৱাৰ টিলাৰখিনিৰ ধন কৃষকসকলে জমা দিয়াৰ খুৱ সোনকালে যাতে পোৱাৰ ব্যৱস্থা কৰিব পাৰে, তেখেতে গুৰুত্ব দিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে।

**শ্ৰীঅতুল বৰা, (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, আমি বিষয়টোৰ ক্ষেত্ৰত নিশ্চয় গুৰুত্ব দিম। এইটো এটা গুৰুত্বপূৰ্ণ বিষয়, এনেকুৱা অভিযোগ মই আগতেওঁ পাইছোঁ আৰু খৰতকীয়া ভাৱে এইখিনি মীমাংসা কৰিব বিচৰা হৈছে। কিন্তু কিছুমান অসুবিধা আছে। আজি ৰাজসাহায্য দিয়াৰ পাছতো নলবাৰীত মই দেখিলো যে, এজন তেনেকুৱা কৃষক, যিজনৰ একাউণ্ট নাই , অন্য এজনে কি কৰিছে, খৰচটো উলিয়াই তেওঁ য'ত জমা দিব পৰা নাই। অন্য কামত হয়তো খৰচ কৰিছে। এনেবোৰ অসুবিধা আছে।

**শ্ৰীঅশোক শৰ্মা, (নলবাৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে মই কব বিচাৰিছো যে, যিবিলাকে পইচা উলিয়াই, মই এইটো গম পাইছো যে, বহুতে পইচা ধাৰ কৰি আনে আৰু পোৱাৰ ফলত তেওঁ সুত দিব লগা হোৱা কাৰণে পইচাখিনি উলিয়াই লৈ যাব লগা হয়। মই সেই কাৰণে কথাটো খুৱ সোনকালে দিয়াৰ কাৰণে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো। আৰু যিটো 'ঘ' ত সুধিছিলো। মাননীয় মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ণ যোজনাৰ দ্বাৰা যি কৃষকৰ আয় দুগুণ বৃদ্ধি কৰাৰ কাৰণে ট্ৰেক্টৰ দিয়াৰ কথা আছিল, সেইটো সেই একেই অৱস্থা হৈছে। যে কৃষক সকলে ধাৰ কৰি আনি বেংকত পইচা জমা থৈছে। কিন্তু এতিয়া আঁচনিখন উদ্বোধন কৰিলো। তেওঁলোকক দিম বুলি তালিকাবদ্ধ কৰিলোঁ। সকলো কৰিলো, কিন্তু ট্ৰেক্টৰবিলাক এতিয়াও তেওঁলোকৰ হাতত পৰা নাই। গতিকে মই আজি এই পবিত্ৰ সদনত আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক জনাব বিচাৰিছো। যাতে বাৰিষা অহাৰ আগত কৃষক সকলে ট্ৰেক্টৰ পায়, আৰু এইবাৰ নতুন ট্ৰেক্টৰে যাতে খেতি কৰিব পাৰে সেইটো সুনিশ্চিত কৰাৰ বাবে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো।

**মাননীয় অধ্যক্ষ ঃ** Thank you.

**শ্ৰীঅতুল বৰা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰীৰ সমগ্ৰ গ্ৰাম্য উন্নয়ন যিখন যোজনা, এই যোজনাৰ জৰিয়তে ৰাজ্যখনৰ ২৬ হাজাৰ ৰেভিনিউ ভিলেজত একোটাকৈ আত্মসহায়ক গোটক একোখনকৈ ট্ৰেক্টৰ দিয়াৰ ব্যৱস্থা কৰা হৈছিল। সেই মৰ্মে যোৱা ১০ ডিচেম্বৰত শ্বহীদ দিৱসৰ দিনা এই কাৰ্য্যসূচী মাননীয় মুখ্যমন্ত্ৰীয়ে আনুষ্ঠানিক ভাৱে উদ্বোধন কৰিছিল। কিন্তু আমাৰ বিভাগৰ তৰফৰ পৰাই চালি-জাৰি চাওঁতে কেতবোৰ ত্ৰুটি-বিচ্যুতি চকুত পৰে। তাৰ পাছতে মাননীয় মুখ্যমন্ত্ৰীয়ে এখন কমিটি কৰি দিয়েে। আৰু উচ্চক্ষমতা সম্পন্ন কমিটি আৰু সেই কমিটিৰ ৰিপোৰ্টৰ. পাচত

কেবিনেটত এটা সিদ্ধান্ত লোৱা হয়। সিদ্ধান্তখিনি আছিল এনেধৰণৰ যে মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য যোজনাৰ অধীনত তিনিটা শ্ৰেণীৰ মডেল, 35 to 40 horse power, 42 to 45 horse power, 45 to 50 horse power সম্পন্ন ট্ৰেক্টৰ হিতাধিকাৰী কৃষক গোটলৈ আগবঢ়োৱা হব আৰু ইয়াৰ বাবে নতুনকৈ ট্ৰেক্টৰ নিৰ্মাতা প্ৰতিষ্ঠান সমূহৰ পৰা প্ৰতিযোগিতামূলক আহ্বান কৰা হ'ব। যিহেতু ইয়াৰ বিৰুদ্ধে এটা প্ৰস্তাৱ উত্থাপিত হৈছিল বেলেগে বেলেগে ৰেট দিয়া বুলি। যিখিনি কথা আজি কেইদিনমান আগতে সদনৰ মজিয়াত মই কৈ গৈছো। নিৰ্মাতা প্ৰতিষ্ঠান আৰু উদ্ধৃতিমূলক ভাৰত চৰকাৰৰ অনুমোদিত হোৱাৰ লগতে ফাৰ্মাৰচ পোৰ্টেলত তালিকাযুক্ত হ'ব লাগিব। নিৰ্মাতা প্ৰতিষ্ঠানে case wheel cultivator dxracer, rotavator ৰ আৰু পাঁচ টন ক্ষমতাৰ হাইড্ৰলিক শ্ৰেণীৰ ট্ৰেইলৰ প্ৰতিটো মডেলৰ ট্ৰেক্টৰৰ বাবে নিৰ্দ্দিষ্ট মানৰ প্ৰতিযোগিতামূলক মূল্য উদ্ধৃত কৰিব লাগিব। সাতটা প্ৰতিষ্ঠানে প্ৰতিটো মডেলৰ বাবে দিয়া প্ৰতিযোগিতামূলক মূল্যৰ বাচনি কৰা হ'ব। নিৰ্বাচিত কৃষকে নিজা পচন্দ অনুসৰি ক্ৰয় কৰিব পাৰিব। এটা category তেৰখনকৈ কম নিবিদা পালে সাতখনকৈ কম মডেল নিৰ্বাচিত কৰা হ'ব। আনুসংগিক সজুলি ক্ৰয় কৰা নকৰাটো বিষয়টো কৃষকগোটৰ ওপৰত সম্পূৰ্ণ ৰূপে নিৰ্ভৰ কৰিব। হিতাধিকাৰী কৃষক গোটে ট্ৰেক্টৰ আৰু আনুসংগিক সজুলি ক্ৰয় কৰাৰ ক্ষেত্ৰত বেংকৰ পৰা ঋণ লোৱাটো বাধ্যতামূলক নহয়। আগত ঋণ লোৱাটো বাধ্যতামূলক কৰা হৈছিল। এইবাৰ বাধ্যতামূলক কৰা হোৱা নাই। কোনোবা আত্মসহায়ক গোটে নিযে যদি তেতিয়াহ'লে ট্ৰেক্টকখন ল'ব পাৰিব। আৰু যিবিলাক accessories সেইবিলাকে লোৱা নোলোৱাতো গোটটোৰ ওপৰত নিৰ্ভৰ কৰিব।টেক্টৰ নিৰ্মাতা প্ৰতিষ্ঠান সমুহে ফল্লেখ কৰা প্ৰতিযোগিতা মূলক মূল্যত হিতাধিকাৰী কৃষক গোটক টেক্টৰ চাৰ্ভিচ আৰু যতনৰ প্ৰাথমিক প্ৰশিক্ষণ, হিতাধিকাৰী গোটক যথা স্থানত টেক্টৰ প্ৰদান কৰা, টেক্টৰৰ পঞ্জীয়ণ আৰু এবছৰৰ বাবে বীমাৰ ধন অৰ্ন্তভুক্ত হৈ থাকিব। আৰু প্ৰতিটো প্ৰতিযোগিতা মুলক মূল্যৰ পাছতো কৃষক গোটে, নিৰ্মাতা প্ৰতিষ্ঠান, অনুমোদিত ডিলাৰৰ সৈতে নিৰ্দ্ধাৰিত উদ্ধৃত মুল্যতকৈ কম কৰাৰ বাবে বন্দোৱস্তি কৰি ক্ৰয় কৰিব পাৰিব। নিজাববীয়াকৈ Deal কৰিব পাৰিব। যিকোনো Dealer ৰ পৰা এই আঁচনিৰ অধীনৰ টেক্টৰ সমুহ পঞ্জীয়ণ কৰাৰ দিনৰ ৫ বছৰলৈ কোনো হিতাধীকাৰী গোটে বিক্ৰী, হস্তান্তৰ বা লীজত দিব নোৱাৰিব। এই খিনিয়েই আছিল আমাৰ শেহতীয়া সিদ্ধান্ত আৰু এইখিনি ক্ষীপ্ৰতাৰে কাৰ্য্যকৰী কৰা হব।

**মাননীয় অধ্যক্ষঃ**- দেৱব্ৰত শইকীয়া।

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি ঃ**- মাননীয় অধ্যক্ষ মহোদয়, আজি ইয়াৰ আগৰ যেতিয়া মাননীয় মন্ত্ৰী মহোদয়ে এটা বিবৃত্তি দিছিল সদনত। তেখেতে কৈছিল যে, কৃষক গোট সমুহে নিজে টেক্টৰ সমুহ চইচ কৰিব পাৰিব। কিন্তু নামনি অসমৰ কেইখন মান জিলাত ইতিমধ্যে ৩-৪ খন কৈ টেক্টৰ ব্ৰেণ্ডৰ চইচ কৰিবলৈ চৰকাৰৰ ফালৰ পৰা এখন চাৰ্কোলাৰ গৈছে। এই বিষয়ে তেখেতে জ্ঞাত নে? জনালে ভাল পাম আৰু দ্বিতীয়তে জেম পাৰ্টেলৰ যোগেদি কিয় কৰিব পৰা নহয় কাৰণ জেম পৰ্টেলত ৫ লাখ টকাটে আছে। Government E-Market Place ত। যিহেতু চাবচিটি সিমানেই দিছে। গতিকে এই বিষয়ে কলে ভাল পাম।

**শ্ৰী অতুল বৰা, মন্ত্ৰী(কৃষি) ঃ** - মাননীয় অধ্যক্ষ মাননীয় সন্মানীয় সদস্য গৰাকীৰ যি কেইটা প্ৰশ্ন তাৰ উত্তৰত কওঁ যে তেনেকুৱা এক অভিযোগ আমিও পাইছো। নিৰ্দিষ্ট কেইটামান company choice ত কৰিবলৈ দিয়া বুলি farmersক। অন্যহাতে সেই দিশতো আমি নিশ্চয় বিবেচনা কৰিম। যিহেতু চইচটো farmersৰ। আমি এতিয়াও এইটো অপেন কৰি ৰাখিছো আৰু সকলোতে

এইটো হব লাগিব। সেইটো যাতে ঠিক মতে কাৰ্য্যকৰী হয়, সেই দিশত আমি চকু ৰাখিম। দ্বিতীয় কথাটো হ'ল জেম পাৰ্টেলৰ পৰা চৰকাৰে ক্ৰয় কৰিব পাৰে। যিহেতু farmersক্ৰয় কৰিব, এখনেই হওঁক বা গোটে, সেইটো জেম পৰ্টেলৰ পৰা ক্ৰয় কৰিব নোৱাৰে।

**মাননীয় অধ্যক্ষ ঃ**-ভবেশ কলিতা ।

**শ্ৰী ভবেশ কলিতা, সদস্য ঃ**- মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ পৰা জানিবলৈ বিচাৰো, যোৱাবেলি আমি ৫ খনকৈ পাৱাৰটিলা দিছিলো সেইটো ইণ্ডিভিজুৱেল আছিল। আৰু এই বেলিও গোট নহয়, ফাৰ্মাচ ক্লাব ইণ্ডিভিজুৱেল নহয়। ১৫ জন farmers য়ে ইতিমধ্যে পইচা জমা দিছে Dirictor office ত ।এই ফাৰ্মাচ কেইজনে সোনকালে যেন টেক্টৰ পোৱাৰ ব্যৱস্থা কৰি দিয়ে।

**শ্ৰী অতুল বৰা, মন্ত্ৰী(কৃষি) ঃ** - মাননীয় অধ্যক্ষ মহোদয়, ধন্যবাদ তেখেতক। তেখেতে বিষয়টো দৃষ্টিগোচৰ কৰাৰ কাৰণে। মই ইতিমধ্যে আমাৰ বিভাগীয় বিষয়াক নিৰ্দেশ দিছো, যাতে খুব ক্ষীপ্ৰতাৰে এই খিনি কৰা হয়, তেনেকুৱা অভিযোগ যাতে ভৱিষ্যতে আমি নাপাওঁ।

**মাননীয় অধ্যক্ষ ঃ**- নন্দিতা দাস।

**শ্ৰী নন্দিতা দাস, সদস্যাঃ**- মাননীয় অধ্যক্ষ ডাঙৰীয়া, মই নামচা ৰ এটা আঁচনি কামৰূপ জিলাৰ, সেই বিষয়ে অৱগত কৰিব বিচাৰিছো। কামৰূপ জিলাত এটা নামচা বুলি আঁচনি ৰূপায়ণ কৰা হৈছিল। আঁচনিটোত আছিল যে ,

**মাননীয় অধ্যক্ষ ঃ**- এইটো related নেকি?

**শ্ৰী নন্দিতা দাস, সদস্যাঃ**-Agriculture related চাৰ।

**মাননীয় অধ্যক্ষ ঃ**- Agriculture related নকৰিব, পিচত কৰিব।

**শ্ৰী নন্দিতা দাস, সদস্যাঃ**-পিছত দিব চাৰ ।

**মাননীয় অধ্যক্ষ ঃ**- পিছত কৰিব, এতিয়া নহ'ব। মাজেন্দ্ৰ নাৰ্জাৰী।

**শ্ৰী মাজেন্দ্ৰ নাৰ্জাৰী, সদস্য ঃ**- মাননীয় অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰীৰ 'সমগ্ৰ গ্ৰাম্য উন্নয়ণ যোজনা'ৰ অধীনত প্ৰত্যেকখন ৰেভিনিউ গাঁৱত এখনকৈ টেক্টৰ দিয়াৰ যিটো ব্যৱস্থা, ইয়াত আমি দেখিছো , চাৰ যিবিলাক স্বীকৃতিপ্ৰাপ্ত গাওঁ সেই গাওঁ বিলাক অৰ্ন্তভুক্ত নহয়। গতিকে সেই গাওঁ বিলাক স্বীকৃতি প্ৰাপ্ত, Recognise Forest Village,টো অৰ্ন্তভুক্ত কৰা সেই Forest Village হব নেকি? এই বিষয়টো মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**শ্ৰী অতুল বৰা, মন্ত্ৰী(কৃষি) ঃ** - মাননীয় অধ্যক্ষ মহোদয়, আমি প্ৰথম পৰ্য্যায়ত ৰেভিনিউ ভিলেজ বিলাকক অন্তভুক্ত কৰিছিলো ইয়াত। গতিকে পিছৰ পৰ্য্যায়ত এইখিনি যদি সম্পূৰ্ণ হয়, দ্বিতীয় পৰ্য্যায়ত হয়তো এই কথাখিনি বিবেচনা কৰিব পৰা যাব।

**মাননীয় অধ্যক্ষ ঃ**- পিছৰ প্ৰশ্ন ১৬৬। শ্বেৰমান আলি আহমেদ ।

**শ্ৰী অতুল বৰা, মন্ত্ৰী(কৃষি) ঃ** - মাননীয় অধ্যক্ষ মহোদয়,উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী শ্বেৰমান আলি আহমেদ, সদস্য ঃ**-মাননীয় অধ্যক্ষ মহোদয়, বাঘবৰ সমষ্টিৰ আলোপতি চৰত আজিৰ পৰা প্ৰায় এটা যুগ আগত Sub Divisionl Agricultural Office স্থাপনহৈছিল। ৰাইজৰ বিভিন্ন অসুবিধাৰ প্ৰতি লক্ষ্য কৰি চৰৰ মানুহখিনিক বৰপেটালৈ আহিবলৈ, তেওঁলোকৰ যাতায়ত ব্যৱস্থা যথেষ্ট আহুকলীয়া। বহু টকা খৰচ হয়। বহু টকাও নষ্ট হয়। সেই কথাবোৰ বিবেচনা কৰি ২০০২ চনত আজিৰ পৰা ১৫ বছৰৰ আগত Sub Divisionl Agricultural Office অলপতে স্থাপন হৈছিল।কিন্তু দুৰ্ভাগ্যৰ বিষয়, গোটেহ infrastructure আছে, ষ্টাফ আছে, ৫

জন অফিচাৰ আছে এজন SDO ৫জনAgricultural Extention officer আছে, ৪জন staff,Sub divisionl Agricultural Office আছে, তৎস্বত্তেও infrastructures আৰু man power থকা স্বত্তেও, আজিলৈ সেই Sub-DivisionlAgricultural Office,functional হোৱা নাই অফিচাৰ সকল আৰু ষ্টাফ গোটেই খিনি বৰপেটাত থাকিলেহে তেওঁলোকৰ যিখিনি কৰ্ম, যিখিনি কাৰ্য্য তেওঁলোকে কৰে, মই আপোনাৰ যোগেদি মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাব খুজিছো, অতি সোনকালে আলোপতি Sub-DivisionlAgricultural Office, ত যিখিনি অফিচাৰ বা ষ্টাফ আছে, তেওঁলোকে সেই Sub-DivisionlAgricultural Office, ত থাকি তেওঁলোকৰ কৰ্ত্তব্য পালন কৰিব নেকি ?

**শ্ৰী অতুল বৰা, মন্ত্ৰী(কৃষি) ঃ** - মাননীয় অধ্যক্ষ মহোদয়,2015 চনত খুব badly damage হৈছিল, আলোপতি ওচৰৰ সেই SDAO কাৰ্য্যালয় বা কোৱটাৰ বিলাক। সেই বিলাক মেৰামতিৰ কাৰণে ইতিমধ্যে আমি Budget তটো propose কৰিছো , পূৰ্বতেও ধৰা হৈছিল। কিন্তু আমি খৰতকীয়া ভাব সেই কামখিনি complete কৰি যাতে তাত অফিচাৰ সকল থাকে, সেইটো আমি নিশ্চিত কৰিম।

**শ্ৰী শ্বেৰমান আলি আহমেদ, সদস্য ঃ**-মাননীয় অধ্যক্ষ মহোদয়, এইটো ধুমুহাই ক্ষতিগ্ৰস্ত কৰাৰ কথা কৈছে। হয়, কিছু পৰিমানে ক্ষতি হৈছে। তাৰ অৰ্থ এইটো নহয় যে অফিচাৰ বা ষ্টাফ তাত গৈ থাকিব নোৱাৰে। আপুনি কথাটো বিশেষ ভাৱে দৃষ্টি দিব, তাতMinor repairing ৰ ব্যৱস্থা আছে। ১০-১৫ লাখ টকা খৰচ হলে বোধহয়, সেই Reparing খিনি কৰিব পৰা যাব। কাৰেণ্টৰ ব্যৱস্থা নাই বুলি কৈছে তাত চলাৰ লাইট দিওতে ৩-৪ লাখ টকাহে খৰচ হব। আৰু ইতিমধ্যে ইলেক্ট্ৰিফিকেশ্যন হৈ আছে ইয়াৰ আগতে মই বহুবাৰ প্ৰশ্ন কৰিছো। মন্ত্ৰীয়ে উত্তৰ দিয়াৰ পাছতো এইখিনি পোৱা নাই। মই আপোনাৰ যোগেদি মন্ত্ৰী মহোদয়ক এইটোৱে অনুৰোধ কৰিব খোজো, যে এই প্ৰশ্নৰ উত্তৰ সদনতেই সীমাবদ্ধ নাথাকি যাতে আপুনি বিশেষভাৱে দৃষ্টি দি এই Sub-divisionl Agricultural Office আলোপতিটো অতি সোনকালে কাৰ্য্যক্ষম কৰে।

**শ্ৰী অতুল বৰা, মন্ত্ৰী(কৃষি) ঃ** - মাননীয় অধ্যক্ষ মহোদয়,আলোপতি চহৰত যাতে আমাৰ বিষয়া কৰ্মচাৰী সকল থাকে সেইটো আইম নিশ্চিত কৰিম।

**মাননীয় অধ্যক্ষ ঃ**- ঠিক আছে। Question is related to..

**শ্ৰী আব্দুল খালেক, সদস্যঃ**- চাৰ, চাৰ

**মাননীয় অধ্যক্ষ ঃ**-১ মিণিট । This is not the way.

**শ্ৰী আব্দুল খালেক, সদস্যঃ**- এটা চাপ্লিমেণ্টৰী এলাউ কৰিব পাৰে।

**মাননীয় অধ্যক্ষ ঃ**- I will allow you. Please sit down. Please sit down. Without asking you , why you stand-up? Lots of people have raised their hands. Not only you. আপুনি অকনমান কওক। Question সোধাৰ নিয়ম আছে।

**মাননীয় অধ্যক্ষঃ**- আপুনি অলপ আগতে মন্ত্ৰীৰ কিবা এটা দোষ এটা দেখুৱাইছে, মই টো মানি লৈছো। আপুনি কিয় নিজৰটো মানি নলয়। নিজৰটো কৰিব। কথাটো হৈছে,This relate to Sub-divisionl Agricultural Office at আলোপতি এতিয়া মই কেইবাজনেও হাত ডঙা দেখিছো, মই সেই কাৰণে কৈছো যে আলোপতি Sub-divisionl Agricultural Office টো কাৰ্য্যক্ষম কৰা সম্পৰ্কত আলোচনা হৈছে। অন্য বিলাক অফিচৰ ইয়াত আজি আলোচনা নহব।

তেতিয়া প্ৰশ্ন বিলাক আৰু নাপাব। এজনক দিলে বাকী সকলকো এলাও কৰিব লাগিব। গতিকে যি সকলে হাত দাঙিছে, আলোপতি Sub-divisionl Agricultural Office ৰ লগত ৰিলেটেড যদি আছে, সোধক। অন্য আপোনালোকৰ তাত Sub-divisionl  Office ৰ কথা নুশুধিব।

**শ্ৰী আব্দুল খালেক, সদস্য ঃ-** মাননীয় অধ্যক্ষ, মন্ত্ৰী মহোদয়ে আলোপতিৰ দৰে দুৰ্গম এলেকা, যি বোৰ কৃষি প্ৰধান অঞ্চল, মহকুমা হৈছে, সেই মহকুমা কাৰ্য্যালয়টো ভিজিট কৰিব লাগে আৰু আলোপতিৰ দৰে কলগাছিয়াও এটা কৃষি প্ৰধান এলেকা।

**মাননীয় অধ্যক্ষঃ-**No, No Not need to given your reply. Question No-167, Imdadul Haque Choudhury. Minister please.

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰীঃ-** মাননীয় অধ্যক্ষ মহোদয় উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**শ্ৰী মামুন ইমদাদুল হক চৌধুৰী, সদস্য ঃ-** মাননীয় অধ্যক্ষ মহোদয় উত্তৰটো চাৰ মই পাইছো। সন্তুষ্ট হৈছো বুলি কব নোৱাৰো আৰু সন্তুষ্ট নোহোৱা বুলি কলে বাস্তৱতাক অস্বীকাৰ কৰা হব। মই পৰিবহন বিভাগৰ ওপৰত প্ৰশ্ন আনিছিলো। পৰিবহন বিভাগৰ যে ৰঙা, ৰঙা বাছ বিলাক মাজতে গড়ৰ ছবি থকা, সেইটো আমাৰ অসমৰ এটা হেৰিটেজ বুলি কব পাৰি। কিন্তু চাৰ ইয়াত এটা দুৰ্ভাগ্যজনক ছবি  ফুটি উঠিছে। গোটেই অসমত চাৰ মাত্ৰ ৬৪৭ খন বাছ আছে ASTC মই under ASTCকোৱা নাই। ASTCআৰু under ASTC মিলাই ১৬ আৰু ১৭ যিটো Financial year ইয়াত মাননীয় মন্ত্ৰী মহোদয়ে দিছে যে ১৭৬ কোটি. আয় হৈছে, আৰু আয় হৈ ২৫০ কোটি তাৰ মানে লচত চলি আছে। এইটো মানি লোৱাটো ভাল, যিহেতু এইটো বাস্তৱ কথা। গোটেই অসমত এই ছবিটো আমি দেখিছো. তাৰে চাৰ লক্ষিমপুৰত, মাত্ৰ ১২ খনASTC ৰ  বাছ আছে। গতিকে ASTC য়ে যে  মৃত্যুৰ মুখলৈ গতি কৰিছে, এই যিটো কৰুন বাস্তৱ, বাস্তৱ চৰিত্ৰটো ফুটি উঠিছে। গতিকে আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক মই অনুৰোধ কৰিছো যে পূৰ্বৰ ASTC ৰ যিটো উজ্জলতা, সেইটো যাতে আকৌ ঘূৰাই আনে, তাৰ কাৰণে চৰকাৰে যাতে ব্যৱস্থা লয়, নিশ্চয় এই ডিপাৰ্টমেন্টৰ কাৰণে ভাল হ'ব অসমৰ কাৰণে ভাল হব। এইখিনিয়েই চাৰ।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিটো প্ৰশ্ন কৰিছে - হয়, তেখেতে কথাটো ঠিকেই কৈছে। কিন্তু আজি A S T C ৰ লোকচান হৈ যিটো শোচনীয় অৱস্থা হৈছে, সেইটো আমি উত্তৰাধিকাৰী সূত্ৰে পোৱা সম্পত্তি। A S T C ৰ এই অৱস্থাটো মাত্ৰ দুবছৰ হোৱা সৰ্বানন্দ সোণোৱালৰ নেতৃত্বত হোৱা চৰকাৰে সৃষ্টি কৰা অৱস্থা নহয়। এইটো আমি উত্তৰাধিকাৰী হিচাপে লাভ কৰিছো। আমি যদি পৰীক্ষা কৰি চাওঁ, এই  উত্তৰাধিকাৰী হিচাপে পোৱা সম্পত্তিটোৰ পৰা আমাৰ চৰকাৰে যোৱা এটা বছৰত revenue increase কৰিবলৈ সক্ষম হৈছে। A S T C ৰ বাছৰ সংখ্যা কম আছে, কিন্তু under A S T C ৰ বাছৰ সংখ্যা বেছি আছে । A S T C ৰ বাছৰ সংখ্যা কম হোৱাৰ কাৰণটো হল - যোৱা বছৰ আমি A S T C বাছ কিনা নাই, অৱশ্যে কিনিবলৈ পইচাও নাই। যিহেতুকে আমি বাছ কিনা নাই আৰু বাছ কিনিবৰ বাবে পইচা দিয়া নাই, সেইবাবে আমি চৰকাৰক অনুৰোধ কৰিছো যাতে কিছু পুঁজি আমাক বাছ ক্ৰয় কৰাৰ বাবে দিয়ে। যদিহে বাছ কিনাৰ বাবে পইচা দিয়ে, তেতিয়া বাছৰ সংখ্যা বৃদ্ধি পাব। আমাৰ পৰিবহনৰ যিটো  বিভাগ, এই বিভাগটোৱে লাভ-লোকচানৰ কথা চিন্তা কৰিলে নহ'ব, কিয়নো এইটো এটা public  service আৰু অধ্যক্ষ ডাঙৰীয়া আপুনি শুনি আচৰিত হ'ব, A S T C ৰ যিবিলাক profitable line সেইবিলাকত   private bus বিলাকে operate কৰি আছে। যিবিলাক non-profitable line সেইবিলাকত private bus বিলাকে operate  নকৰে। Under

ASTC য়েও নকৰে, কোনেও নকৰে। কিন্তু non-profitable line ত আমি ASTC Bus চলাই আছো, যাতে সৰ্বসাধাৰণ দুখীয়া ৰাইজৰ লাভ হয়, সহায় হয়। আমাৰ কিন্তু একো লাভ নহয়। লাভ নহ'লেও আমি চলাই আছোঁ, যিহেতু ইয়াৰ পৰা সৰ্বসাধাৰণ দুখীয়া ৰাইজৰ উপকাৰ হৈছে। যিবিলাক ধনী মানুহ তেওঁলোক নিজৰ গাড়ীত যাব, আৰু মধ্যবিত্তখিনি যাৰ গাড়ী নাই তেওঁলোক ট্ৰেকাৰত যাব। সেইবাবে আমি দুখীয়া মানুহৰ কথা ভাবিয়েই non-profitable line ত বাছ বিলাক চলাই আহিছো। সেইবাবে আজি A S T C বিভাগটো লোকচানত চলি আছে, কিন্তু মৃত্যুমুখী হোৱা নাই। কোনোবাই কলেও মই এই কথাটো মানিব নোৱাৰো। ইমান লোকচানৰ পাচতো এই ASTC বিভাগটো চলি থকাৰ মূল উদ্দেশ্যটো হ'ল - to render services to the people, not to make profit. গতিকে এই বিভাগটোক service sector ৰ ভিতৰত ধৰি ল'ব লাগিব। আজি আমি অতি কষ্টৰে যি service দি আছো, সেইটোহে ডাঙৰ কথা। তাতোকৈ ডাঙৰ কথাটো হ'ল মাননীয় অধ্যক্ষ ডাঙৰীয়া, আপুনিও শুনি আচৰিত হ'ব যে উত্তৰাধিকাৰীসূত্ৰে পোৱা সম্পত্তি হিচাপে আমাৰ A S T C ৰ প্ৰায় ৫০০ বাছ গেৰেজত আছে। এই ৫০০ বাছৰ পৰা ২০০ খন বাছ যোৱা বছৰ বহু কষ্ট কৰি মেৰামতি কৰি উলিয়াইছো। এইখিনি মেৰামতি কৰি উলিওৱাৰ পিছতো ২০০ বাছ পুনৰ মেৰামতি কৰি আছো যাতে ৰাইজৰ সেৱাৰ বাবে উলিয়াই দিব পাৰোঁ আৰু এটা দুৰ্ভাগ্যজনক কথা হ'ল অধ্যক্ষ মহোদয়, এই A S T Cৰে প্ৰায় ৪৫৩ বাছ একেবাৰে condemn অৱস্থাত আছে, এইবিলাক আৰু ব্যৱহাৰ কৰিব নোৱাৰি। এইবিলাকক scrap হিচাপে বিক্ৰি কৰিব লাগিব। বাছ বিলাকৰ এনে অৱস্থা কোনে কৰিলে ? আমি কৰিছো নেকি ! আমিতো কৰা নাই। তথাপিওঁ আমি ২০০ খন বাছ মেৰামতি কৰি উলিয়ালো আৰু প্ৰায় ২০০খন বাছ মেৰামতি কৰিবলৈ লৈছো। আমাৰ পইছা নাই কাৰণে আমি Co-operative Apex Bank ৰ পৰা এটা loan ল'ব বিচাৰিছো যাতে এই ২০০ খন বাছ মেৰামতি কৰিব পাৰো। কাৰণ আমি কিবাকৈহে টানি আজুৰি দৰমহা, Electricity Bill আদি দিছো । সেইবাবে অধ্যক্ষ ডাঙৰীয়া, আমি পৰিবহন বিভাগটোৰ ওপৰত গুৰুত্ব দি আৰু সাধাৰণ যাত্ৰীৰ সুবিধাৰ বাবে ৩ টা Company ৰ লগত কথা পাতিছো, Company কেইটা হ'ল - VOLVO, MERCEDES আৰু SCANIA। কাৰণ সকলোৱেটো ফ্লাইট বা ৰাজধানী আদিত যাতায়ত কৰিব নোৱাৰে, যিহেতুকে এইবিলাকত যাতায়ত কৰিবলৈ বহুত পইছা লাগে। VOLVO এ ইতিমধ্যে তেওঁলোকৰ first consignment টো দিলেই। ইয়াৰ একোখন বাছৰ দাম প্ৰায় ১.৯৫ লাখ টকা। আমি এক পইছাওঁ দিব নালাগে আৰু যাত্ৰী সকলে আৰামত যাত্ৰা কৰিব পাৰিব। ইতিমধ্যে ইয়াৰ প্ৰথম 'slot' টোত ৫ খন বাছ আহিলেই। এতিয়া আমি MERCEDES ৰ লগত কথা পাতিছো। প্ৰায় ১৭৪ খন বাছ আহিব আৰু SCANIA বুলি এটা Company আছে, তেওঁলোকৰ লগত কথা পাতি আমি এটা MOU signed কৰিছো এই কোম্পানীটোৰ লগত। এই বাছ বিলাক Class-II AC ত কৈয়ো আৰামদায়ক। ইয়াৰ একোখন বাছৰ দাম প্ৰায় ২.১৫ কোটি। এইবিলাকত অসম চৰকাৰে এক পইছাওঁ দিব নালাগে। আমি MOU ত কৈছো যে তোমালোকে ইয়াত MERCEDES গাড়ী চলোৱা আৰু আমাৰ যি বাছ আস্থান আছে, সেইবিলাকো ব্যৱহাৰ কৰিব পাৰিব। ইতিমধ্যে আমি মাৰ্ঘেৰিটা, দুলীয়াজান আদি ঠাইলৈ এই বাছ সেৱা প্ৰৱৰ্তন কৰিছো, তাৰ স্থানীয় বিধায়ক সকলে জানিব। এতিয়া আমি শদিয়াৰ পৰা দিবলৈ আলোচনা কৰি আছো। গতিকে অধ্যক্ষ মহোদয়, মই মাননীয় সদস্য গৰাকীৰ উত্তৰত কব বিচাৰো যে যদিও আমাৰ বাছ ক্ৰয় কৰিবলৈ হাতত পইছা নাই, তথাপিও আমি বেলেগ বেলেগ কোম্পানীৰ লগত আলোচনা কৰি, MOU কৰি হলেও এই ASTC

বিভাগটোক to render services to the people কৰিবলৈ ব্যৱস্থা কৰিছো।

**শ্ৰী মামুন ইমদাদুল হক চৌধুৰী, সদস্য ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টিৰ লালুকত ASTC ৰ এটা বাছ আস্থান আছে। মাননীয় পৰিবহন মন্ত্ৰী ডাঙৰীয়াই মন্ত্ৰী হোৱাৰ ২০ মাহৰ পিচত তাত গৈছেনে নাই নাজানো, কিন্তু Leader of the Opposition ত থাকোতে তাত কেইবাবাৰো গৈছে। গতিকে তাত যিটো বাছ আস্থান আছে, সেইটো একেবাৰে জৰাজীৰ্ণ অৱস্থাত আছে। বৰ্তমান সেইটোত কুকুৰ-মেকুৰী আদি থাকে। মাটিখিনি যিহেতু বহুত মূল্যৱান আৰু এতিয়া এনেয়ে পৰি আছে, মাটিখিনি বেলেগে দখলত ল'ব পাৰে। আপুনি যিহেতু কলে যে কেইবাটাও কোম্পানীৰ লগত MOU য়ে signed কৰিছে, গতিকে এই বাছ আস্থানটো যাতে পুনৰ নিৰ্মান কৰে তাৰ বাবে মোৰ আপোনাৰ প্ৰতি এটা অনুৰোধ থাকিল। **দ্বিতীয়** কথাটো হ'ল- এই যে ১৭৫ কোটি টকা প্ৰতি বছৰত লোকচান হৈ আছে, এইটো যদি চলি থাকে এই বিভাগটো মৃত্যুমুখত পৰিব লাগিব, গতিকে এই বস্তুটো যাতে আপোনালোকে ৰখাই দিয়ে। এইটো আপোনাৰ প্ৰতি মোৰ অনুৰোধ।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, ASTC বিভাগটোক মৃত্যুমুখী হবলৈ দিয়া নহব। এই কথাটো মই সদনত দৃঢ়তাৰে আৰু responsibility লৈ ক'লো। যিহেতু দৃঢ়তাৰে আৰু responsibility লৈ কলো, ASTC বাছ সদায়ে চলি থাকিব। সেই গড়ৰ চিন থকা যিটো Symbol,ঐতিহ্য প্ৰবাহমান হৈ থাকিব। **দ্বিতীয়তে** আপুনি বাছ আস্থানৰ যিটো কথা কৈছে, হয় অধ্যক্ষ ডাঙৰীয়া ASTC ৰ মাটি যত আছে, এইবোৰ only এই Corporation ৰ । চহৰেই হওঁক বা বিভিন্ন অঞ্চলতে হওঁক, আটাইতকৈ মূল্যৱান মাটি খিনি আমাৰ। কিন্তু তাৰ Bus Station ৰ অৱস্থা অতি দুখ লগা অৱস্থাত আছে। সেইটো উত্তৰাধিকাৰী সূত্ৰে পোৱা বস্তু। সেইটো আমাৰ নহয়। আমি আহিলো, আমাৰ আগত কোনোবা আছিল, তেওঁলোকে দি থৈ গ'ল আমি ল'লো। মই সিদিনাখন সদনতো কৈছো যে অধ্যক্ষ মহোদয়, আমি এটা সিদ্ধান্ত ল'ব লাগিব এইক্ষেত্ৰত । চৰকাৰক আমি পইচা বিচাৰিম, চৰকাৰে যদি আমাক পইচা দিয়ে আমি সেইবোৰ বনাম। যদি নিদিয়ে, আমি এটা চিন্তা কৰিব লাগিব যে PPT Mode ত হ'লেও আমি বনাব লাগিব। যদি আমি PPT Mode ত বনাও আৰু তাত যদি Market Shed হয় বা অন্যান্য কিবা হয়, তাত আমাৰ দুই-চাৰিজন যুৱকে কাম পাব আৰু Bus Station টো ভাল হ'ব। এটা সিদ্ধান্ত চৰকাৰে লব লাগিব। গতিকে আমি এতিয়া অপেক্ষা কৰি আছো কিম্বা পইচা পাওঁ নেকি ? যদি পইচা পাওঁ আমি এইবিলাক বনাম। যদি পইচা পোৱাত অসুবিধা হয় তেতিয়া PPT concept টোত বনাব লগা হ'ব পাৰে। আৰু এইবোৰ হ'লে আপোনাৰ নাওঁবৈচাত যিখিনি আছে সেইটোও automatic হ'ব। কাৰণ অৰুণাচল প্ৰদেশৰ Connected ঠাই। গতিকে আমি যদি বনাও, নাওঁবৈছাই priority automatic পাব। কাৰণ this is connected টো অৰুণাচল প্ৰদেশ। গতিকে সেই কথাটো আপোনাক নিশ্চিত কৰিলো যে যদি আমি বনাও, নাওঁবৈচা priority ত থাকিব। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** বহুতো মাননীয় সদস্যই হাত দাঙিছে কথাটো গুৰুত্বপূৰ্ণ মই বুজি পাওঁ। কিন্তু আপোনালোকে যদি প্ৰশ্ন সমূহ চুটি নকৰে আৰু উত্তৰও যদি চুটি নহয়, মই এজন বা দুজনক দি বন্ধ কৰিব লাগিব। গতিকে আপোনালোকৰ প্ৰশ্নবোৰ চুটি কৰিব যাতে প্ৰশ্নৰ উত্তৰটো চুটিকৈ দিব পাৰে। এতিয়া মাননীয় বিধায়ক প্ৰশান্ত ফুকন ডাঙৰীয়া ।

**শ্ৰী প্ৰশান্ত ফুকন(ডিব্ৰুগড়) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে আজি পৰিবহন মন্ত্ৰীক এটা প্ৰশ্ন কৰিব খুজিছো যে যিহেতু আমাৰ চৰকাৰৰ বৰ্তমান পইচা অলপ কম আছে সেয়েহে

পৰ্য্যায় ক্ৰমে আমাৰ যিমান বিলাক ASTC সম্পত্তি আছে, যিমানবিলাক campus আছে, তাত পৰ্য্যায়ক্ৰমে আমি গোটেই চাৰিবেৰটোৰ মাটি খিনি demarcation কৰি মাটিখিনিত চাৰিবেৰ দি লোৱাৰ ব্যৱস্থা কৰাৰ চৰকাৰে কিবা আঁচনি লব নেকি? দ্বিতীয়তে, আমি বিধায়ক সকলে প্ৰায়ে ট্ৰান্সপোৰ্টত অহা-যোৱা কৰো। এতিয়া Volvo গাড়ী দিয়াৰ পিছত আমাৰ যি দুটা ফ্ৰী টিকট দিয়ে, এতিয়া আমাক নিদিয়ে। আমাক free of cost টিকটো নিদিয়ে। ৰঙা বাছ থাকোতে দিছিল। এতিয়া মন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰিব খুজিছো আৰু অনুৰোধ কৰিব খুজিছো যে বিধায়ক সকল আহিবৰ কাৰণে যি দুটা টিকট ফ্ৰী দিয়ে, টিকট নম্বৰ ৮ আৰু ৯ সেই দুটা পুনৰ এই PPT Mode ত যি বাছবোৰ চলি আছে, তাত দিয়াৰ ব্যৱস্থা কৰিব নেকি?

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিয়াৰ আগতে মই ক'ব খুজিছো যে আমাক ফ্ৰী টিকট কোনেও নিদিয়ে। আমি পইচা দিও । Reimbursement. কৰা বুলি ক'ব লাগে। এতিয়া মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী(সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ফুকন ডাঙৰীয়াই যিটো কথা কৈছে boundary compound wall ৰ বিষয়ে, এইটো ক্ষেত্ৰত আমি কথাখিনি বিবেচনা কৰিম। আৰু যিটো টিকট মাননীয় বিধায়ক সকলে লয়, সেইটো বিধান সভাৰ পৰাই Reimbursement. কৰি দিয়াৰ কথাটো ভালেই হ'ব।

**মাননীয় অধ্যক্ষ ঃটিকট আমাৰ** Reimbursement হোৱাটো, আমাৰ System। এতিয়া চাহাবুদ্দিন ডাঙৰীয়া।

**শ্ৰী চাহাবুদ্দিন আহমেদ (জলেশ্বৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই গোৱালপাৰাৰ কথা ক'ব বিচাৰিছো। গোৱালপাৰাত দুটা ASTC Bus Station আছে। কিন্তু গোৱালপাৰা Main Town বৰবজাৰত যিটো Bus Stand আছে, আজি প্ৰায় বিশ বছৰৰ পৰা বেয়া হৈ আছে। সেইটো এটা অতি মূল্যৱান স্থান য'ত মাটিখিনি কঠাত এক কোটি টকাকৈ বিক্ৰী হয়। গতিকে সেইখিনি Bus Stand যাতে ব্যৱহাৰ কৰাৰ উপযোগী কৰে আৰু তাত যদি কিবা Market Shed বনাই দিয়া হয়, আমি আশা কৰো যে আমাৰ পৰিবহণ বিভাগে বহুত ব্যৱসায় কৰিব পাৰিব।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া আপুনি উত্তৰটো একেলগে দিব। এতিয়া উৎপল দত্ত ডাঙৰীয়া ।

**শ্ৰী উৎপল দত্ত(লখিমপুৰ) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, আমাৰ মাননীয় মন্ত্ৰী ডাঙৰীয়াক এটা বিষয় দৃষ্টিগোচৰ কৰিব বিচাৰিছো যে লখিমপুৰত কেইবাখনো নতুন বাছ বন্ধ হৈ আছে, মই Bus Station টো গৈ দেখিলো যে বাছ কেইখন নতুন। টায়াৰ আৰু বেটাৰীৰ অভাৱত সেই নতুন নতুন বাছকেইখন বহুৱাই থৈছে। এইকেইখন বাছ চলোৱাৰ কাৰণে কিবা ব্যৱস্থা ল'ব নেকি?

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী মহোদয়, চাহাবুদ্দিন ডাঙৰীয়া আৰু উৎপল দত্ত ডাঙৰীয়াৰ প্ৰশ্ন দুটাৰ উত্তৰ দিয়ক।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী(সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ এই যিটো Bus Station বোৰ বনোৱাৰ কথা আছে, মই সেইটো বিষয়ত উত্তৰ দিছো। আমি দুটা দিশতে এই কথাখিনি চিন্তা কৰি আছো আৰু চিন্তা কৰিলে মাননীয় সদস্য গৰাকীয়ে যিটো কথা কৈছে সেইটো সামৰি লোৱা হ'ব আৰু আমাৰ লখিমপুৰৰ যিটো কথা কৈছে সেইটো অলপ আগতে কৈছো আমাৰ মেৰামতি কৰিবৰ কাৰণে টকা নাই। টায়াৰেই হওক, বেটাৰীয়েই হওক মেৰামতিত আছে। গতিকে মেৰামতিৰ এটা পেকেজত টায়াৰ আৰু বেটাৰীটোও পেকেজত পৰে। গতিকে আমি এপেক্স বেংকৰ পৰা ঋণ বিচাৰিছো। যি দুশখন বাছ আমাৰ গেৰেজত আছে তাৰে ভিতৰত

আপোনাৰখনো আছে। আমি যদি লোণটো পাওঁ অধ্যক্ষ মহোদয়, তেতিয়া আমি বাছবোৰৰ মেৰামতিৰ ব্যৱস্থা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া কমলাক্ষ দে ডাঙৰীয়া।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ প্ৰাক্তন মন্ত্ৰী প্ৰয়াত অঞ্জন দত্তই যেতিয়া এইবিভাগৰ দায়িত্ব লৈছিল, তেতিয়া এইবিভাগৰ অৱস্থাটো বৰ শোচনীয় আছিল। মোৰ কথাটো হৈছে, মন্ত্ৰী মহোদয়ে যেতিয়া ক্ৰেডিট ল'ব বিচাৰে তেতিয়া তেওঁ কয় over load, আৰু কিমানখিনি ফাইন কৰিলে কিন্তু যেতিয়া Government ৰ low perfomance ৰ কথা আহে, তেতিয়া কয় যে উত্তৰাধিকাৰী সূত্ৰে পাইছে।

**মাননীয় অধ্যক্ষ ঃ** Please Question. This is not a Question. This is a debate. আপোনালোকৰ criticism চৰকাৰে শুনিব লাগিব আৰু চৰকাৰে কিবা ক'লেও আপোনালোকে শুনিব লাগিব। ধৈৰ্য্যও লাগিব। পৰৱৰ্ত্তী প্ৰশ্ন যোগেন মোহন ডাঙৰীয়াৰ।

**শ্ৰী যোগেন মোহন(মাহমৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই পোনপটীয়াকৈ জানিব বিচাৰিছো যে আমাৰ শিৱসাগৰত ONGC ৰ এটা উদ্যোগিক প্ৰতিষ্ঠান আছে। তাত কিমান ৰঙা বাছ চলাই আছে, আৰু কিমান দিনলৈ agreement আছে আৰু লাভ-লোকচান কিমান হৈছে। অকণমান জনাব নেকি ?

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী(সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, এইটোৰ তথ্যটো মোৰ হাতত আছে। কিন্তু লাভ-লোকচানৰ কথাটো আজি ক'ব নোৱাৰিম। আমি আগতে ONGC ত যিমান বাছ দিছিলো তাত অকল ASTC ৰ বাছ দিছিলো। কিন্তু এইবাৰ নতুনকৈ আমি বিভিন্ন বাছৰ মালিকসকলৰ লগত কথা পাতি ASTC ৰ অধীনলৈ কিছু বাছ আনি ONGC ত দিলো।আগতে য'ত আমি ONGC ত দুই এখন বাছ দিছিলো, এইবাৰ কিন্তু ONGC ক যিমান বাছ লাগে এই সকলো বাছ আমি দিছো। আৰু এই বাছসমূহ অকল ASTC ৰ নহয় under ASTC ৰ পৰা আনি আমি দিছো আৰু তাৰ পৰা ASTC ৰ এটা ভাল লাভ হ'ব পাৰে। অধ্যক্ষ ডাঙৰীয়া আমি দুই বছৰৰ ভিতৰত Volvo আৰু Mercedes চলোৱাৰ ব্যৱস্থা কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** Next Question168 দেৱানন্দ হাজৰিকা ডাঙৰীয়া।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী(সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** অধ্যক্ষ ডাঙৰীয়া, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী দেৱানন্দ হাজৰিকা (বিহপুৰীয়া)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি মন্ত্ৰী মহোদয়ৰ পৰা উত্তৰ পাইছো আৰু ৩০৩৩৯ INDUSTRY LIST খনো পাইছো। ইয়াৰ ভিতৰত এটা আচৰিত কথা হৈছে যে close Industry ৰ সংখ্যা ৬,২৬৬ আৰু untraceable Industrytry ৰ সংখ্যা ৪,২০৯ এতিয়া প্ৰশ্নটো হৈছে, এই ইণ্ডাষ্ট্ৰীবিলাক untraceable কিয় হ'ল। যিবিলাক Untraceable Industry সেইবিলাককো Sick Industry বুলি ধৰি লৈছো। মোৰ ভুল হ'ব পাৰে। Close Industry টোকে Sick Industry বুলি ধৰি লৈছো। গতিকে প্ৰশ্নটো হৈছে যে এই Industry বোৰ কিয় Sick Industry হ'ল Unstretchable Industry হ'ল ?

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী, উদ্যোগ ও বাণিজ্য, সংসদীয় পৰিক্ৰমা ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়,আমাৰ চৰকাৰ হোৱাৰ পিচত ৬৫০০ কোটি টকা investment হৈছে আৰু ৪০ হাজাৰ ডাইৰেক্ট নিযুক্তি হৈছে। যোৱা ২ বছৰত যিখিনি কৰিলো সেইখিনি নিশ্চয় ক'ব

লাগিব । এই যে ৩০ হাজাৰ industry Sick হৈ গ'ল। এইটো যিটো ডাটা অধ্যক্ষ ডাঙৰীয়া এইটো আমি উত্তৰাধিকাৰী সুত্রে পোৱা সম্পত্তি। আমাৰ হাজৰিকা ডাঙৰীয়াই যিটো প্রশ্ন কৰিছে এইটো আমাৰ উত্তৰাধিকাৰী হিচাপে পোৱা সম্পত্তি কাৰণ কিয় যোৱা দুই বছৰত আমাৰ ৬৫০০ কোটি টকা investment হৈছে। অধ্যক্ষ ডাঙৰীয়া যিটো ৰিপোর্ট দিয়া হৈছে যে কিমান industry Sick হৈ আছে, কিমান industry চলি আছে, এইটো চাৰ্ভে কৰে development commissioner M S M E য়ে গোটেই ইণ্ডিয়াত। অর্থাৎ , কিমান unit Sick হৈছে , কিমান ইউনিট চলি আছে Government of India চাৰ্ভে কৰে। যিটো ৰিপোর্ট ইয়াত দিয়া হৈছে এইটো ২০০৭-০৮ বর্ষৰ এম এচ এম ইৰ ডাটা ।এইটো আজিৰ ডাটা নহয়।প্রতি ১০ বছৰৰ মূৰে মূৰে চাৰ্ভে হয়।এতিয়া ২০১৬-১৭ চনৰ চাৰ্ভেটো এতিয়া হৰ।৩০ হাজাৰ ইণ্ডাষ্ট্ৰি চীক হোৱাৰ যিটো কথা কৈছে, এইটো ২০০৭-০৮ চনৰহে ডাটা।¯ আমাৰ মাননীয় সদস্যগৰাকীয়ে আৰু এটা কথা কৈছে যে, ৪২০৯ industry unstretchable হৈছে । কিন্তু ইণ্ডাষ্ট্রীতো unstretchable হ'ব নোৱাৰে, কিন্তু হৈছে ইয়াত, মানে তাৰ কোনো এড্রেচেই নাই। unstretchable কথাটো এনেকুৱা অধ্যক্ষ মহোদয়, চাপোচ ধৰক কোনো এজন মানুহে ধূপ কাঠিৰ ইণ্ডাষ্ট্রী কৰিছে। কিন্তু কিছুদিন পিচত তেওঁ ভাবিলে যে ধূপ কাঠিটো ভাল নহ'ব গতিকে ধূপ কাঠিটো উঠাই দি তেওঁ মম বাতিৰ ইণ্ডাষ্ট্রী কৰিলে। গতিকে চাৰ্ভে যেতিয়া হয় তেতিয়া এই ধূপ কাঠিৰ ইণ্ডাষ্ট্রীটো survey record ত নাথাকে। unstretchable হৈ যায়।তাৰ মানে সেইটো Sick industry য়ে হয় . কিন্তু আগৰ industryটো বাদ দি যদি নতুন industry এটা খুলিছে তেন্তে আগৰ যিটো খুলিছে সেইটো unstretchable হৈ যায়। এইটো মই ক্লিয়েৰ কৰি দিলো। আৰু তৃতীয় কথাটো এনেকুৱা যে, ২০০৮ চনত Subsidy ৰ কাৰণে industry কৰা হৈছিল নেকি ? হয় অধ্যক্ষ ডাঙৰীয়া, কিছুমানে চাবচিডি পাইছে। Subsidy তেতিয়া আছিল , আমাৰ N E I P P আছিল ।তেতিয়া কিছুমানে হয়তো Subsidy পাইছে ।কিছুমানে State Policyৰ পৰা benefit পাইছে কিন্তু পোৱাৰ পিচত এইটো বন্ধ হৈ গৈছে। চলাব পৰা নাই। আমাৰ হাজৰিকা ডাঙৰীয়াই কৈছে যে ইয়াৰ পৰা আমাৰ চৰকাৰৰ লোকচান হৈছে। চৰকাৰৰ ৰাজহ লোকচান হ'বই কাৰণ, চৰকাৰে tax নাপায় এইটোৰ পৰা বা অন্য benefitপোৱা নাই।বা তাতে যিখিনিয়ে চাকৰী কৰি আছিল তেওঁলোক কর্মহীন হ'ল ।গতিকে চৰকাৰৰ লোকচান হৈছে।গতিকে এইটো ক্ষেত্রত ভাৰত চৰকাৰে এটা নীতি লৈছে। ভাৰত চৰকাৰৰ M S M E ৰ পৰা R B I ত এটা notification হৈছে। Frame work for revival and rehablitation of the Micro -Small- Medium-Enterprise 2016.সেইমতে ৰিজাৰ্ভ বেংকে আমাৰ যিবিলাক Nationalised বেংক আছে , প্রত্যোক বেংককে district level বিলাকত এখন কমিটি বনাবলৈ কৈছে। তাত কৈছে যে,district level এখন কমিটি কৰি তোমালোকৰ আণ্ডাৰত যিমানindustryআছে এই industryবিলাকৰ ২৫ লাখ মেক্সিমাম লিমিট আছে, সেই industryসমূহক লৈ মিটিং পাতিব কৈছে। তেওঁলোকক যদি internet relief কৰি দিলে ভাল হয়, বা One time Settlement কৰিলে ভাল হয় - এনেধৰণৰ কিবা Settlement কৰি, তোমালোকে তেওঁলোকৰ লগত সহযোগ কৰি, সেই industryবিলাক revive কৰাৰ কাৰণে চেষ্টা কৰিবা । এইটো R B I য়ে direction দিছে। সকলো nationali বেংকক ডাইৰেকচন দিছে। নেশনেলাইজড বেংক বিলাকে সেইমতে প্রতিখন জিলাত district level কমিটি কৰি এই ব্যৱস্থাটো গ্রহণ কৰিছে। ধন্যবাদ।

**শ্রীদেৱানন্দ হাজৰিকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আৰু দুই এটা কথা জানিব খুজিছো। প্ৰথম কথা হৈছে যে কেৱল Government Subsidyৰ কাৰণে যেতিয়া industry খোলা হয় , মই দেখা পাইছো industrial estate ৰ ক্ষেত্ৰত, বিশেষকৈ মোৰ বিহপুৰীয়াত এটা এনেকুৱা industrial estate আছে, মোৰ প্ৰশ্নৰ উত্তৰত কৈছে , ২১খন industrial estate চলি আছে বুলি। কিন্তু মোৰ বিহপুৰিয়াত থকাindustrial estate খন চলি থকা নাই। তাতে কিছুমান দুষ্কৃতিকাৰীৰ আড্ডা হৈছে। কোনোবা কোনোবাই industry ৰ ঘৰবিলাক লৈছে আৰু তলা বন্ধ কৰি ৰাখি থৈছে। যিবিলাক মানুহে industry কৰিব বিচাৰে, তেওঁলোকক বঞ্চিত কৰা হৈছে। দ্বিতীয়তে প্ৰথম পৃষ্ঠাত দিয়া হৈছে যে, ৩০,৩৩৯ টা industry তাৰ ১০৪৭৫ টা Clause আৰু unstretchable industry। সেই হিচাপে প্ৰায় ৯ হাজাৰমান industry কাৰ্য্যক্ষম হৈ আছে। কিন্তু প্ৰথম পৃষ্ঠাত district wise industry ইণ্ডাষ্ট্ৰীৰ সংখ্যাটো দিয়া হ'ল তাত ১৪,৮৭৮ টা। এই দুটা সংখ্যা মিলা নাই বা মই হয়তো বুজা নাই, এই বিষয়ে মন্ত্ৰী মহোদয়ে কিবা ক'ব নেকি ?

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী, উদ্যোগ ও বানিজ্য, সংসদীয় পৰিক্ৰমা ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো ৰিপোৰ্ট আচলতে ২০০৭-০৮ চনৰ। ২০০৭-০৮চনৰ Survey ৰ পিচত কিছু industry হয়তো বন্ধ হৈছে, কিছু industry হয়তো আৰু নতুনকৈ হৈছে। গতিকে আপুনি যিটো কৈছে , এই ডাটাটোৰ ক্ষেত্ৰত ২০০৭-০৮ ৰ Survey হৈ যোৱাৰ পিচত industryটো হ'ব পাৰে। গতিকে সেই ডাটাটোৰ ক্ষেত্ৰত আপুনি অলপ অমিল পাইছে। দ্বিতীয় কথা , আপোনাৰ industrial estate খন যদি কিবা কাৰণত কোনোবাই industrial estate লৈ আছে কিন্তু কাম কৰা নাই সেইটো ক্ষেত্ৰত মই আপোনাক আশ্বস্ত কৰিছো যে D I C C, লক্ষিমপুৰক আজিয়ে আমি নিৰ্দেশ দিম । আমাক তেওঁ এটা status ৰিপোৰ্ট দিয়ক আৰু যিসকলে বহুদিন ধৰি তাত তলা লগাই ৰাখি থৈ দিছে, সেই estate বিলাকত আমি eviction কৰি আমাৰ তত্বাবধানলৈ আনিম। আৰু যিয়ে প্ৰকৃততে উদ্যোগ খুলিব বিচাৰে, তেওঁলোকক আমি উদ্যোগ খোলাৰ বাবে আমি অনুমতি দিম।

**মাননীয় অধ্যক্ষঃ** ....... সিদ্ধাৰ্থ ভট্টাচাৰ্য.........।

**সিদ্ধাৰ্থ ভট্টাচাৰ্যঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই মন্ত্ৰী ডাঙৰীয়াৰ পৰা জানিব বিচাৰিছো, যে অসমত যি উদ্যোগিক পাম খোলা হৈছিল , তাত বহু লোকক মাটি allotment দিয়া হৈছিল যাতে তেখেতসকলে তাত উদ্যোগ খুলিব পাৰে। এই উদ্যোগবেৰাৰ ভিতৰত বহু উদ্যোগ sick হৈ গৈছে। মন্ত্ৰী মহোদয়ে কোৱাৰ লেখীয়াকৈ বহুতে হয়তো যিটো বাবে আৱন্টন পাইছে সেই আৱন্টণৰ বৰ্হিভূত হৈ অন্য উদ্যোগ খুলিছে। মই মন্ত্ৰী মহোদয়ৰ মাধ্যমেৰে জানিব বিচাৰিছো যে, এই ক্ষেত্ৰত চৰকাৰৰ Re allotment ৰ কিবা policy আছে নেকি ? কিয়নো আমি দেখিছো যে বহুতে industrial estate ত ঘৰ বাৰী বনাই ধুনীয়াকৈ বসবাস কৰি আছে। কোনোবাই বাতৰি কাকতৰ অফিছ খুলিছে। কোনোবাই টি ভি চেনেল খুলিছে। এই industrial estateত sick industry ৰ যিবোৰ ঠাই আছে , সেইবিলাকৰ re allotment ৰ কাৰণে চৰকাৰৰ কি পলিচি আছে? আৰু আগতে যদি নিয়ম বৰ্হিভূতভাৱে, মন্ত্ৰী মহোদয়ে কৈছে যে, তেখেতে পদক্ষেপ ল'ব , কিন্তু নিয়ম বৰ্হিভুতভাৱে যদি কোনোৱাই অন্যান্য কামৰ বাবে estateৰ মাটি ব্যৱহাৰ কৰিছে, তেখেতসকলৰ বাবে কি পদক্ষেপ ল'ব?

**মাননীয় অধ্যক্ষ ঃ** Thank you .....minister pleaze.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, উদ্যোগ বিভাগৰ মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে এইটো

ক্ষেত্ৰত তেনেকুৱা ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰি আছোঁ। মাননীয় সদস্য ভট্টাচাৰ্য ডাঙৰীয়াই কোৱাৰ নিচিনাকৈ বিশেষকৈ গুৱাহাটী, বঙাইগাঁও, তিনিচুকীয়া এই বিলাক উদ্যোগ পাম কিছুমানে লৈছে, কিন্তু তলা লগাই একো নকৰাকৈ বহি থাকে। গতিকে আমি এইবিলাক অধিগ্ৰহণ কৰিবলৈ চেষ্টা কৰিছো। তাতোকৈ ডাঙৰ কথাটো হৈছে আমি ইতিমধ্যে ললো আৰুবহুতকallotment দি দিলো। কিছুমান কৰিব পৰা নাই কিয় কাৰণ তেওঁলোকে High Court কৰিছে। High Court ৰ case বিলাক নিস্পত্তি নহ'লে এইটো কৰিব পৰা নাযায়। কিন্তু আপোনাৰ কথাটোত মই এক মত যে তেওঁলোকক তাত অলপ সময়ো থাকিব দিব নালাগে। তেওঁলোকে তাত উদ্দ্যোগ নোখোলে সেইটো দখল কৰি তাত বহি আছে। সেই কাৰণে High Court হোৱা যিখিনি আছে, সেইখিনি পৰা নাই বাকীবিলাক ইতিমধ্যে আমি অধিগ্ৰহণ কৰিছোঁ। সেইদৰে ৰাজ্যখনৰ বিভিন্ন ঠাইত, বঙাইগাওঁত মাজতে তেনেকুৱা হৈছিল। বঙাইগাঁওতো কৰিছো, গুৱাহাটী Industrial Estate ত তেনেকুৱা হৈছিল, ইয়াতো আমি কৰিছোঁ। গতিকে আমাৰ সমগ্ৰ ৰাজ্যখনত যিবিলাক Industrial Estate আছে, সেইবিলাকত যিসকলে দীৰ্ঘদিন ধৰি লৈ আছে, উদ্যোগ স্থাপন কৰা নাই। সেইবিলাকৰ পৰা অধিগ্ৰহণ কৰি, যিসকলে উদ্যোগ স্থাপন কৰে তেওঁলোকক দিয়াৰ কাৰণে আমি ব্যৱস্থা লম। এইটো আপোনাক মই প্ৰতিশ্ৰুতি দিলো।

**মাননীয় অধ্যক্ষঃ** Thank you. এতিয়া মাননীয় সদস্য শ্ৰী আমিনুল ইছলাম।

**শ্ৰী অমিনুল ই ছলাম, ধিং ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াতে The State Industrial Relief Undertaking Special Provision Act, 1984 আৰু subsequent Amendment, 1998 সেই মতে আমাৰ মৃত বা ৰুগ্ন উদ্যোগ বিলাক সকাহ দিয়াৰ যিটো ব্যৱস্থা আছে, বৰ্তমান পৰিপেক্ষিত দেখা গৈছে যে আমাৰ ৰুগ্ন উদ্যোগ বিলাকক পুনৰুজ্জীৱিত কৰাত অলপ অসুবিধা হৈছে। মই ভাৱো আমাৰ উদ্যোগ বিভাগে নতুনকৈ এখন বিল বা আইন পাছ কৰি হ'লেও, বৰ্তমান পৰিস্থিতি অধ্যয়ন কৰি কেনেকৈ ৰুগ্ন উদ্যোগৰ কাৰণে নীতিটো পৰিবৰ্তন কৰিব পাৰি, আমাৰ Industrial policy ত দেখা গৈছে বহুত কেইটাৰ লগত খাপ নাখায়। গতিকে নতুনকৈ এখন বিল পাছ কৰি হ'লেও চৰকাৰে ৰুগ্ন উদ্যোগ বিলাক পুনৰুজ্জীৱিত কৰাৰ ব্যৱস্থা কৰিব নেকি।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে, মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, উদ্যোগ বিভাগৰ মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীৰ উত্তৰত মই কওঁ যে এইটো Govt. of India ৰ এটা latest । এইটো Govt. of India ৰ আইনৰ অধীনত State Act হ'ব নোৱাৰে। গতিকে Govt. of India ৰ latest provision MSEB Notification যিটো হৈছে Framework for Revival and Rehabitation of Micro, Small and Medium Enterprises, 2016 । সেইমতে Reserve Bank কে direction দিছে Bank বিলাকক যে যিবিলাক Unit sick হৈছে, যিবিলাক উদ্যোগ এতিয়া ৰুগ্ন অৱস্থাত আছে, যাৰ ২৫ কোটি টকালৈকে Bank loan বা dues আছে, গতিকে District Level Committee বহি তেওঁলোকৰ লগত আলোচনা কৰে, Committee খনত DC , DIC ৰ GM, উদ্যোগ পতি সকল আৰু Leading Bank থাকে। এইটো Reserve Bank ৰ direction আৰু প্ৰত্যেক জিলাত meeting পাতি এটা assessment হয়। Assessment হৈ কোনোবা কোম্পানিয়ে যদি কয় যে আমাৰ এটা one time settlement কৰি ২৫ কোটি টকাৰ dues আছে, তাৰ পৰা ইমান খিনি দিলে আমি

উদ্যোগটো চলাম। গতিকে যাৰ যেনেকৈ feasible হয়, তেনেকৈ District Level Committee য়ে as per direction of the Reserve Bank of India য়ে এই ব্যৱস্থাটো কৰিছে। This is the latest direction from the Govt. of India, MSEB আৰু সেই মতে Reserve Bank of India ই ব্যৱস্থা লয়।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে, এতিয়া মাননীয় সদস্য শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, পশ্চিম গুৱাহাটীঃ** মাননীয় অধ্যক্ষ মহোদয়, Small Industry seal হোৱাৰ আৰু এটা কাৰণ হ'ল যে মোৰ সমষ্টিৰ ৰাণীত এখন Industrial Estate আছিল। কংগ্ৰেছ চৰকাৰৰ দিনত সেইটো CRPF ক দিয়া হ'ল। আৰু তাতে ইমান সুন্দৰকৈ Industry টো চলি আছিল, গুৱাহাটীৰ ওচৰত। গতিকে এতিয়া সেই CRPF ৰ যিটো Camp কৰা হ'ল, সেইটোক withdraw কৰাৰ কাৰণে কিবা ব্যৱস্থা ল'ব নেকি? আৰু enterpreneur ক সেই Estate বিলাক দিয়াৰ কাৰণে ব্যৱস্থা ল'ব নেকি আৰু দুই নম্বৰতে seal হোৱাৰ আৰু এটা কাৰণ হ'ল যে Small scale Industry বিলাকে সামগ্ৰী উৎপাদন কৰে সেই বিলাকৰ বিক্ৰী কৰাতো সমস্যা হয়। সেই কাৰণে আমাৰ অ.গ.প. চৰকাৰৰ দিনতে এটা The Perferencial Store Purchase Act নামৰ এখন Act কৰা হৈছিল। সেইটো Nodal Agency SIDC আছিল। আৰু সেইবিলাক Small Industry ৰ পৰা ক্ৰয় কৰি বিভিন্ন বিভাগক দিয়াৰ ব্যৱস্থা আছিল। কিন্তু সেই Act খন এতিয়া কোনেও নমনা হৈছে। গতিকে সেই Act খন পুনৰ কঠোৰ ভাৱে implement কৰাৰ ব্যৱস্থা কৰিব নেকি।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে, মূল কথাখিনি উত্তৰ দিলে ভাল হ'ব।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, উদ্যোগ বিভাগৰ মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৰাণীৰ যিটো Industrial Estate ত CRPF আছে এই কথাখিনি মই পাতি ল'ম, জিলা প্ৰশাসনৰ লগত উদ্যোগ বিভাগৰ তৰফৰ পৰা কথা পাতিম। গতিকে সেইখিনি ইতিমধ্যে চেষ্টা কৰি আছোঁ এইটো shift কৰিব লাগে। ইয়াৰ নিশ্চয় ব্যৱস্থা কৰিম। অধ্যক্ষ ডাঙৰীয়া এইটোত আমি নিজে গুৰুত্ব দিছো কাৰণ ৰাণীৰ Industrial Estate তো CRPF ক shift কৰি clear কৰাৰ পাছত তাত বহুত Industry automatic হৈ যাব। কাৰণ বহুতে মাটি বিচাৰি আছে। গতিকে সেইটো আমি ব্যৱস্থা কৰিম।

দ্বিতীয় কথাটো হ'ল যে আমাৰ মহন্ত ডাঙৰীয়া মুখ্যমন্ত্ৰী থকা অৱস্থাত এখন Perferencial Store Purchase Act আছিল। সেইমতে লোকেল Unit সমূহৰ পৰা বস্তু ক্ৰয় কৰাৰ কাৰণে compulsory আছিল। তাৰ পিছত মাননীয় সদস্য ৰমেন্দ্ৰ নাৰায়ণ কলিতাই কোৱাৰ নিচিনাকৈ সেই আইন খন নমানা নহয়। তাৰ পিছৰত ভাৰত চৰকাৰে এখন আইন আনিলে যে ভাৰত চৰকাৰে সকলোবোৰ কোম্পানিক সাঙুৰি দিলে। সাঙুৰি দিয়াৰ লগে লগে বৃহৎ উদ্যোগ পতিৰ লগত আমাৰ ৰাণীৰ সৰু উদ্যোগ এটাই কি ফেৰ মাৰিব পাৰিব। গতিকে তেওঁলোকৰ বস্তু বিলাক চৰকাৰী ক্ষেত্ৰত ক্ৰয় কৰাত অসুবিধা হৈছে। এইটো অৱশ্যে সেইটো উত্তৰাধিকাৰ পোৱাৰ ক্ষেত্ৰত হৈছে। যি নহওঁক মাননীয় সদস্য গৰাকীক আপোনাৰ জৰিয়তে জনালো যে আমি এতিয়া এই আইন খন আকৌ আনি আছোঁ। সেই আইনখন মতে আমি ৩০ বছৰ সময় যিবিলাক MSAP sector আছে, সেই sector সমূহ যাতে self Independent হৈ যাব পাৰে, চৰকাৰী ব্যৱসায় পাওঁক নাপাওঁক, নিজৰ ভৰিত যাতে নিজে থিয় দিব পাৰে। গতিকে কমেও শতকাৰ ৩০ ভাগ চৰকাৰী ক্ৰয় সেই লোকেল ইউনিট বিলাকৰ পৰা কিনিব লাগিব ১০ বছৰলৈকে। এইটো আমি নতুনকৈ আইনখন

আনি আছো।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে, last Supplementory, Shri Mrinal Saikia.

**শ্ৰী মৃণাল শইকীয়া, খুমটাইঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টিতো এটা উদ্যোগ আছে- শ্বহীদ কুশল কোঁৱৰ সমবায় সুতা কল লিমিটেড। এইটো ৰোগাক্ৰান্ত বুলিও ক'ব নোৱাৰি, মৃত বুলিও কব নোৱাৰি। এইটো খোলাৰ ব্যৱস্থা কৰিব নেকি কাৰণ private party এটা আহি আছে, মই জানিব পৰা মতে তেখেতসকলে এইটো খুলিবৰ কাৰণে interested । যদি খুলিব খোজে, কিয় এইটো খুলিব পৰা নাযায় সেইটো মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছোঁ।

**মাননীয় অধ্যক্ষঃ** Thank you. Minister Please. চমুকৈ দিব উত্তৰতো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, উদ্যোগ বিভাগৰ মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো খোলৰ কাৰণে চেষ্টা চলাই আছো।

**মাননীয় অধ্যক্ষঃ** Thank you. Next Question No. 169. Shri Durga Bhumij.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, উদ্যোগ বিভাগৰ মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী দূৰ্গা ভূমিজ,দুমদুমা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আচলতে সুধিছিলো যে তিনিচুকীয়া জিলাত কিমান টা প্লাইউড উদ্যোগ আৰু ক্ষুদ্ৰ উদ্যোগ বন্ধ হৈ আছে। Industrial census নোহোৱাৰ কাৰণে উত্তৰতো অহা নাই। মই মন্ত্ৰী মহোদয়ৰ পৰা আপোনাৰ জৰিয়তে জানিব বিচাৰিম যে Industry census কেতিয়াৰ পৰা আৰম্ভ কৰিব। আৰু যিবিলাক বন্ধ হৈ আছে এই বিলাক পুনৰুজ্জীৱিত কৰাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিবনে। তৃতীয়তে হ'ল যে BCPL ৰ পৰা উৎপাদিত যিবিলাক কেঁচা সামগ্ৰী ভটিয়নী উদ্যোগ বিলাকত দিয়াৰ কৰিছিল আৰু প্লাষ্টিক উদ্যোগ নিৰ্মাণৰ কাৰণে তিনিচুকীয়াত এটা প্লাষ্টিক উদ্যোগ স্থাপন কৰিছে। উদ্যোগী সকলক দিয়া হৈছে নে?

**মাননীয় অধ্যক্ষঃ** Thank you.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, উদ্যোগ বিভাগৰ মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, **২০১৭ -১৮** বৰ্ষত census কৰিব। সেইটো Govt. of India ৰ MSME বিভাগে কৰে। এইটো due হৈ আছে। অতি সোনকালে census টো আৰম্ভ হ'ব। ইয়াৰে দ্বিতীয় কথাতো হৈছে যিটো প্ৰশ্ন কৰিছে যে BCPL ৰ পৰা হোৱা উৎপাদন বিলাকৰ জৰিয়তে downstream যিবিলাক Plastic উদ্যোগ হ'ব লাগে, তাৰ কাৰণে ইতিমধ্যে আমি তিনিচুকীয়া জিলাত এখন plastic park এখন ready কৰি ৰাখিছো। গতিকে আমাৰ চৰকাৰে Plastic, Bamboo এই বিলাকৰ ওপৰত priority যথেষ্ট দিছে। গতিকে প্লাষ্টিক পাৰ্ক খনৰ কাৰণে বিভিন্ন উদ্যোগপতিৰ লগত কথা পাতি আছোঁ। যাতে BCPL ৰ পৰা downstream ত যাতে তেওঁলোকে উদ্যোগ কৰিব পাৰে তাৰ কাৰণে কথা পতি আছে । আমি ভাৱো যে কিছু উদ্যোগপতিয়ে আগ্ৰহ দেখুৱাইছে, চাওঁ কি কৰিব পৰা যায়।

**কাৰ্য্যসূচী নং - ১**

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় সদস্য শ্ৰীশ্বেৰমান আলি আহমেদ।

**শ্ৰীশ্বেৰমান আলি আহমেদ (বাঘবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা ৩৯৫ নং তৰাবিহীন প্ৰশ্ন আছিল। প্ৰশ্নটো আছিলে Unstarred Question No.395. "What are the schemes implemented by Commerce and Industries Department in Barpeta District during 2017-18? Please furnish details both physi-

cal and financial." উত্তৰ only physical target দিয়া হৈছে। এই ধৰণৰ বিসংগতি সদায় হৈ আছে আৰু আপোনাৰ দৃষ্টিগোচৰ কৰি আহিছো। তাৰ পিছতো বিভাগে কিয় এই ধৰণে উক্তৰ দিয়ে গুৰুত্ব সহকাৰে বিভাগে বা মন্ত্ৰী মহোদয়ে কিয় নলয় এই কথাটো আপোনাৰ দৃষ্টিগোচৰ কৰিলো? দ্বিতীয়তে তৰাবিহীন প্ৰশ্ন নং ৪২১ নংত উত্তৰত সাৰথি আঁচনিৰ অধীনত বৰপেটা জিলাত ৭০ টা অনুমোদন দিয়া হৈছি বুলি উল্লেখ কৰিছে। অধ্যক্ষ মহোদয়, বৰপেটা জিলাত আঠটা সমষ্টি আছে গতিকে প্ৰতিটো সমষ্টিয়ে নটাকৈ পাব লাগিছিল কিন্তু বাঘবৰ সমষ্টিত মাত্ৰ দুটা দিয়া হৈছে, কিয় এই বৈষম্য কৰা হৈছে? তৃতীয়তে অধ্যক্ষ মহোদয় এই সাৰথি আঁচনি সমূহ বাচনি কোনে কৰে আমি একো গমেই নাপাও, ৰাইজৰ আমি নিৰ্বাচিত প্ৰতিনিধি গতিকে আমি জানিব লাগে।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। মই এটা কথা মাননীয় মন্ত্ৰীসকলৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে বিধান সভাত যিসমূহ প্ৰশ্ন উত্তৰ আহে সেইবোৰ আপোনালোকে supervise কৰাৰ প্ৰয়োজন আছে লগতে মাননীয় সদস্যসকলকো কৈছো আপোনালোকেও প্ৰশ্নসমূহ mix কৰি নিদি এটা specific দিলে ভাল হয়। মাননীয় সদস্যসকলে অহাবাৰৰ পৰা আপোনালোকৰ প্ৰশ্নসমূহ টাইপ কৰি দিয়াৰ ব্যৱস্থা কৰা হ'ব। প্ৰশ্নসমূহ যাতে স্পেচিফিক হয়, যাতে উত্তৰটো দিয়াত সহজ হয়। কাৰণ মই দেখিছো বিভিন্ন স্থানৰ কথা এটা প্ৰশ্নত সোমোৱাই দিলে, সেইখিনি সংগ্ৰহ কৰোতে সময় লাগে। আমাৰ যিবিলাক প্ৰশ্নৰ উত্তৰ আহে সেইক্ষেত্ৰত মই ইতিমধ্যে আপোনালোকলৈ চিঠি লিখি আছো। কিন্তু সদায় যদি উঠি থাকে, তেতিয়া অকমান বেয়া লাগে। এইবিলাক কথা আমি সকলোয়ে চকু ৰাখিব লাগিব। সদনৰ মৰ্য্যদাটো ওপৰলৈ নিবলৈ হ'লে আমি সকলোৱে মিলিহে নিব পাৰিম। গতিকে মই আপোনাক ক'লো প্ৰথমটো চাম, পিচৰটো মই এলাও কৰা নাই, সেইটো অলপ বেলেগ ধৰণে আহিব। ইয়াৰ পিছত কমলাক্ষ দে পুৰকায়স্থ।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ** ঃ অধ্যক্ষ মহোদয়, অসমৰ ৰাইজে আমাক পঠাইছে এই বিধান সভালৈ নতুন নতুন প'লিচি বনাব।

**মাননীয় অধ্যক্ষ** ঃ আপোনাৰ Point of Order কওক।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ** ঃ অধ্যক্ষ মহোদয়, Point of Order টো হ'ল মন্ত্ৰী মহোদয়ে সদায় যে উত্তৰাধিকাৰী উত্তৰাধিকাৰী কয়...

**মাননীয় অধ্যক্ষ** ঃ আপুনি বহক। এইটো Point of Order নহয়। কিন্তু মই এটা কথা কৈছো যে আমি গণতন্ত্ৰত বাস কৰো, আমাৰ tolerance লাগিব, patience লাগিব, mutual respect to each other লাগিব। আপোনালোকে মন্ত্ৰীসকলৰ লগত চাহ খায় নহয়, তেতিয়া তেখেত সকলোকো ক'ব কিন্তু এইবিলাক কথা ইয়াত নহয়। শ্ৰীনুৰুল হুদা।

**শ্ৰীনুৰুল হুদা** ঃ অধ্যক্ষ মহোদয় মোৰ এটা প্ৰশ্ন আছিলে ১৭২ নম্বৰত। মই বিচাৰিছিলো ফচল বীমা আঁচনিৰ অধীনত কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে আবন্টন দিয়া ধনৰ পৰিমাণ বৰ্তমানলৈ কিমান? উত্তৰটো দিছে কিন্তু যিখিনি তথ্য বিচাৰিছে সেইখিনি দিয়া নাই। অধ্যক্ষ মহোদয় আৰু এটা আছে - মই সুধিছিলো ১ জুনৰ পৰা অসমৰ কিমান কৃষকে প্ৰাকৃতিক দূৰ্য্যোগৰ সন্মুখীন হৈছে? উত্তৰত দিছে ছয়টা প্ৰাকৃতিক দুৰ্য্যোগৰ সন্মুখীন হৈছে বুলি কৈছে কিন্তু বানপানী বুলি কৈছে। অধ্যক্ষ মহোদয় শিলাবৃষ্টিটো বহুত লোক ক্ষতিগ্ৰস্ত হৈছিলে সেইখিনি ইয়াত অন্তৰ্ভূক্ত হৈছে নে নাই?

**মাননীয় অধ্যক্ষ ঃ** সেই কাৰণে মই আগতে কৈছোয়েই আপোনালোকে যি ভুল দেখিছে সেইখিনি লিখি মোক এখন চিঠি দিব, যাতে আমি এইটো বিষয়ত follow up action লম। কিন্তু সদায়

এইটো ঠিক নহ'ব, সেইটো মই লক্ষ কৰিছো। আপোনালোকে লিখি দিব। শ্ৰীআবুল কালাম ৰশিদ আলম।

**শ্ৰীআবুল কালাম ৰশিদ আলম ঃ** অধ্যক্ষ মহোদয়, ঠিক একেদৰে মোৰ ক্ষেত্ৰটো একে হৈছে। প্ৰশ্নৰ উত্তৰ আহে কিন্তু তাত সংলগ্ন কৰিবলগীয়া যি সমূহ তথ্য সেই সমূহ নাহে। আজিও ঠিক তেনেকুৱা দেখা গৈছে unstarred প্ৰশ্ননং ৩৮৬ আৰু ৪০৬ ৰ ক্ষেত্ৰত। অৱশ্যে ইয়াত কাৰণ দেখুৱা হৈছে কৰ্মচাৰীৰ আন্দোলন হৈ থকা বাবে তথ্য দিব পৰা নাই। ৪০৬ নং প্ৰশ্নৰ 'চি' ত নগৰ উন্নয়ন বিভাগক সোধা হৈছিল যে কামৰ অগ্ৰগতিত চৰকাৰ সন্তুষ্ট হয়নে নহয়? এই বিষয়টো কাষৰীয়া কৰি এটা বেলেগ ধৰণে উত্তৰ প্ৰদান কৰিছে।......

**মাননীয় অধ্যক্ষ ঃ** আপুনি বিশদ বিৱৰণত নাজাব। আপুনি যিটো উত্তৰ বিচাৰে সেইটো পোৱা নাই যদি মোক লিখিত ভাবে দিব। এতিয়া শূণ্যকালীণ জাননী। মই শ্ৰীমতী আঙুৰলতা ডেকাক তেওঁৰ জাননীখন উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰীমতী আঙুৰলতা ডেকা (বটদ্ৰৱা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰথমতে আপোনাক ধন্যবাদ জনাইছে এই বিষয়টো সদনত উত্থাপন কৰিব দিয়াৰ বাবে। অধ্যক্ষ মহোদয়, যোৱা ১৯ ফেব্ৰুৱাৰীত 'অসমীয়া প্ৰতিদিন' কাকতত বাতৰি প্ৰকাশ হৈছিল, মই প্ৰতিনিধিত্ব কৰা বটদ্ৰৱা সমষ্টিটোৰ সন্দৰ্ভত, "বটদ্ৰৱাত নিৰাপত্তাহীনতাত মহিলা শিক্ষাৰ্থী"। অধ্যক্ষ মহোদয় বিভিন্ন সময়ত আমাৰ এই সমাজখনত নাৰীৰ সৃষ্টিৰ আধাৰ, নাৰী শক্তিৰ আধাৰ আদি বিভিন্ন উপমাৰে নাৰী সমাজক উৎসাহিত কৰি অহা হৈছে আৰু সাহস দি অহা হৈছে। কিন্তু অধ্যক্ষ মহোদয়, এইখন সমাজৰ কিছু বিকৃত মানসিকতাৰ ব্যক্তিয়ে নাৰী সমাজৰ স্বাভিমানক আঘাত হানি বিভিন্ন সময়ত এই সমাজখন লজ্জানত কৰি আহিছে। গুৰুজনাৰ জন্ম স্থান হিচাপে "বটদ্ৰৱা" নামটোৰ এটা সুকীয়া পৰিচয় আছে। বটদ্ৰৱা থানৰ পৰা এক-ডেৰ কিলোমিটাৰ আতৰত উপৰডুমডুমীয়া নামৰ এটা অঞ্চল আছে। শ্ৰীশ্ৰীনৰোৱা সত্ৰখন এই অঞ্চলতে অৱস্থিত। সেই পবিত্ৰ ভূমিত অসমৰ বিভিন্ন প্ৰান্তৰ পৰা ভক্তগণ ৰাইজ গুৰুজনাৰ আশীৰ্বাদ ল'বলৈ উপস্থিত হয়। কিন্তু বৰ্তমান সময়ত এই পবিত্ৰ অঞ্চলটো স্পৰ্শকাতৰ অঞ্চলত ৰূপান্তৰিত হৈছে। বৰ্তমান আমাৰ সেই অঞ্চলত থকা ছোৱালী, মহিলাসকলে চৰম নিৰাপত্তাহীনতাত ভূগিছে আৰু তেওঁলোকে দিনৰ ভাগটো ওলাবলৈ ভয় খোৱা হৈছে। এতিয়া নিজৰ ছোৱালীক মাকসকলে স্কুললৈ পঠাবলৈও এশবাৰ চিন্তা কৰিবলগীয়া হৈছে। অধ্যক্ষ মহোদয়, যোৱা বিধান সভাৰ নিৰ্বাচনৰ সময়ত এগৰাকী কলেজিয়া ছাত্ৰীক সেই শ্ৰীশ্ৰীনৰোৱা সত্ৰৰ মূল দুৱাৰৰ তলত দলবদ্ধ ভাৱে ধৰ্ষণ কৰি ঘৰৰ ওচৰত পেলাই থৈ যায়। তাৰপিছতো বাতৰিত প্ৰকাশ পোৱা মতে পৰৱৰ্তী সময়ত সেই অঞ্চলত আঠটাতকৈ অধীক ধৰ্ষণৰ নিচিনা জঘণ্য কাণ্ড সংঘটিত হৈছে। অধ্যক্ষ মহোদয়, আজি ২০ দিনমান আগত এগৰাকী ষষ্ঠ শ্ৰেণীত পঢ়া ছাত্ৰীক স্কুলৰ পৰা আহি থকা অৱস্থাত দুজন লোকে দলবদ্ধ ধৰ্ষণ কৰি ৰাস্তাৰ দাতিত পেলাই থৈ যায়। অধ্যক্ষ মহোদয় এগৰাকী মহিলা প্ৰতিনিধি হিচাপে মই বিচাৰিছো আমাৰ অসমত বসবাস কৰা কোনো মহিলাই যাতে ধৰ্ষণৰ নিচিনা পৰিস্থিতিৰ মুখামুখী নহয়, কোনেও যাতে নিৰাপত্তা হীনতাত নোভোগে আৰু শংকাত নোভোগে। সকলোৱে যাতে স্বাধীন মনেৰে মুক্ত মনেৰে যাত বসবাস কৰি দেশ আৰু সমাজৰ বাবে কাম কৰি যায়। অধ্যক্ষ মহোদয়, নিজৰ জীৱনক লৈ এগৰাকী ছোৱালীৰ বহু সপোন থাকে ঠিক তেনেদৰে ছোৱালীজনীক লৈও পিতৃ-মাতৃৰো বহু সপোন থাকে। মই কেতিয়াও আশা নকৰো যে সেই সপোন বিলাক ভাঙি চুৰমাৰ হৈ যাওক। ইয়াৰ প্ৰতি লক্ষ্যৰাখি আমাৰ চৰকাৰে বিভিন্ন সময়ত মহিলা সৱলীকৰণৰ কাৰণে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰি আহিছে। আমাৰ মাননীয় সদস্য এজনে নাৰী

সম্পৰ্কীয় এনে ধৰণৰ সমস্যাৰ ওপৰত এই বিধান সভাতে বিষয় এটা উত্থাপন কৰিছিল। বিষয়টো সম্পৰ্কত মাননীয় মন্ত্ৰীয়ে উত্তৰ দিছিল আৰু বিভিন্ন ধৰণৰ আঁচনিৰ কথা কৈছিল। মই ভাল পাইছো। কিন্তু আমাৰ এইখন সমাজত ৰাম আৰু ৰাৱণ দুয়োটা আছো। সমাজত ভাল আৰু বেয়া এই দুটা শব্ধ আছে, এই দুটা শব্দ আছিল, আছে আৰু ভৱিষ্যতেও থাকিব তাত কোনো সন্দেহ নায়। কিন্ত মানুহ হিচাপে আমাৰ দায়িত্ব থাকিব যে আমি কেনেকৈ ভালৰ সংখ্যা যাতে বঢ়াব পাৰো, কেনেকৈ শুভ শক্তি প্ৰতিষ্ঠা কৰিব পাৰো। কেনেকৈ যোগাত্মক দৃষ্টিভঙ্গীৰে ভাল কাম কৰিব পাৰো। অধ্যক্ষ মহোদয়, আমি সকলোৱে জানো যে এগৰাকী ছোৱালীয়ে সতীত্ব হেৰুৱাৰ পিছত পুনৰাই আমি তেওঁৰে সতীত্ব ঘূৰাই দিব নোৱাৰো। কিন্তু আমি আমাৰ ফালৰ পৰা এনেকুৱা ব্যৱস্থা গ্ৰহণ কৰিব পাৰো নেকি যি ব্যৱস্থাৰ জৰিয়তে তেনেকুৱা ধৰণৰ ভূক্তভোগী সকলে জীয়াই থকাৰ এটা প্ৰেৰণা পায়, এনেকুৱা ঘটনা যাতে ৰাতিপুৱা পেপাৰত দেখিবলৈ নাপাও বা ঘটনাৰ সংখ্যা হ্ৰাস হয়। অধ্যক্ষ মহোদয় মই কেইটামান বিষয় ভাৰিছো এক নম্বৰটো হৈছে যিসকল তেনেকুৱা ভুক্তভোগী আছে, মই নিবিচাৰো কাৰোবাৰ লগত জীৱনত এনেকুৱা ঘটনা ঘটক তথাপিতো এনেকুৱা ধৰণৰ যদি কোনোবা নিৰ্য্যাতিতা আছে তেওঁলোকক তাৎক্ষনিক ভাৱে এককালীন কিবা সাহাৰ্য্য দিব পৰা যায় নেকি? ২নম্বৰত অধ্যক্ষ মহোদয়, যি সকল ভুক্তভোগী চিনাক্ত হয়, কোনোৱে আহি নকয়, মই ধৰ্ষিতা কিন্তু এনেকুৱা যদি চিনাক্ত হয়, তেওঁলোকক আমাৰ চৰকাৰী ভাৱে তেওঁৰ যোগ্যতা অনুসৰি সংস্থাপনৰ ব্যৱস্থা গ্ৰহণ কৰিব পাৰে নেকি? ৩নম্বৰ অধ্যক্ষ মহোদয়, আমাৰ স্কুল পৰ্য্যায়ৰ পৰা বিভিন্ন বিভাগৰ পৰা মানসিক বিকাশৰ কাৰণে বা বৌদ্ধিক বিকাশৰ কাৰণে হওঁক শাৰীৰিক বিকাশৰ কাৰণে বিভিন্ন বিভাগৰ ফালৰ পৰা খেল ধেমালি পৰা আৰম্ভ কৰি নৃত্য অভিনয় এনেকুৱা ধৰণৰ কিছুমানৰ বিভাগ থাকে আৰু ব্যৱস্থা গ্ৰহণ কৰে। স্কুল পৰ্য্যায়ৰ পৰা আমাৰ আত্ম ৰক্ষাৰ কাৰণে কিবা প্ৰশিক্ষণ এটা বাধ্যতামূলক এটা বিষয়, দিব পাৰি নেকি যাৰ জৰিয়তে তেওঁলোকৰ আত্ম বিশ্বাসটো প্ৰৱল হব আৰু এনেকুৱা ধৰণৰ যদি পৰিস্থিতিৰ মুখামুখি হয়, তেওঁলোকে মোকামিলা কৰিবৰ কাৰণে সেইখিনি আত্ম বিশ্বাস আৰু সাহসৰে যুজিব পাৰে, অধ্যক্ষ মহোদয়, সেইটো এটা আত্ম ৰক্ষা, মই কৰবাত শুনিছিলো, Private Sector ৰ স্কুল বিলাকত এই বিষয়টো আছে। ৪নম্বৰতে অধ্যক্ষ মহোদয়, যিহেতু এই ওপৰ ডুমডুমীয়া অঞ্চলত কেৱল ধৰ্ষণ বুলিয়ে নহয়, তাত হত্যা, লুণ্ঠন, চুৰ ডকাইত আৰু সেইদিনাখন আমাৰ যি ঐতিহ্য মণ্ডিত সত্ৰ আছে, সেইদিনাখন চুৰ হৈছে, আজি ১মাহ আগত আমাৰ তাত সত্ৰ আছে, সৰু-বৰ গোটেই অঞ্চলটো খুব স্পৰ্শকাতৰ হৈছে, তাত আমাৰ চৰকাৰী মাটি আছে, ৫০০ বিঘা, তাত স্থায়ী কেম্প এটা দিব পাৰে নেকি ? যিকোনো ধৰণৰ যদি বিবেচনা কৰি দিয়ে, নিশ্চয়কৈ আমাৰ বহুত সুবিধা হব সেই অঞ্চলটোৰ কাৰণে, কাৰণ এইটো পবিত্ৰ ভুমি আৰু যিহেতু শ্ৰী শ্ৰী নৰসত্ৰ গুৰুজনাৰ স্মৃতি বিজড়িত অঞ্চল, গতিকে অধ্যক্ষ মহোদয়, মই বিচাৰিম যে এনেকুৱা ধৰণৰ ব্যৱস্থা আমাৰ মহিলা সকলক আৰু সৰল কৰিব আৰু আঁচনি সমূহ সম্পূৰ্ণৰূপে সফল হব, গতিকে মন্ত্ৰী মহোদয়ৰ পৰা মই এটা যোগাত্মকভাৱে এটা উত্তৰ বিচাৰিছো।

**মাননীয় অধ্যক্ষ** ঃ এই অঞ্চলটো কোন থানাৰ অন্তৰ্গত ।

**শ্ৰীমতী আঙুৰলতা ডেকা (মাননীয় বিধায়িকা, বটদ্ৰৱা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটো আমাৰ বটদ্ৰৱা থানাৰ অন্তৰ্গত ।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় বিধায়িকা শ্ৰীমতী আঙুৰলতা ডেকা ডাঙৰীয়ানীয়ে উত্থাপন কৰা যোৱা ইংৰাজী ১৯-০২-২০১৮ তাৰিখে অসমীয়া প্ৰতিদিন কাকতত প্ৰকাশিত 'বটদ্ৰৱা নিৰাপত্তাহীনতাত মহিলা শিক্ষাৰ্থী শীৰ্ষক' বাতৰিটো চৰকাৰৰ

দৃষ্টি গোচৰ হৈছে আৰু তেখেতৰ যিখিনি বক্তব্য মই খুব মনোযোগেৰে শুনিছো, খুৰ ভালকৈ বক্তব্য ৰাখিছে, যিখিনি কথা কৈছে, এই কথাখিনি আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই তেখেতৰ এইবাৰ Governor Speech ত বা ইয়াৰ আগতে বিভিন্ন Speech ত আমাৰ মাননীয় মুখ্যমন্ত্ৰীয়ে এই কথাখিনি স্পষ্টভাৱে তেখেতৰ বক্তব্যত চৰকাৰৰ দৃষ্টি ভংগী প্ৰকাশ কৰিছে, গতিকে এই ক্ষেত্ৰত চৰকাৰ একেবাৰে স্পষ্ট আৰু মহিলাৰ সৱলিকৰণৰ ক্ষেত্ৰত মহিলাৰ নিৰাপত্তাৰ ক্ষেত্ৰত চৰকাৰে সদায় স্থিতি স্পষ্ট। যিহেতু এনেকুৱা ধৰণৰ ঘটনা হৈছে, এইটো দুখ লগা কথা যে আমাৰ মহিলা সকল যদি শীক্ষাৰ্থীয়ে হওঁক, কৰ্মচাৰী হওঁক, বা একো নকৰায়ে হওঁক, মহিলা সকল এনেকুৱা নিৰাপত্তা হীনতাত ভুগাটো সঁচাকে দুখৰ কথা। গতিকে চৰকাৰে এই ক্ষেত্ৰত কঠোৰভাৱে ব্যৱস্থা গ্ৰহণ কৰিব। বাতৰিটোৰ সম্পৰ্কত মই এটা স্পষ্টীকৰণ দিব বিচাৰিছো, যোৱা ইংৰাজী ১৯-০২-২০১৮ তাৰিখে অসমীয়া প্ৰতিদিন কাকতত প্ৰকাশিত 'বটদ্ৰৱা নিৰাপত্তাহীনতাত মহিলা শিক্ষাৰ্থী' শীৰ্ষক বাতৰিটো চৰকাৰৰ দৃষ্টি গোচৰ হৈছে, নগাওঁ জিলা আৰক্ষী প্ৰসাশনৰ পৰা পোৱা তথ্য অনুযায়ী ২০১৬-১৮ চনৰ ভিতৰত বটদ্ৰৱা থানা এলেকাত মুঠ ৪ টা (চাৰিটা) ধৰ্ষণৰ গোচৰ পঞ্জীভূত হৈছে, গোচৰ সমূহ হ'ল ঃ-

১) বটদ্ৰৱাথানা গোচৰ নং ৩২/১৬ ।

গোচৰীয় -শ্ৰী প্ৰমথেশ দেৱ গোস্বামী ।

অভিযুক্ত মুৰুছিদুল ইছলাম আৰু ছাইদুল ইছলামক গ্ৰেপ্তাৰ কৰা হৈছিল। গোচৰটো তদন্ত শেষ কৰি অভিযোগনামা ১৪/১৭ মৰ্মে ইংৰাজী ২৮/০২/২০১৭ তাৰিখে দাখিল কৰা হৈছে।

২) বটদ্ৰৱাথান গোচৰ নং - ১২৫/১৬

গোচৰীয়-জালালউদ্দিন ।

অভিযুক্ত -ছয়দুল ইছলামক গ্ৰেপ্তাৰ কৰা হৈছে।

গোচৰটোৰ তদন্ত শেষ কৰি অভিযোগনামা ৮৬/১৬ মৰ্মে ইংৰাজী ৩০/১১/২০১৬ তাৰিখে দাখিলকৰা হৈছে।

৩)বটদ্ৰৱাথান গোচৰ নং - ৯৬/১৭

গোচৰীয় -মঃ হাছেন আলি ।

অভিযুক্ত (১) আঃ হামিদ (২) মফিদুল ইছলাম (৩) আইন উদ্দিন (৪) চাইফুল ইছলামক গ্ৰেপ্তাৰ কৰি উক্ত পদকীয়াগণৰ বিৰুদ্ধে অভিযোগনামা নং ৭২/১৭ মৰ্মে ইংৰাজী ১৯/০৭/ ২০১৭ তাৰিখে দাখিল কৰা হৈছিল।

৪)বটদ্ৰৱাথান গোচৰ নং - ২৩/১৮

গোচৰীয়- সাহিদ আলি ।

অভিযুক্ত - (১) ৰফিজুল ইছলাম (২) আমিৰ উদ্দিনক গ্ৰেপ্তাৰ কৰি বৈজ্ঞানিক সাক্ষ্য প্ৰমানৰ বাবে Exibit (গোচৰৰ প্ৰদৰ্শনীয় বস্তু) গুৱাহাটীৰ Forensic Science Laboratory লৈ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰা হৈছে আৰু অনুসন্ধান অব্যাহত আছে।

২০১৬-১৮ চনৰ ভিতৰত মুঠ (৩) তিনিটা গৰু চুৰিৰ ঘটনাৰ গোচৰ পঞ্জিভূত হৈছিল । গোচৰ সমূহ হ'ল ঃ

১)বটদ্ৰৱাথান গোচৰ নং - ১০৯/১৭

গোচৰীয় -প্ৰবীন নাথ।

অভিযুক্ত - মঃ দিলদাৰ হুছেইনক গ্ৰেপ্তাৰ কৰে । গোচৰটো তদন্ত শেষ কৰি অভিযোগনামা ৬১/১৭ মৰ্মে ইংৰাজী ২৬/০৬/২০১৭ তাৰিখে অভিযোগ দাখিল কৰা হৈছিল।

২)বটদ্ৰৱাথান গোচৰ নং -২০/১৮
গোচৰীয় - নিতু বৰা
অভিযুক্তক  কৰায়ত্ব কৰাৰ বাবে তথা চুৰি বস্তু উদ্ধাৰৰ বাবে সকলো কৌশল অৱলম্বন কৰা হৈছে।
৩)বটদ্ৰৱাথান গোচৰ নং - ২৮/১৮
গোচৰীয় - টিপুল কলিতা ।
অভিযুক্তক কৰায়ত্ব কৰাৰ বাবে তথা চুৰি বস্তু  উদ্ধাৰৰ বাবে সকলো কৌশল অৱলম্বন কৰা হৈছে।

২০১৬-১৮ চনৰ ভিতৰত ডুমডুমীয়া এলেকাত এটা মন্দিৰৰ চুৰিৰ ঘটনা সংঘটিত হৈছে গোচৰটো হ'ল ঃ-
বটদ্ৰৱাথান গোচৰ নং - ২২২/১৭
গোচৰীয় - কুশ বৰদলৈ।
চুৰি সামগ্ৰী আৰু দুস্কৃতিকাৰীক কৰায়ত্ব কৰাৰ বাবে সকলো প্ৰকাৰৰ চেষ্টা অৱলম্বন কৰি থকা হৈছে।  বাতৰিত উল্লেখিত ওপৰোক্ত মোকৰ্দমা সমূহত নগাওঁ আৰক্ষীয়ে অপৰাধিক  কৰায়ত্ব কৰি অভিযোগনামা দাখিল কৰাৰ পৰা এইটো প্ৰমাণ হয় যে, নগাওঁ জিলাৰ আৰক্ষীয়ে অতি সংবেদনশীলতাৰে আৰু নিয়াৰিকৈ মোকৰ্দমা সমূহ বিশেষকৈ  ধৰ্ষণৰ মোকৰ্দমা সমূহৰ সঠিকভাৱে তদন্ত চলায়। বাতৰিটো উল্লেখিত  তীৰ, জুৱা, মদ আদি বন্ধ কৰাৰা বাবে অন্যান্য ঠাইৰ লগতে বটদ্ৰৱা এলেকাতো অভিযান চলোৱা হয় আৰু ইতিমধ্যে বহু পৰিমাণৰ অবৈধ সুৰা নষ্ট কৰা  হৈছে। এই বিষয়ে ৰাইজক সজাগ কৰিবৰ বাবে স্থানীয়  গাওঁৰক্ষী বাহিনীৰ সহযোগত সজাগতা সভা আহ্বান কৰা হয় ।বালিসত্ৰ কিচামতৰ গ্ৰেজিং ৰিৰ্জাভৰ মাটি বেদখল মুক্ত কৰাৰ বাবে যাৱতীয় ব্যৱস্থা নগাও জিলাৰ উপায়ুক্তৰ ফালৰ পৰা গ্ৰহণ কৰি থকা হৈছে।  বাতৰিটোত যিটো কথা উল্লেখ আছে, আটাইখিনি ক্লিয়াৰ কৰি দিয়া হল আৰু শ্ৰীমতী আঙুৰলতা ডেকা ডাঙৰীয়ানী যিখিনি কথা কৈছে, এইটোত আমাৰ চৰকাৰ একমত আৰু মহিলাৰ ক্ষেত্ৰত তেখেতে যি বিশেষকৈ যিটো গুৰুত্ব প্ৰদান কৰিছে,  নিৰাপত্তাৰ ক্ষেত্ৰত চৰকাৰ একমত চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব।

**মাননীয় অধ্যক্ষ ঃ** আমাৰ Committee on Welfare of Women and Children Welfare আছে নহয়,  আপুনি আগতে সেইখন কমিটিৰে Chairperson আছিল। এতিয়া আপুনি যি কেইটা Suggestion  দিছে, সেই Suggestion বোৰ তেখেত সকলে লৈছে। কিন্তু আমাৰ Women and Children Welfare  Committee খনে যদি বিষয়টোত গুৰুত্ব দিয়ে আৰু যদি কমিটিখনে এটা Report বনায় That will be mor helpful to us আৰু ডুমডুমীয়াত তেনেকুৱা কিবা এটা Temporary Camp আছে, কিছুমান ক্ষেত্ৰত এইটোত Deterrent হয়। গতিকে মন্ত্ৰী মহোদয়ে এইটো চাব পাৰে। গতিকে মই Committee on Women and Children Welfare ক Request কৰিছো যে It is a very sensitive matter. এতিয়া মাননীয় সদস্য শ্ৰী শ্বেৰমান আলী ডাঙৰীয়া।

**শ্ৰীশ্বেৰমান আলী আহমেদ ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা ১৯ ফেব্ৰুৱাৰী তাৰিখে 'দৈনিক জনমভূমি' বাতৰি কাকতত প্ৰকাশিত "বিদ্যালয়ৰ পাঠ্যক্ৰমত শাৰীৰিক শিক্ষা বাধ্যত্বমূলক কৰক"

এই বাতৰিটো পবিত্ৰ সদনৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো। মাননীয় অধ্যক্ষ মহোদয়, সুস্থ সৰল প্ৰগতিশীল জাতি এটা গঠন কৰিববৈলে বা কৰাৰ লগতে যে শাৰীৰিক শিক্ষাৰ অতি প্ৰয়োজন এই কথাটো আমাৰ স্বীকাৰ্য্য আৰু আমি সকলোৱে স্বীকাৰ কৰিম। স্বাস্থ্য সন্মত ব্যাম আৰু শাৰীৰিক ব্যামৰ যোগেদিহে ছাত্ৰ-ছাত্ৰী সকলৰ দৈহিক আৰু মানষিক উন্নতি হয়। মাননীয় অধ্যক্ষ মহোদয়, বৰ্তমান যি যুৱ উশৃংখলতা, অলপ আগতে মাননীয়া বিধায়িকা শ্ৰীমতী আঙুৰলতা ডেকা ডাঙৰীয়ানীয়ে উল্লেখ কৰিছে, বৰ্তমানৰ যি যুৱ উশৃংখলতা এই যুৱ উশৃংখলতাৰ ৰোধ কৰিববৈলে হলে শাৰীৰিক শিক্ষা তাৰ লগতে ব্যাম বা শাৰীৰ চৰ্চা ক্ৰীড়া আদি অতি প্ৰয়োজন আৰু এই বোৰৰ যোগেদিহে নাগৰিক এজনৰ শাৰীৰিক, মানষিক বা বৌদ্ধিক উৎকৰ্ষ হয়। এই কথাখিনি গুৰুত্ব উপলব্ধি কৰিহে বা এইখিনি উপলব্ধি কৰি আমাৰ National Frame Work ২০০৫ চনৰ যোগেদি শাৰীৰিক শিক্ষা আৰু স্বাস্থ্য বিষয়ৰ আচুতীয়া পাঠ্য-পুথি বাধ্যতামূলক কৰা হৈছিল। কিন্তু আজিলৈ আমাৰ ৰাজ্যত এইটো কাৰ্য্যকৰী কৰা হোৱা নাই। আমাৰ ৰাজ্যক চৰকাৰে ২০১৩ চনৰ পৰা ২০১৮ চনলৈ আমাৰ যি শৈক্ষিক দিনপঞ্জী তাত প্ৰাথমিক প্ৰৰ্যায়ৰ পৰা মহাবিদ্যালয় পৰ্য্যায়লৈ স্বাস্থ্য আৰু শাৰীৰিক শিক্ষা এই শৈক্ষিক দিনপঞ্জী ত উল্লেখ কৰা আছে। কিন্তু এই বিষয়টো এতিয়ালৈ পাঠ্যক্ৰমৰ অন্তৰ্ভূক্ত কৰা হোৱা নাই বা Compulsory Subject হিচাপে অন্তৰ্ভূক্ত কৰা হোৱা নাই। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ যি Sports Policy ২০১১ চনত ঘোষণা কৰা হ'ল এই Sports Policy টোত স্পষ্ট ভাৱে লিখা আছে যে Physical Education will be introduced in this school curriculum as a compulsory subject. Physical Education will be introduced in the College of the State as a subject. এই ধৰণৰ 5.4.1 আমাৰ যিটো Sports Policy তাত এই Physical Education টো পাঠ্যক্ৰমত বাধ্যতামূলক হিচাপে অন্তৰ্ভূক্ত কৰাৰ কথাটো গুৰুত্ব দিয়া হৈছে। কিন্তু, আজিলৈ অসমৰ শিক্ষা ব্যৱস্থাত স্কুল বা মহাবিদ্যালয় সমূহত এই শাৰীৰিক শিক্ষা Physical Education বিষয়টো বাধ্যতামূলক কৰা হোৱা নাই। ইতিমধ্যে মাননীয় অধ্যক্ষ মহোদয়, ভাৰত চৰকাৰৰ যি বোৰ কেন্দ্ৰীয় বিদ্যালয় আছে সেইবোৰত Physical Education ইতিমধ্যে compulsory. আমাৰ বহুতো ৰাজ্য যেনে গুজৰাট, পাঞ্জাব, হাৰিয়ানা, অৰুনাচল প্ৰদেশ এইবোৰটো Physical Education compulsory. আনকি IIT লেখিয়া শিক্ষানুষ্ঠানতো য'ত কেৱল প্ৰযুক্তি বিদ্যাৰ শিক্ষা দিয়া হয় তাতো Physical Education টো compulsory কৰা হৈছে। সেই কাৰণে মই মাননীয় অধ্যক্ষ মহোদয় এই প্ৰশ্নটো উত্থাপন কৰোতে আমাৰ শিক্ষা মন্ত্ৰী আৰু ক্ৰীড়া বিভাগৰ মন্ত্ৰী দ্বয়ক মই Mark কৰিছিলো, কিন্তু দুৰ্ভাগ্য আজি ইয়াত শিক্ষা মন্ত্ৰী নাই। মই আশা কৰো মাননীয় অধ্যক্ষ মহোদয় এই বিষয়টোৰ গুৰুত্ব উপলব্ধি কৰি যাতে অতি সোনকালে Physical Education টো পাঠ্যক্ৰমত অন্তৰ্ভূক্ত হয় compulsory subject হিচাপে তাৰ কাৰণে মই আপোনাকো এই বিষয়ত অনুৰোধ জনাইছো আৰু এটা কথা উল্লেখ কৰিব বিচাৰিছো যে আমাৰ কিছুমান ইউনিভাৰচিটিত Physical Education ইতিমধ্যে এটা বিষয় হিচাপে Introduce কৰা হৈছে। বহুতো ছাত্ৰ-ছাত্ৰীয়ে আমাৰ অসমৰ বিশ্ববিদ্যালয়ে হওঁক বা বাহিৰৰ বিশ্ববিদ্যালয় হওঁক বহুতো ছাত্ৰ-ছাত্ৰীয়ে ইতিমধ্যে তেওঁলোকে Graduation হওঁক, Post- Graduation হওঁক যাতে কোনো বিশ্ববিদ্যালয়, য'ত PHD Course ও আছে। গতিকে প্ৰায় ৪০০০ হাজাৰ ছাত্ৰ-ছাত্ৰীয়ে ইতিমধ্যে Physical Education এই Course টোত শিক্ষা গ্ৰহণ কৰি তেওঁলোকে অৰ্হতা অৰ্জন কৰিছে। কিন্তু আমাৰ স্কুল কলেজত এই বিষয়টো compulsory subject

হিচাপে প্ৰৱৰ্তণ নকৰাৰ বাবে তেওঁলোকে এতিয়া জীৱিকাৰ কোনো ধৰণৰ উপায় নাই। যদি তেওঁলোকক সংস্থাপনো দিব নোৱাৰো তেতিয়া হলে বিশ্ববিদ্যালয় পৰ্য্যায়ত এই বিষয়টোৰ শিক্ষা দিয়াৰও কোনো প্ৰয়োজনতা নাই। গতিকে মই অধ্যক্ষ মহোদয়, এই বিষয়টো যিহেতু অতি গুৰুত্বপূৰ্ণ, আপোনাৰ যোগেদি, আপোনাকো এই বিষয়ত হস্তক্ষেপ কৰিবলৈ অনুৰোধ জনাইছো, যাতে আপুনি, মাননীয় ক্ৰীড়া মন্ত্ৰী আৰু শিক্ষা মন্ত্ৰী তিনিও জনে উদ্দ্যোগ লৈ Physical Education অতি সোনকালে যাতে আমাৰ পাঠ্যক্ৰমত এটা compulsory subject হিচাপে অন্তৰ্ভূক্ত কৰা হয় তাৰ কাৰণে ব্যৱস্থা লব। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ভাল বিষয় উত্থাপন কৰিছে, এতিয়া ক্ৰীড়া আৰু যুৱ কল্যাণ মন্ত্ৰী।

**শ্ৰী নৱকুমাৰ দলে, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক শ্ৰীশ্বেৰমান আলী আহমেদ ডাঙৰীয়াই শূণ্যকালীন ঘন্টাৰ জাননীৰ দৈনিক জনমভূমি বাতৰি কাকতত ১৯ ফেব্ৰুৱাৰীত প্ৰকাশিত "সদৌ অসম শাৰীৰিক ক্ৰীড়া শিক্ষক সন্থাৰ ৰাজ্য চৰকাৰলৈ আহ্বান - বিদ্যালয় সমূহত শাৰীৰিক শিক্ষা বাধ্যতামূলক কৰক।"

এই বিষয়টো আমাৰ দৃষ্টি গোচৰ হৈছে আৰু আমি এনে গুৰুত্বপূৰ্ণ বিষয় এটা তেখেতে উত্থাপন কৰাৰ বাবে ধন্যবাদ জনাইছো। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগত আগত ক্ৰীড় নীতি কৰা নাছিলে, কিন্তু এইবাৰ আমি মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ পৰামৰ্শক্ৰমে এখন ক্ৰীড় নীতি কৰিছো। য'ত ইতিমধ্যে এই বাতৰিটোৰ বিষয়টো আমি তাত সন্নিবিষ্ঠ কৰিছো। অসম চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগে ২০১৮ ফেব্ৰুৱাৰী মাহত নতুন ক্ৰীড়া নীতি ঘোষণা কৰিছে, য'ত শাৰীৰিক শিক্ষা আৰু ক্ৰীড়া, অসমৰ বিদ্যালয় সমূহত পাঠ্যক্ৰমৰ এটা সুকীয়া বিষয় হিচাপে অন্তৰ্ভূক্তি কৰাৰ নীতি গ্ৰহণ কৰিছে। এই বিষয়ে অসম চৰকাৰৰ শিক্ষা বিভাগৰ সহযোগত এই নীতি ৰূপায়ণৰ বাবে আমাৰ বিভাগে অতি শীঘ্ৰে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিব। তদুপৰি ক্ৰীড়া নীতিত বিদ্যালয় সমূহত দ্বাদশ শ্ৰেণী পৰ্য্যন্ত শাৰীৰিক শিক্ষা বাধ্যতামূলক কৰিবৰ বাবে প্ৰস্তাৱ লোৱা হৈছে। ইয়াৰ উপৰিও প্ৰতিখন বিদ্যালয়ৰ কৰ্মৰত একোজনকৈ শিক্ষকক অসম চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ দ্বাৰা শাৰীৰিক শিক্ষাৰ প্ৰশিক্ষণ দি দক্ষতা বৃদ্ধি কৰি শাৰীৰিক নিৰ্দেশক হিচাবে গঢ়ি তোলা হ'ব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰীশ্বেৰমান আলী আহমেদ ঃ** মাননীয় অধ্যক্ষ মহোদয়, এটা Point of Order আছে, মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে - 'আগতে ক্ৰীড়া পলিচি নাছিলে আমাৰ চৰকাৰে আহি কৰিছে' । মই উদাহৰণ দিছো Assam State Sports Policy ২০১১ চনতে আছে। গতিকে মন্ত্ৰী মহোদয়ৰ এই কথাখিনি দ্ৰষ্টব্য কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** পলিচি বিলাক চৰকাৰে নতুনকৈ আকৌ কেতিয়াবা Re-Frame কৰে । ঠিক আছে। মই সেইটো বুজিলো I will take care. আপুনি বিষয়টো যি Education Part ৰ কথা কৈছে, আমাৰ Education ৰ যি Details discussion হব This is a very important point হব আপুনি উত্থাপন কৰিব। এতিয়া মাননীয় সদস্য শ্ৰীপবিন্দ্ৰ ডেকা, তেখেতে দৈনিক জনমভূমিৰ বাতৰিৰ সম্পৰ্কে কব।

**শ্ৰীপবিন্দ্ৰ ডেকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজিৰ এই শূণ্যকালীণ ঘন্টাত মই ৰজ্যখনৰ এটা অতি উদ্বিগ্ন, ৰাইজে উদ্বিগ্ন হোৱা আৰু আমাৰ সকলোৰে বাবে দূৰ্ভাগ্য কঢ়িয়াই অনা বিষয় এটা উত্থাপন কৰিব বিচাৰিছো। যোৱা ১৯ ফেব্ৰুৱাৰী তাৰিখে অসমৰ অন্যতম পুৰণি আৰু জনপ্ৰিয়

বাতৰি কাকত দৈনিক জনমভূমিত এটা বাতৰি প্ৰকাশ পাইছে। বাতৰিটো হ'ল " ১.১৫ কোটি লোক দৰিদ্ৰ সীমাৰেখাৰ তলত, অধিক লোক হ'ল গ্ৰাম্যাঞ্চলৰ, মাহিলী গড় উপাৰ্জণ মাত্ৰ ১০০০ টকা, ৰাজ্যত দৰিদ্ৰৰ সংখ্যা বৃদ্ধি" এই শিৰোণামেৰে এই বাতৰিটো প্ৰকাশ পাইছে। অধ্যক্ষ মহোদয়, আমাৰ যি সকল লোক দৰিদ্ৰতাৰ সীমাৰেখাৰ তলত আছে, একেবাৰে দৰিদ্ৰ সীমাৰেখাৰ তলত বুলিও ধৰিব নোৱাৰি, কাৰণ দৰিদ্ৰ সীমাৰেখাৰ তলত থকা ৫ জনীয়া পৰিয়াল থকা লোকৰ মিনিমাম ৮ হাজাৰ টকা মাহিলী আয় হ'ব লাগে। কিন্তু যিখিনি কথা ইয়াত উল্লেখ কৰা হৈছে, ৩২ লাখ ৫৫ হাজাৰ পৰিয়ালৰ,সেই মানুহখিনিৰ মাহিলি আয় মাত্ৰ ১০০০ টকা। অধ্যক্ষ মহোদয়, আমাৰ মাননীয় তৰুণ গগৈ ডাঙৰীয়া মুখ্যমন্ত্ৰী থকাৰ সময়ত দুখীয়া মানুহৰ কাৰণে ১৮০ খনতকৈ অধিক আঁচনিৰ ঘোষণা কৰিছিল। কেইখনমানৰ বাহিৰে বাকী আঁচনিবোৰ দিছপুৰৰ ফাইলতে আবদ্ধ হৈ থাকিল আৰু এতিয়াও গ্ৰামোন্নয়ণৰ জৰিয়তে ৩ টকীয়া চাউল, ৬ টকীয়া চাউল বা দুখীয়া লোকক ঘৰ বান্ধি দিয়া ইত্যাদি বিভিন্ন আঁচনি থকা সত্বেও আজি আমাৰ ৰাষ্ট্ৰ ভাৰতবৰ্ষত ২০.১৭৭ শতাংশ লোক দৰিদ্ৰ সীমাৰেখাৰ তলত আছে আৰু আমাৰ ৰাজ্যত দৰিদ্ৰ সীমাৰেখাৰ তলত থকা লোকৰ পৰিমাণ ৩৩.৮৯ শতাংশ। মই বাতৰিটো অলপ পাঠ কৰি দিছো অধ্যক্ষ মহোদয়।

**মাননীয় অধ্যক্ষ ঃ** গোটেই বাতৰিটো পাঠ নকৰিব। অকল দৰকাৰী কথাখিনি কলে হ'ল।

**শ্ৰী পবীন্দ্ৰ ডেকা, পাটাচাৰকুছি ঃ** বাতৰিটো হৈছে, ৰাজ্যত ভয়াবহভাৱে বৃদ্ধি হৈছে দৰিদ্ৰ লোকৰ সংখ্যা। বিশেষকৈ ৰাজ্যত কেইবাখনো জিলাত দৰিদ্ৰ লোকৰ সংখ্যা দ্ৰুত গতিত বৃদ্ধি পাইছে। সম্প্ৰতি ৰাজ্যৰ ১কোটি ১৫ লাখ লোকে দৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰাৰ তথ্য পোহৰলৈ আহিছে। বিভিন্ন সমস্যাৰে ভাৰাক্ৰান্ত এই লোকসকলৰ উন্নয়ন বিকাশৰ লগতে উপাৰ্জন বৃদ্ধি কৰাৰ বাবে বিভিন্ন আঁচনি চৰকাৰে গ্ৰহণ কৰা সত্বেও দৰিদ্ৰ লোকৰ সংখ্যা হ্ৰাস পোৱাৰ পৰিবৰ্তে বৃদ্ধিহে পাইছে, ৫ বছৰৰ পূৰ্বে ৰাজ্যৰ মুঠ জনসংখ্যা ৩১.৯৮ শতাংশ লোকে দৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰা বুলি কেন্দ্ৰীয় চৰকাৰে প্ৰকাশ কৰিছিল যদিও যোৱা ৫ বছৰৰ ভিতৰত ৰাজ্যত দৰিদ্ৰ লোকৰ সংখ্যা হ্ৰাস পোৱাতকৈ বৃদ্ধিহে পাইছে। ইয়াত কেইবাখনো জিলাৰ কাৰ্বি আংলং ,গোলাঘাট, চিৰাং, ধুবুৰী, ডিমা হাছাও জিলাৰ তথ্য কিছুমান ইয়াত সন্নিবিষ্ট কৰা হৈছে। গতিকে অধ্যক্ষ মহোদয়, ভাৰতবৰ্ষৰ দৰিদ্ৰ সীমাৰেখাৰ তলত থকা লোকৰ হাৰ মই অলপ আগতে কলো যে ২১.৯২ শতাংশ প্ৰায় ২২ শতাংশ আৰু আজি প্ৰায় ৩৪ শতাংশ। গতিকে ইমানবোৰ চৰকাৰী আঁচনি থকাৰ সত্বেও দৰিদ্ৰ লোকৰ হাৰ ইমান বেচি হোৱাটো উদ্বিগ্নৰ বিষয় নহয়নে অধ্যক্ষ মহোদয়। আমাৰ দুখীয়া ছাত্ৰ-ছাত্ৰীক বিনামুলীয়া শিক্ষা দিয়া হৈছে, বিনামুলীয়া পাঠ্যপুথি দিয়া হৈছে। ইমানখিনি পদক্ষেপ চৰকাৰে গ্ৰহণ কৰাৰ পাছতো কিয় ৰাজ্যখনৰ এনে অৱস্থা হৈছে? এইটো নিশ্চয় আমাৰ ৰাজ্যখনৰ কাৰণে এটা দুৰ্ভাগ্যজনক ঘটনা। মই বিষয়টো উত্থাপন কৰিলো আৰু ৰাজ্যচৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছো অধ্যক্ষ মহোদয়ৰ জৰিয়তে আৰু ইয়াৰ গ্ৰহণযোগ্য ব্যাখ্যা এটা যাতে চৰকাৰে দিয়ে, লগতে এইটো হ্ৰাস কৰাৰ কাৰণে ৰাষ্ট্ৰীয় হাৰলৈ নিয়াৰ কাৰণে যাতে এটা প্ৰচেষ্টা হাতত লয় তাৰ বাবে অনুৰোধ জনাই মই মোৰ চমু বক্তব্য সামৰিছো।

**মাননীয় অধ্যক্ষ ঃ** Minister please.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, মাননীয় ডেকা ডাঙৰীয়াই যিটো বিষয় উত্থাপন কৰিছে আচলতে ইয়াত দিয়া আছে যে ৰূপান্তৰ আৰু উন্নয়ন বিভাগে ইয়াৰ উত্তৰ দিব।(Transformation & Development Deptt.) কিন্তু তেখেতে মোক জনাইছে যে এই গোটেই বিষয়টো PNRD ৰ হে। তেওঁলোকেহে দৰিদ্ৰ সীমাৰেখাৰ তলত থকা লোকৰ

Servey কৰে। Census ত Servey হোৱাটো বেলেগ কথা। Census ত General Population Servey হয় আৰু ভুমিহীনৰ Servey টো Revenue লগত জড়িত।

**মাননীয় অধ্যক্ষ ঃ** এটা Statement দি দিলে ভাল হয়।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মোক ৰূপান্তৰ আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে জনাইছে যে অহাকালি PNRD Minister আৰু Revenue Minister দুয়োজনে লগ হৈ এটা Statement দিব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া কাৰ্য্যসূচী নং ২। এতিয়া মই মাননীয় সদস্য আমিনুল ইছলামক ৰুল ৫৪ ৰ অধীনত বিষয়টো উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী আমিনুল ইছলাম,ধিং ঃ** মাননীয় অধ্যক্ষ মহোদয়, আধাৰ কাৰ্ডৰ কাম ভাৰতবৰ্ষৰ বহু ৰাজ্যত ইতিমধ্যে সম্পূৰ্ণ হৈছে কিন্তু অসমত এতিয়ালৈ আধাৰকাৰ্ডৰ কাম হোৱা নাই। কিন্তু এই আধাৰ কাৰ্ড্ৰ লগত জড়িত বিভিন্ন বেঙ্ক একাউন্ট, পান কাৰ্ড, মোবাইল কানেকচন, ৰন্ধন গেছ ইত্যাদি আৰু অন্যান্য কিছুমান বিষয়ত আধাৰ কাৰ্ডৰ নম্বৰ সংযোগটো বাধ্যতামূলক কৰিছে। অন্যান্য ৰাজ্যত ইতিমধ্যে সকলোতে আধাৰ কাৰ্ডৰ নম্বৰ সংযোজিত কৰিছে। কিন্তু অসমত যিহেতু আধাৰ কাৰ্ডৰ কাম সময়মতে আৰম্ভ হোৱা নাই সেইকাৰণে কিছুদিন আগতে অসমত এনেকুৱা এটা অৱস্থা হৈছিল যে, সকলোকে বেঙ্ক একাউন্ট বা পান কাৰ্ড আদি আধাৰ কাৰ্ডৰ নম্বৰ সংযোগ কৰাৰ কাৰণে নিৰ্দেশ দিয়া হৈছিল। পাছত উচ্চতম ন্যায়ালয়ে বিষয়টো হস্তক্ষেপ কৰে । যিহেতু অসমত আধাৰ কাৰ্ডৰ কাম সম্পূৰ্ণ হোৱা নাই গতিকে উচ্চতম ন্যায়ালয়ে ৩১ মাৰ্চলৈ সময়সীমা বান্ধি দিয়ে।

**(মাননীয় সদস্য শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতাই সদন পৰিচালনা কৰে)।**

সভাপতি ডাঙৰীয়া আজি ফেব্ৰুৱাৰীৰ ২১ তাৰিখ। ৩১ মাৰ্চলৈ মাজত মাত্ৰ এমাহ ৮ দিন মানহে সময় আছে। প্ৰায় এমাহৰ ভিতৰত অসমৰ তিনি কোটিতকৈও অধিক জনসাধাৰণে আধাৰ কাৰ্ড পাব নে নাপাব বা কেনেকৈ পাব এইটো এটা লাখ টকীয়া প্ৰশ্ন হৈ পৰিছে। কাৰণ ইতিমধ্যে Unique Identification Authority of India (UIDAI) ক দায়িত্ব দিয়া হৈছিল আৰু যোৱা ৪ ডিচেম্বৰ, ২০১৭ চনত UIDAI এ জনালে যে আমি অসমত আধাৰ কাৰ্ডৰ কাম কৰিব নোৱাৰো। গতিকে অসম চৰকাৰে চৰকাৰী বিষয়া-কৰ্মচাৰীৰ জৰিয়তেই আধাৰ কাৰ্ড দিয়াৰ ব্যৱস্থাটো কৰক। তাৰ পিছত, ৰাজ্য চৰকাৰে যোৱা ফেব্ৰুৱাৰী মাহৰ ৯ তাৰিখে ঘোষণা কৰিছিল যে, অসমৰ বিভিন্ন স্থানত ১২৪১ টা আধাৰ কেন্দ্ৰ স্থাপন কৰিব। ৩১ জানুৱাৰীৰ ভিতৰত এই কেন্দ্ৰ সমূহৰ স্থাপন সম্পূৰ্ণ হ'ব আৰু ফেব্ৰুৱাৰীৰ ২৮ তাৰিখৰ ভিতৰত যাতে আধাৰ কাৰ্ডবোৰ দিব পৰা যায় সেই বিষয়ে জানুৱাৰী মাহৰ ৯ তাৰিখে ঘোষণা কৰিছিল। তাৰ পিছত দেখা গ'ল যে, জানুৱাৰী মাহৰ ৩১ তাৰিখৰ ভিতৰত কেন্দ্ৰ সমূহ স্থাপন হোৱা নাই আৰু আজি ফেব্ৰুৱাৰী মাহৰ ২১তাৰিখ পালেহি, এতিয়ালৈকে ১২৪১ টা কেন্দ্ৰ স্থাপন কৰিবলৈ স্থান চিনাক্ত কৰিব পৰা নাই অৰ্থাৎ আধাৰ কেন্দ্ৰ ক'ত ক'ত স্থাপন হ'ব তাৰ identification এতিয়ালৈকে হোৱা নাই। ঠিক সেইদৰে, চৰকাৰে যোৱা জানুৱাৰী মাহতে আমাৰ গুৱাহাটী মহানগৰীত ৪২ টা আধাৰ কেন্দ্ৰ স্থাপন কৰাৰ কথা ঘোষণা কৰিছিল। কিন্তু সেই কেন্দ্ৰ সমূহ স্থাপন কৰাটো দূৰৰে কথা, এতিয়ালৈকে চিনাক্ত কৰণ হোৱাই নাই। এতিয়া দেখা পোৱা গৈছে যে, আধাৰ কেন্দ্ৰৰ বাবে স্থান চিনাক্ত কৰি কেন্দ্ৰ সমূহ স্থাপন কৰাৰ পিছত আধাৰ কাৰ্ড প্ৰদানৰ কাম আৰম্ভ কৰি সমগ্ৰ অসমবাসীক ৩১ মাৰ্চৰ আগত কেনেকৈ আধাৰ কাৰ্ড প্ৰদান কৰিব ? যদি Supreme Court ৰ judgement অনুসৰি আধাৰ কাৰ্ড link নকৰাৰ বাবে mobile connection, bank account বন্ধ কৰি দিয়ে, তেনেহ'লে অসমত এটা

হুলস্থূলীয়া পৰিৱেশ আৰু অৰাজকতাৰ সৃষ্টি হ'ব। এই ক্ষেত্ৰত দেখা গৈছে যে কেইটা মান Bank আৰু Post Office য়ে নিজাববীয়াকৈ নিজৰ গ্ৰাহক সকলক আধাৰ কাৰ্ড দিয়াৰ ব্যৱস্থা কৰিছে। কিন্তু যদিও এনেধৰণে ব্যৱস্থা লোৱা হৈছে, গুৱাহাটী মহানগৰীত মুঠ ৩৩ টা বেংক আছে আৰু সেই ৩৩ টা বেংকৰ ভিতৰত মাত্ৰ ৬ টা বেংকতহে তেওঁলোকৰ নিজাববীয়া উদ্যোগত তেওঁলোকৰ বেংকৰ গ্ৰাহক সকলক আধাৰ কাৰ্ড দিয়াৰ ব্যৱস্থা কৰিছে । তাৰ ভিতৰত SBI Canada Bank, IDBI Bank, Corporation Bank, Punjab National Bank আৰু Dena Bank এই ৬ টা বেংকে ইতিমধ্যে আৰম্ভ কৰিছে যদিও কেৱল IDBI বেংকে এতিয়ালৈকে তেওঁলোকৰ ৮০% গ্ৰাহকক আধাৰ কাৰ্ড দিলে। কিন্তু বাকী বেংক সমূহে ১০% ও কাম আগবঢ়াব পৰা নাই।

এই বাতৰিটোত আৰু এটা কথা আহিছে যে আধাৰ কাৰ্ডৰ বাবে ৰাতিপুৱা ৫-৬ বজাৰ পৰাই মানুহে বেংকত line পাতে। কিন্তু বেংকত sufficient কৰ্মচাৰী নথকাৰ বাবে তেওঁলোকৰ কাম হৈ নুঠে গতিকে গ্ৰাহক সকলে গোটেই দিনটো line ত থিয় হৈ থকাৰ এটা যাতনা ভুগিব লগা হয়। বেংকৰ নিজৰ কাম সমূহ থকাৰ বাবে তেওঁলোকে ২ ঘণ্টা মানৰ বাবেহে আধাৰ কাৰ্ডৰ কাম কৰে আৰু তাৰ পিছত বন্ধ কৰি দিয়ে। যাৰ ফলত মানুহে দৈনিক গৈ line ত ৰৈ থাকে যদিও আধাৰ কাৰ্ডৰ বাবে প্ৰয়োজনীয় প্ৰমাণ বা তথ্য সমূহ যেনে হাতৰ চাপ, চকু স্কেন, বাসস্থানৰ প্ৰমাণ পত্ৰ ইত্যাদি জমা দিব নোৱাৰে। গতিকে এই ক্ষেত্ৰত এটা ডাঙৰ প্ৰশ্ন উত্থাপন হৈছে যে ৩১ মাৰ্চৰ পূৰ্বে কেনেকৈ আধাৰ কাৰ্ডৰ কাম সমাপ্ত হ'ব? চৰকাৰে জানুৱাৰী মাহত ঘোষণা কৰিছিল যে মহানগৰীত ২০ টা কেন্দ্ৰ স্থাপন কৰিব আৰু কামৰূপ গ্ৰাম্য জিলাৰ গাঁও পঞ্চায়ত সমূহত ২২ টাকৈ কেন্দ্ৰ স্থাপন কৰা হ'ব। কিন্তু সেইবোৰ কামো এতিয়ালৈকে কৰা হোৱা নাই। কামৰূপ গ্ৰাম্য জিলাৰ গ্ৰামাঞ্চল সমূহত মুঠ ৩৭৪ টা বেংক আছে আৰু উপায়ুক্ত মহোদয়ে ফেব্ৰুৱাৰী মাহৰ শেষলৈ এই গোটেইবোৰ বেংকত কাম আৰম্ভ কৰাৰ বাবে নিৰ্দেশ দিছিল। কিন্তু ওপৰত উল্লেখিত এই ৬ টা বেংকৰ বাহিৰে বাকী বেংক সমূহে কাম হাততে লোৱা নাই । এই কথাবোৰ যেতিয়া সোধা হ'ল, তেতিয়া 'আধাৰ ৰূপায়ণ সমিতি' ৰ সচিব ডাঙৰীয়াই জনাইছে যে, ফেব্ৰুৱাৰী মাহৰ শেষৰ সপ্তাহলৈকে তেওঁলোকে কেন্দ্ৰ সমূহ চিনাক্ত কৰিব পাৰিব । কেন্দ্ৰ সমূহ স্থাপন কৰাৰ পিছত প্ৰয়োজনীয় মেচিন সমূহ মাৰ্চ মাহৰ ৭ তাৰিখৰ ভিতৰত আহি পাব। গতিকে, tentatively মাৰ্চ মাহৰ ৭ তাৰিখে মেচিন সমূহ আহি পোৱাৰ পিছতো কাম আৰম্ভ কৰিবলৈ হয়তো মাৰ্চৰ ১০-১১ তাৰিখ পাবগৈ। তাৰ পিছত হাতত মাত্ৰ ১৫-২০ দিন সময়হে থাকিব। গতিকে এইটো এটা ডাঙৰ challenging কথা হৈ পৰিছে। এই ক্ষেত্ৰত, আধাৰ ৰূপায়ণ সমিতিৰ কোনোবা সদস্যই কৈ আছে যে আধাৰ কাৰ্ডৰ কাম মাৰ্চ মাহত সম্পূৰ্ণ নহ'ব। এই বছৰৰ ডিচেম্বৰ মাহলৈকে হয়তো শেষ কৰিব পৰা যাব। Supreme Court য়ে ৩১ মাৰ্চৰ ভিতৰত সম্পূৰ্ণ কৰাৰ বাবে judgement দিছে যদিও একো অসুবিধা নহ'ব। কিন্তু তেওঁলোকৰ এই কথাত আমি আশ্বস্ত হ'ব পৰা নাই কাৰণ Supreme Court য়ে ইতিমধ্যে ৩১ মাৰ্চৰ এটা সময়-সীমা বান্ধি দিছে। আমাৰ ৰাজ্য চৰকাৰে যোৱা জানুৱাৰী মাহত ঘোষণা কৰিছিল যদিও এতিয়ালৈকে আমাৰ কেন্দ্ৰবোৰ স্থাপন কৰাৰ বাবে চিনাক্তকৰণ হোৱাই নাই । গতিকে চৰকাৰে অতি সোনকালে কেন্দ্ৰ সমূহৰ চিনাক্তকৰণ কৰি তাত কেন্দ্ৰ সমূহ স্থাপন কৰে আৰু তাৰ আন্তঃগাঁথনি তথা মানুহ নিয়োজিত কৰি কিমান কম দিনৰ ভিতৰত কাম আৰম্ভ কৰিব পাৰিব আৰু ৩১ মাৰ্চৰ ভিতৰত সম্পূৰ্ণ কৰিব পাৰিব নে নাই এই বিষয়ে মই জানিব বিচাৰিছো। তাৰোপৰি, অসম বাসীয়ে mobile সেৱা, বেংক সেৱা ইত্যাদিৰ পৰা বঞ্চিত হোৱাৰ

এটা পৰ্যায়ৰ উপক্ৰম হ'ব নেকি আৰু যদি তেনেকুৱা হয়, এই ক্ষেত্ৰত তেওঁলোকে কেনেকৈ মুকাবিলা কৰিব, তাৰ ওপৰত চৰকাৰে তাৎক্ষণিক ভাৱে কিবা ব্যৱস্থা গ্ৰহণ কৰিব নেকি এই বিষয়ে মই ৰাজ্য চৰকাৰৰ পৰা জানিব বিচাৰিছো । মাননীয় সভাপতি ডাঙৰীয়াই মোক এই খিনি ক'বলৈ সুবিধা দিয়াৰ বাবে মই ধন্যবাদ জনাইছো।

**মাননীয় সভাপতিঃ** এতিয়া, সাধাৰণ প্ৰশাসন বিভাগৰ মাননীয় মন্ত্ৰীক উত্তৰ দিবলৈ মই অনুৰোধ জনাইছো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদিঃ** মাননীয় সভাপতি মহোদয়, আমাৰ সাধাৰণ প্ৰশাসন বিভাগৰ মাননীয় মন্ত্ৰী, মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ তৰফৰ পৰা এই বিষয়টোৰ সম্পৰ্কত উত্তৰ দিবলৈ ওলাইছো। আমাৰ মাননীয় সদস্য শ্ৰী আমিনুল ইছলাম ডাঙৰীয়াই আধাৰ কাৰ্ডৰ সংক্ৰান্তত যি সংশয় প্ৰকাশ কৰিছে যে আধাৰ কাৰ্ড নথকাৰ বাবে mobile সেৱা বা বেংক সেৱা বন্ধ হৈ যাব পাৰে ইত্যাদি, তেওঁৰ এনেধৰণৰ শংকা স্বাভাৱিক। কিয়নো Supreme Court ৰ এটা rulling আছে। অসমত NRCৰ কাম চলি থকাৰ বাবে আধাৰ কাৰ্ডৰ কাম অন্যান্য ৰাজ্যৰ নিচিনাকৈ কৰিব পৰা নাছিলো। তাৰ পিছত, Unique Identification Agency য়ে যেতিয়া ক'লে যে আধাৰ কাৰ্ড খন citizen ৰ বাবেহে, ই citizenship প্ৰমাণৰ তথ্য নহয়। আমি যেতিয়া কথাখিনি তেনেকৈ গম পালো তেতিয়া আধাৰ কাৰ্ডৰ কাম কৰাৰ বাবে আমি এটা চেষ্টা আৰম্ভ কৰিলো। যিহেতুকে আধাৰ কাৰ্ডৰ কামখিনি Registered Agency ত কৰিব লাগে, সেই কাৰণে Registered Agency হিচাপে G.A.D ত কাম আৰম্ভ কৰা হ'ল। আজি অসমৰ ৯২% মানুহৰে আধাৰ কাৰ্ড নাই। যিহেতু Supreme Court ৰ judgement থকা কাৰণেই শংকাৰ উদ্ভৱ হৈছে গতিকে আমি এই শংকাটোৰ পৰা অতি সোনকালে মুক্ত হ'ব পাৰিম। আপুনি কোৱা কথা খিনিৰ সংক্ৰান্তত মই এটা বিবৃত্তি দিব বিচাৰিছো- শ্ৰীযুত আমিনুল ইছলাম ডাঙৰীয়াই অসম বিধান সভাত, **"পুৱা ৫ বজাৰ পৰা মহানগৰীৰ বেংকত শাৰীঃ ৰাইজৰ হাৰাশাস্তিঃ আধাৰ কাৰ্ডৰ নামত ভেকোঁ ভাওনা"** শীৰ্ষক বাতৰিটো শূন্য কালীন ঘণ্টাত উপস্থাপন কৰাৰ বিষয়ে আমি তলত দিয়া ধৰণে বিবৃত্তি এটা দিব বিচাৰিছো-

'নিয়মীয়া বাৰ্তা' নামৰ বাতৰি কাকত খনৰ যোৱা ২৬-০১-২০১৮ তাৰিখে প্ৰকাশিত **"পুৱা ৫ বজাৰ পৰা মহানগৰীৰ বেংকত শাৰীঃ ৰাইজৰ হাৰাশাস্তিঃ আধাৰ কাৰ্ডৰ নামত ভেকোঁ ভাওনা"** শীৰ্ষক বাতৰিটো অসম চৰকাৰৰ দৃষ্টি গোচৰ হৈছে।

২০১৬ চনৰ ১১ মাৰ্চত 'আধাৰ আইন' প্ৰৱৰ্তন কৰা হয় আৰু তাৰ পিছৰে পৰা Unique Identification Authority of India ৰ জৰিয়তে গোটেই ভাৰত বৰ্ষতে আধাৰ প্ৰদানৰ ব্যৱস্থা কৰি থকা হৈছে। এই কাৰ্য সম্পাদনৰ বাবে Unique Identification Authority of India ই পঞ্জীয়ক (Registrar) নিয়োগ কৰে আৰু এই পঞ্জীয়ক সমূহৰ তত্বাৱধানত Unique Identification Authority of India ই মনোনীত কৰি ৰখা নামাংকন সংস্থাৰ (Enrollment Agency) ৰ জৰিয়তে আধাৰ কাৰ্ডৰ বাবে প্ৰয়োজনীয় ব্যক্তিগত তথ্য যেনে, জন্মৰ প্ৰমাণৰ নথি, বাসস্থানৰ প্ৰমাণৰ নথি, নাম প্ৰমাণৰ নথিৰ লগতে হাতৰ চাপ, চকুৰ স্কেন আৰু ফটো সংগ্ৰহ কৰে। ৰাজ্যিক পঞ্জীয়ক (State Registrar) ৰ বাহিৰেও UIDAI এ বেংকিং সংস্থা (যেনে SBI,UBI,UCO ইত্যাদি ) তথা Postal Department ইত্যাদি কেন্দ্ৰীয় চৰকাৰৰ সন্থা বিশেষক অৰাজ্যিক পঞ্জীয়ক (Non-State Registrar) হিচাবে নিযুক্তি দি তেওঁলোকৰ জৰিয়তেও বেংক ইত্যাদিৰ গ্ৰাহক সকলৰ বাবে আধাৰ কাৰ্ড পাবৰ বাবে লাগতীয়াল

তথ্য সংগ্ৰহৰ দায়িত্ব ন্যস্ত কৰিছে। এই ব্যৱস্থা অনুসৰি ২০১৬ চনৰ পৰাই ভাৰতবৰ্ষৰ প্ৰায় সকলোবোৰ ৰাজ্যতে আধাৰ কাৰ্ড প্ৰৱৰ্তনৰ ব্যৱস্থাটো পূৰ্ণ গতিত আৰম্ভ হয় যদিও অসমত আধাৰ কাৰ্ড প্ৰৱৰ্তনৰ বাবে সেই সময়ত চৰকাৰে কোনো বিভাগক পঞ্জীয়ক হিচাবে মনোনীত কৰা নাছিল। চলিত NRC updating প্ৰক্ৰিয়াৰ পৰিপেক্ষিতত আধাৰ কাৰ্ড প্ৰদানৰ প্ৰক্ৰিয়াটো অসমত পিছুৱাই দিয়াৰ উদ্দেশ্যে চৰকাৰে এনে ধৰণৰ আৰু তাৰেই পৰিপেক্ষিতত অসম চৰকাৰে বা বেংক ইত্যাদি কতৃপক্ষ সমূহত অসমত আধাৰ কাৰ্ড প্ৰদানৰ ব্যৱস্থাটো স্থগিত ৰাখিছিল।

কিন্তু চৰকাৰৰ দ্বাৰা উপলব্ধ হোৱা বিভিন্ন সেৱা ( Services) সুবিধা (Benefit), ৰাজসাহায্য ( Subsidy) প্ৰাপ্তিৰ বাবে আধাৰৰ প্ৰয়োজনীয়তাৰ আৰু আধাৰ কাৰ্ড উপলব্ধ নোহোৱা বাবে ৰাইজে সন্মুখীন হোৱা সমস্যা সমূহৰ প্ৰতি লক্ষ্য ৰাখি ২০১৭ চনৰ মে' মাহত অসম চৰকাৰে Unique Identification Authority of India ৰ মুখ্য কাৰ্য্যবাহী বিষয়াৰ সৈতে এক আলোচনাত বহে, য'ত নেকি UIDAI ৰ মুখ্য কাৰ্য্যবাহী বিষয়াই অৱগত কৰে যে আধাৰ কাৰ্ড প্ৰদানৰ লগত ব্যক্তিৰ নাগৰিকত্বৰ কোনো সম্বন্ধ নাই। এই ক্ষেত্ৰত আধাৰ আইনৰ Section 2(v), Section 3 আৰু Section 9 ৰ দফা কেইটা উনুকিয়াই দিয়ে। ওপৰোক্ত section কেইটা তলত উৎথাপন কৰা হ'ল।

Section 2(v) of the Aadhaar defines resident. According to definition, a Resident means an individual who has resided in India for a period or periods amounting in all to one hunded and eighty two days or more in the twelve months immediately proceeding the date of application for enrollment.

Section 3 : Any resident will be entitled to obtain and Aadhaar number by submitting his/her demographic information (i.e Age proof, resident proof, identity proof) and biometric information (i.e. photograph, hand print, Eric scan) by undergoing a process of enrollment.

Section 9 : Aadhaar number shall not confer any right or be proof of citizenship, or domicile in respect of Aadhaar number holder.

এই গোটেই বিষয়টোৰ ওপৰত কৰা আলোচনাৰ অন্তত আৰু আধাৰ কাৰ্ড প্ৰদানৰ ক্ষেত্ৰত ব্যক্তিৰ নাগৰিকত্বৰ সম্বন্ধ নথকাৰ পৰিপেক্ষিতত যোৱা মে' মাহৰ ৮ তাৰিখে অনুষ্ঠিত কেবিনেট বৈঠকত আধাৰ কাৰ্ডৰ বিষয়টোৰ ওপৰত বিশদ ভাৱে আলোচনা কৰি, আলোচনাৰ অন্তত কেবিনেটে অসমৰ ৰাইজক আধাৰ কাৰ্ড প্ৰদান প্ৰক্ৰিয়াটো আৰম্ভ কৰিবৰ উদ্দেশ্যে Unique Identification Authority of India ক ৰাজ্য চৰকাৰৰ তৰফৰ পৰা সকলো ধৰণৰ সহায় কৰিবৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰে আৰু অসম চৰকাৰৰ সাধাৰণ প্ৰশাসন বিভাগক যাৱতীয় ব্যৱস্থা ল'বলৈ নিৰ্দ্দেশ দিয়ে। ইয়াৰে পৰিপ্ৰেক্ষিতত অসম চৰকাৰৰ অনুমোদন সাপেক্ষে UIDAI এ সাধাৰণ প্ৰশাসন বিভাগক ৰাজ্যিক পঞ্জীয়ক হিচাবে নিযুক্তি দিয়ে। আনহাতেদি গোটেই আধাৰ প্ৰদান প্ৰক্ৰিয়াটো সুচাৰুৰূপে চলাই লৈ যোৱাৰ বাবে চোৱাচিতা কৰিবৰ বাবে অসমৰ মুখ্য সচিবৰ অধ্যক্ষতাত এখন State Aadhaar Implementation Committee গঠন কৰি দিয়ে।

ওপৰোক্ত সিদ্ধান্ত মৰ্মে, Unique Identification Authority of India ৰ

চলিত নীতি আৰু পৰামৰ্শৰ ভিত্তিত সাধাৰণ প্ৰশাসন বিভাগে অসমতো UIDAI মনোনীত নামাঙ্কন সংস্থা (Empanelled Agency) ৰ জৰিয়তে আধাৰ প্ৰাপ্তিৰ কাৰ্য্য ব্যৱস্থাটো আগবঢ়াই লোৱাৰ উদ্দেশ্যে নামাঙ্কন সংস্থা নিৰ্বাচনৰ বাবে যোৱা নৱেম্বৰ মাহত Request for bid invite কৰি ডিচেম্বৰ মাহৰ ২৫ তাৰিখৰ পৰা আধাৰ কেন্দ্ৰ সমূহ কাৰ্য্যক্ষম কৰাৰ কাৰ্য্যসূচী গ্ৰহণ কৰিছিল। কিন্তু যোৱা ডিচেম্বৰ মাহৰ ৪ তাৰিখে Unique Identification Authority of India ই এক পত্ৰযোগে অসমৰ মুখ্য সচিবক অৱগত কৰে যে UIDAI মনোনীত নামাঙ্কন সংস্থা (Empanelled Agency) ৰ জৰিয়তে আধাৰ প্ৰদানৰ ব্যৱস্থাটো UIDAI এ ২০১৭ চনৰ ৩১ ডিচেম্বৰৰ পিছত বাতিল কৰাৰ সিদ্ধান্ত লৈছে। পত্ৰযোগে মুখ্য কাৰ্য্যবাহী বিষয়াই UIDAI মনোনীত নামাঙ্কন সংস্থা (Empanelled Agency) ৰ জৰিয়তে আধাৰ প্ৰদানৰ যি ব্যৱস্থা ইতিমধ্যে অসম চৰকাৰে গ্ৰহণ কৰিছিল, সেই প্ৰক্ৰিয়া বাতিল কৰাৰ পৰামৰ্শ দিয়াৰ উপৰিও চৰকাৰী বিষয়া কৰ্মচাৰীৰ জৰিয়তেহে চৰকাৰী কাৰ্য্যালয়ত আধৰ কেন্দ্ৰ স্থাপন কৰি আধাৰৰ তথ্য সংগ্ৰহৰ প্ৰস্তাৱ আগবঢ়ায়।

এইখিইনতে মই জনাওঁ সভাপতি ডাঙৰীয়া যে এই যিবিলাক Agency আছিল enrollment agency এইবিলাক ব্যক্তিগত Agency আছিল। গতিকে পিছত ভাৰত চৰকাৰে সিদ্ধান্ত ললে যে enrollment agency এ ক'লে যে এজন মানুহৰ সকলোবোৰ ব্যক্তিগত কথা এটা ব্যক্তিগত agency এ সকলোখিনি জানিব নালাগে। গতিকে চিৰিয়াচলী ল'ব লাগে আৰু Government Agency ৰ জৰিয়তে কৰিব লাগে। এই সিদ্ধান্তটো তেওঁলোকে অসম চৰকাৰক জনালে। গতিকে আমি যিবিলাক টেণ্ডাৰ কৰিলো সেইবিলাক বাতিল হৈ গ'ল । এতিয়া আমি Government সংস্থাৰ জৰিয়তে কৰিবলৈ লৈছো।

তাৰেই পৰিপ্ৰেক্ষিতত অসম চৰকাৰে ডিচেম্বৰ ২০১৭ ৰ পৰা আৰম্ভ কৰিব লগীয়া আধাৰ নামাঙ্কন প্ৰক্ৰিয়াটো বাতিল কৰে। ইয়াৰ পৰিৱৰ্তে অসম চৰকাৰৰ সাধাৰণ প্ৰশাসন বিভাগে অসমৰ ১২৪১ টা আধাৰ কেন্দ্ৰ স্থাপনৰ জৰিয়তে জিলাৰ উপায়ুক্ত সকলক নামাঙ্কন সংস্থা হিচাবে লৈ অহা মাৰ্চ মাহৰ শেষৰ পিনে আধাৰ প্ৰদানৰ কাৰ্য্যসূচী ঠিৰাং কৰি যাৱতীয় ব্যৱস্থা ইতিমধ্যে গ্ৰহণ কৰিছে।

এই ১২৪১ চেণ্টাৰ হ'ল জিলাৰ DC Office, SDC Office, জিলা পৰিষদৰ Office, Circle Office । গতিকে clearly Government machinary ৰে এনেকুৱা ধৰণৰ ব্যৱস্থা কৰা হৈছে আৰু এই কেন্দ্ৰ সমূহৰ ১২৪১ টা কেন্দ্ৰ স্থাপন কৰা হৈছে আৰু উপায়ুক্ত সকলক নামাঙ্কন সংস্থা হিচাবে লৈ অহা মাৰ্চ মাহৰ শেষৰ ফালে আধাৰ কাৰ্ডৰ কাৰ্য্যসূচী ঠিৰাং কৰি যাৱতীয় ব্যৱস্থা ইতিমধ্যে গ্ৰহণ কৰিছো। উপায়ুক্ত সকলে জিলাত স্থাপন কৰিব লগীয়া আধাৰ কেন্দ্ৰ সমূহ চিহ্নিত কৰিছে আৰু প্ৰতিটো কেন্দ্ৰৰ কাম-কাজ তদাৰক কৰিবৰ বাবে একোজন চৰকাৰী কৰ্মচাৰীক verifier হিচাবে নিযুক্তি দিয়াৰ ব্যৱস্থা ইতিমধ্যে কৰা হৈছে। কেন্দ্ৰ সমূহত স্থাপন কৰিব লগীয়া লাগতীয়াল যন্ত্ৰ আৰু UIDAI Certified Operator ৰ বাবে UIDAI ৰ পৰামৰ্শ মতে এই machine আৰু manpower বছৰি rate contract ত লোৱাৰ বাবে নিবিদা আহ্বান কৰা হৈছে আৰু গোটেই প্ৰক্ৰিয়াটো মাৰ্চ মাহৰ ১৫ তাৰিখৰ ভিতৰত অন্ত পৰিব আৰু ১২৪১ টা কেন্দ্ৰৰ যোগেদি অসম চৰকাৰে অসমত আধাৰ প্ৰদানৰ ব্যৱস্থা কৰা হ'ব।

আনহাতে State Aadhaar Implementation Committee ৰ সিদ্ধান্ত মৰ্মে অসমত থকা অনা ৰাজ্যিক পঞ্জীয়ক (Non-State Registrar) হিচাবে UIDAI ৰ দ্বাৰা নিযুক্ত বেংক, ডাকঘৰ সমূহতো আধাৰ কাৰ্ড প্ৰদানৰ বাবে কাৰ্য্যব্যৱস্থা ল'বলৈ বেংক, ডাকসেৱা

বিভাগক অনুৰোধ কৰা হৈছে। ইয়াৰে পৰিপ্ৰেক্ষিতত UIDAI ৰ পৰা পোৱা প্ৰতিবেদন অনুসৰি অসমৰ বিভিন্ন স্থানত থকা ১৪১ টা বেংক শাখাত আধাৰ কাৰ্ড প্ৰদানৰ ব্যৱস্থা ইতিমধ্যে আৰম্ভ হৈছে আৰু এই ব্যৱস্থা পৰ্য্যায়ক্ৰমে অসমৰ সকলো বোৰ ৰাষ্ট্ৰীয় বেংকত প্ৰসাৰ কৰাৰ ব্যৱস্থা কৰি থকা হৈছে। আনহাতে ডাকসেৱা বিভাগে অসমৰ ১৬৪ টা ডাকঘৰত আধাৰ কেন্দ্ৰ স্থাপনৰ প্ৰক্ৰিয়া হাতত লৈছে।

গতিকে সভাপতি মহোদয়, আধাৰ কাৰ্ডৰ ক্ষেত্ৰত আমাৰ মাননীয় সদস্য গৰাকীয়ে যিটো শংকা ব্যক্ত কৰিছে সেইটো শংকা ইয়াতে নাই আৰু Supreme Court ৰ link টোৰ কাৰণে তেখেতৰ শংকা আছে। গতিকে এই কথাখিনি ভাৰত চৰকাৰক ইতিমধ্যে জনোৱা হৈছে। গতিকে অসমৰ ক্ষেত্ৰত এইটো কথা হয়তো প্ৰযোজ্য নহ'ব আৰু আধাৰ কাৰ্ডৰ কাম এতিয়া পূৰ্ণগতিত চলি আছে। গতিকে মাৰ্চৰ ভিতৰতে এইবিলাক কাম আৰম্ভ হ'ব। ধন্যবাদ।

**মাননীয় সভাপতি ঃ** শ্ৰীআমিনুল ইছলাম।

**শ্ৰী আমিনুল ইছলাম, (ধিং) ঃ** মাননীয় সভাপতি মহোদয়, Point of order. তাৰমানে মই জানিব বিচাৰিছো কোনটো। যিহেতু চুপ্ৰিম কোৰ্টে ৩১ মাৰ্চৰ ডেড লাইনটো বান্ধি দিছে। গতিকে ভাৰত চৰকাৰক হয়তো আমাৰ ৰাজ্য চৰকাৰে যদি জনাইছে, কিন্তু চুপ্ৰিম কোৰ্টক এই কথাটো জনাই যে, আমি ৩১ মাৰ্চৰ ভিতৰত সম্ভৱ নহ'ব। আমি ইতিমধ্যে কাম আৰম্ভ কৰিছো বা ইমানদিন সময় লাগিব চুপ্ৰিম কোৰ্টে যদি আৰু এটা তাৰিখ extend নকৰে, তেনেহ'লে কিন্তু এই শতকৰা এশ ভাগ পচিবিলিটি আছে যে, আমাৰ বেংক একাউণ্ট আৰু মোবাইল কানেকশ্যন, ৰন্ধনগেছ, কালেকশ্যন ইলেট্ৰিচিটি কালেকশ্যন সকলো ডিচকাউণ্ট হ'ব যিহেতু চুপ্ৰিম কোৰ্টৰ ভাৰডিক্ট। গতিকে এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে এই কথাটো কিন্তু নকলে যে, আমি কিমান দিনৰ ভিতৰত সম্পুৰ্ণ কৰিব পাৰিম। যদি এইটো হয়, যে ৩১ মাৰ্চ তাৰিখ চুপ্ৰিম কোৰ্টে বান্ধি দিছে, কিন্তু আমি আৰু দুই মাহত সম্পুৰ্ণ কৰিব পাৰিম। এইটো এটা মানে neverending process হিচাপে দুই বছৰ লাগে। সেইটো নহয়। কিন্তু এই ক্ষেত্ৰত চৰকাৰে কিবা পৰিকল্পনা কৰিছে নেকি ? স্পষ্ট হ'লে ভাল আছিল যে আমি এইটো কৰিছো আৰু চুপ্ৰিম কোৰ্টে আৰ্জি জনায় যাতে disconnect নকৰে, নহ'লে ৰাইজে কিন্তু জীয়াতু ভুগিব লাগিব।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী) ঃ** সভাপতি মহোদয়, কথাটো হ'ল যে, ৰাইজে যে শংকাত ভুগিব লাগিব এই কথাটো যে বাৰে বাৰে শ্ৰীআমিনুল ইছলাম ডাঙৰীয়াই কৈছে, শংকাত ভুগিব নালাগে। কিয় নালাগে, কাৰণ আমি প্ৰথমতে এন আৰ চিৰ কাৰণে কৰা নাছিলো। ভাৰত চৰকাৰৰ UIDAI আমাক আহি ক'লে যে, কেবিনেটত তেওঁলোকৰ চি অ' ই ক'লে যে, এইটো Citizenship ৰ লগত কোনো সম্পৰ্ক নাই। আপোনালোকে কৰিব পাৰে। গতিকে যেতিয়া আমি কৰিবলৈ ললো। তেতিয়া UIDAI ৰ system মতে এটা ৰেজিষ্টাৰ কৰিব লাগে সংস্থা এটা। আমি ৰেজিষ্টাৰ সংস্থা হেচাপে জি এ ডি কৰিলে। জি এ ডি কৰাৰ পাছত UIDAI ৰ কিছুমান Enrolement Agency আছে, সেইবিলাকে হাতৰ চাপ, চকু এই গোটেই যিবিলাক জন্মৰ তালিকা, তথ্য এই গোটেইখিনি আছে, এই গোটেইখিনি তেওঁলোকে এই ব্যক্তিগত এজেঞ্চি বিলাকে আনে। তাৰপিছত হঠাৎ কামটো আৰম্ভ কৰাৰ লগে লগে ক'লে যে, নাই এতিয়া আমি ভাৰতবৰ্ষৰ বিভিন্ন ঠাইতো কৈছো। ব্যক্তিগত এজন মানুহৰ সকলো কথাখিনি ব্যক্তিগত কোনো সংস্থান বা বেলেগে জানিব নালাগে। কাৰণ এইটোত বিভিন্ন কথা জড়িত হৈ আছে। গতিকে আপোনালোকে চৰকাৰৰ জৰিয়তে কৰক। আমি সেইটো আকৌ বাতিল কৰিলো। বাতিল কৰি আমি আকৌ আমাৰ জি এ ডি এই

গোটেই এই ১২৪১ টা চেণ্টাৰ Government ৰ upto SDC Level. Circle Officer Level সকলো বিলাক ১২৪১ টা চেণ্টাৰ আৰম্ভ কৰিলো। আৰু আৰম্ভ কৰাৰ লগে লগে আমি তাৰ কাৰণে আমাৰ এই কথাটো আহিল যে, আধাৰ কাৰ্ডৰ কাৰণে যে মেচিন লাগিলে, মেনপাৱাৰ লাগিল, মেচিন চলোৱা কাৰ্ডখন লাগিল। গতিকে তাৰ কাৰণে আমি এতিয়া বছৰেকীয়া হিচাপত আমি Contracted basisত টেণ্ডাৰ কৰিছো। আৰু টেণ্ডাৰৰ প্ৰক্ৰিয়াটো মাৰ্চৰ ভিতৰত শেষ হৈ যাব। মাৰ্চৰ ভিতৰত শেষ হ'লে আধাৰ কাৰ্ড দিবলৈ আৰম্ভ কৰিব পাৰিম। তাৰোপৰি বেংক সমূহকো এইটো কথা কোৱা হৈছে। বেংকসমূহেও আৰম্ভ কৰিব। তাৰোপৰি ডাকঘৰ সমূহে এইটো কৰিব। গতিকে সভাপতি ডাঙৰীয়া, শ্ৰী আমিনুল ইছলাম ডাঙৰীয়াই কোৱামতে ৰাইজৰ হাৰাশাস্তি নহয়, ৰাইজ শংকিত হ'ব নালাগে। যিহেতুকে তেখেতে বাৰে বাৰে চুপ্ৰিম কোৰ্টৰ ডাইৰেকশ্যনটোৰ কথা কৈ আছে আমাক যে চুপ্ৰিম কোৰ্টে যিহেতুকে কথাটো কৈছেঃ ইয়াত আৰু এটা কথা কৈছে যে, ইনকাম টেক্সৰো কথা মাজতে তেখেতে কৈছে। সভাপতি ডাঙৰীয়া ইনকামটেক্স যিটো বিভাগ, ইনকামটেক্স বিভাগটো ইতিমধ্যে আধাৰৰ লগত যিটো লিংকেজ, লিংকেজ যে থাকে আধাৰৰ লগত ইনকামটেক্সৰ সেইটোৰ পৰা অসমক বাদ দিছে ইতিমধ্যে। Because on special consideration. ইনকামটেক্সেই ইতিমধ্যে বাদ দিছে যে এই লিংকেজটো অসমৰ আধাৰত নহ'ব। ইনকামটেক্সে ইতিমধ্যে এই সিদ্ধান্ত লৈছেই আৰু আপোনাৰ প্ৰথম শংকাটো আতৰাই দিলো যে ইনকামটেক্সে এই লিংকেজটো নাইকিয়া কৰিছে। মোবাইল কানেকশ্যন এইবিলাক একো অসুবিধা নহয়। আপোনাৰ দ্বিতীয় শংকাটো হৈছে যে চুপ্ৰিম কোৰ্টৰ Direction টোৰ মৰ্মে আমাৰ মোবাইল কানেকশ্যন, ইটো-সিটো সকলো বন্ধ হৈ যাব নেকি? এইবিলাক বন্ধ এই কাৰণেই নহয় যে, চুপ্ৰিম কোৰ্টক UIDAI, Unique Identification যিটো Agency আছে ভাৰত চৰকাৰৰ । ইতিমধ্যে চুপ্ৰিম কোৰ্টক অসম চৰকাৰে UIDAIৰ জৰিয়তে চুপ্ৰিম কোৰ্টক এই বিষয়টো জনাইছে। গতিকে এইটো ক্ষেত্ৰত আমাৰ শংকা কৰিবলগীয়া নাই অধ্যক্ষ মহোদয়। গতিকে এইটো একেবাৰে ক্লিয়াৰ আছে আৰু এই কামটো আমি যে টেণ্ডাৰখন কৰিছো, মেচিন আৰু Annual Contractor ৰ কাৰণে মেচিন আৰু মেনপাৱাৰ। এই টেণ্ডাৰখন হৈ যোৱাৰ লগে লগে বেছি সময় নালাগে কৰিবলৈ আৰু এইটো সোনকালে শেষ হৈ যাব। মাননীয় সদস্য গৰাকীয়ে যিটো শংকা কৰিছে, এইটো শংকা কৰিবলগা নাই। আৰু UIDAIৰ জৰিয়তে চুপ্ৰিম কোৰ্টকো জনোৱা হৈছে আৰু ইনকামটেক্সেও ডিচলিংক কৰি দিছে এইটোৰ পৰা যে, আধাৰটো লিংকেজ নাথাকে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। কাৰ্য্যসূচী নম্বৰ ৩ । এতিয়া Under 301 Special Mention.মই প্ৰথম শ্ৰী বিমল বৰাক তেখেতৰ বিষয়টো উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো। ঐতিহাসিক আঘোনীবাৰীসহ এইবিষয়টো। Minister of Cultured Affairs আছে । আপোনালোকে কথাখিনি পাচমিনিট মানৰ ভিতৰত শেষ কৰিব।

**শ্ৰী বিমল বৰা, (টিংখং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, পাটকাই পৰ্বত পাৰ হৈ অসম মূলকত প্ৰৱেশ কৰা স্বৰ্গদেউ চাওলুং চুকাফাই অসমত অতীজৰ পৰা বসবাস কৰা বিভিন্ন জাতি-জনগোষ্ঠাৰ লগত সদভাৱ সম্প্ৰীতিৰে সাতটা জিনি একৰাজ প্ৰতিষ্ঠা কৰি বৃহত্তৰ আধুনিক অসমৰ নিৰ্মাণ আৰম্ভ কৰিছিল। আৰু সেই স্বৰ্গদেউ জনৰ সেই নীতি আদৰ্শ তেখেতৰ চিন্তা কৰ্মৰে আজি আমি যিখন সমাজত বসবাস কৰিছো, ভাতৃত্ববোধৰ এখন সুস্থ সমাজ, এখন সংস্কৃতি সম্পন্ন এখন সুন্দৰ সমাজ আৰু এই সমাজখনত বসবাস কৰি আমি নিজকে গৌৰৱ অনুভৱ কৰিছো আৰু আমাৰ এই সমাজখনৰ নিৰ্মাণৰ ক্ষেত্ৰত বিগত ছয়শটা বছৰে সেই সময়ৰ আহোম স্বৰ্গদেউ সকলে অসমৰ ভৌগলিক অৱস্থান,

প্ৰাকৃতিক সৌন্দৰ্য্য এই গোটেই কথাখিনিক লৈ জনজীৱনক আগুৱাই লৈ যাবৰ কাৰণে তেখেতসকলে বিভিন্ন ধৰণৰ বিজ্ঞানসন্মত আঁচনিৰে বিভিন্ন কাম-কাজ বিলাক ৰূপায়ণ কৰিছিল। সেই সমূহ আমি দেখিবলৈ পাওঁ, বিভিন্ন দৌল, দেৱালয়, পুখুৰী ইত্যাদি সমূহৰ জৰিয়তে আৰু সেই কৃতিচিহ্নসমূহে আজিও আমাৰ অসমীয়া সমাজক গৌৰৱান্বিত কৰি ৰাখিছে। তেনেকুৱা এই কৃতিচিহ্ন ইতিহাস বিজড়িত ডিব্ৰুগড় জিলাৰ টিংখং সমষ্টিৰ অন্তৰ্গত। আঘোনীবাৰী, যি অঞ্চল  সেই অঞ্চলতে আমি এটি ইতিহাস বিজড়িত অঞ্চল বুলি চিহ্নিত হৈ আহিছে। আঘোনীবাৰী বুলি এডোখৰ ঠাই আছে, ল'ৰা ৰজাৰ ভয়ত যেতিয়া গদাধৰ সিংহই অনাই বনাই পলাই ফুৰিব লগা হৈছিল তেতিয়া চাওদাঙৰ হাতৰ পৰা ৰক্ষা পাবৰ কাৰণে এদিন তেওঁ মৃত্যু হোৱাৰ ভাওঁ জুৰিবলৈ বাধ্য হৈছিল আৰু গদাধৰ সিংহক বচাবৰ কাৰণে তিনিগৰাকী মহিলাই নিজৰ স্বামীৰ মৃত্যু হোৱা বুলি ইনাই বিনাই কান্দিছিলে আৰু আমি আজিও সেই ইনাই বিনাই কন্দা যি গীত জুৰিছিলে ৰহাৰে ৰহেদৈ, তিপামৰ ভাদৈ হলৌ গুৰিৰ আঘোনীবাই, তিনিও গলত ধৰি কান্দে ইনাই বিনাই, সম্বন্ধত একোৱেই নাই। আৰু সেই তেওঁলোকে ইনাই বিনাই কান্দোন জুৰাৰ পাছত ল'ৰা ৰজা চাওদাঙও এজন মানুহৰ মৃত্যু হ'ল বুলি গদাধৰ সিংহক সিদিনা তাতে এৰি থৈ গৈছিল।  গদাধৰ সিংহই পৰবৰ্তী সময়ত যেতিয়া সিংহাসনত অধিষ্ঠিত হ'ল। কৃতজ্ঞতাৰ চিন স্বৰূপে সেই তিনিও গৰাকী মহিলাক বিভিন্ন ঠাইত সংস্থাপিত কৰিছিল আৰু আঘোনী নামৰ যি গৰাকী মহিলা আছিল,  মহিলাগৰাকীক মাটি ভেটি দি ডিব্ৰুগড় জিলাৰ সেই অঞ্চলত তেওঁ তাতে বহুৱাইছিল। বহু মাটি ভেটি দি তেখেতক সংস্থাপিত কৰিছিল। পৰৱৰ্তী সময়ত সেই ঠাই ডোখৰেই আঘোনীবাৰী নামেৰে জনাজাত হৈ আহিছে। গতিকে সেই আঘোনীবাৰী এটা ইতিহাস প্ৰসিদ্ধ অঞ্চল। স্মৃতি বিজৰিত অঞ্চল। স্বৰ্গদেউ চাওলুং চুকাফাই ৬০০ বছৰ ৰাজত্ব কৰাৰ সেই গৌৰৱময় ইতিহাস তাত বিজৰিত হৈ আহিছে। কিন্তু  পৰৱৰ্ত্তী সময়ত গদাধৰ সিংহই  যিমান সংখ্যক মাটি ভেটি দি আঘোনী বাইক তাতে সংস্থাপিত কৰিছিল বিভিন্ন কাৰণত সেই স্থান আজি স্মৃতি গৰ্ভত হেৰাই যোৱাৰ উপক্ৰম হৈছে। গতিকে আজি মই এই পবিত্ৰ সদনৰ  মজিয়াত চৰকাৰক দৃষ্টি আৰ্কষণ কৰিব বিচাৰিছো যে সেই আঘোনী বাৰী খনক সুন্দৰ ভাবে পুনৰউত্থান কৰি আমাৰ উত্তৰ পুৰুষৰ বাবে ভৱিষ্যৎ প্ৰজন্মৰ বাবে লগতে অসমখনৰো মান মৰ্য্যদা যাতে আগন্তুক দিন বিলাকত অটুট থাকে তেনেধৰণৰ ব্যৱস্থা এটা কৰিবৰ বাবে অনুৰোধ জনাইছোঁ। মাননীয় অধ্যক্ষ মহোদয়, আঘোনীবাইক আঘোনীবাৰীত সংস্থাপিত কৰাৰ পিছত, এতিয়া আছে কাৰেং গড়গাঁৱৰ পৰা আহোমৰ ৰাজধানী গড়গাঁৱৰ পৰা সেই আঘোনীবাৰীলৈ অহা-যোৱা কৰিবৰ কাৰণে স্বৰ্গদেউজনে এটা পথ ও নিৰ্মাণ কৰিছিল। যি পথ আজি ঐতিহাসিক হলগুৰি আলি বুলি জনাজাত। এই পথটি ইমান বিজ্ঞানসন্মত ভাবে নিৰ্মান কৰিছিল। আপুনি যদি যায় কেতিয়াবা, হয় আপুনি গৈছে, জানেই। গড়গাৱৰ পৰা নেমুগুৰি হৈ চেপন হৈ মৰান হৈ সেই আঘোনীবাৰীলৈ যাব পাৰে। এটা পোন-চিধা এটা পথ নিৰ্মাণ কৰিছিল তেতিয়া। গতিকে ইমান দৈৰ্ঘ্যৰ এটা পথ সেই সময়ত ইমান বিজ্ঞানসন্মত ভাৱে নিৰ্মান কৰিছিল সেই সমুহৰ জৰিয়তে আমি স্বৰ্গদেউ সকলৰ ভৱিষ্যৎ পৰিকল্পনা সম্পৰ্কত আমি অৱগত। তেখেত সকলৰ যে ভৱিষ্যৎতে আমাৰ সমাজ খনক আগুৱাই লৈ যাবৰ কাৰণে বিজ্ঞানসন্মত পৰিকল্পনাৰ প্ৰয়োজন আছে। তেনেকুৱা ধৰনৰ দীৰ্ঘম্যাদী আঁচনিৰ চিন্তাৰ কথাত আমি আভাস পাওঁ. গতিকে মই ভাবো, আমাৰ ইতিহাসপ্ৰসিদ্ধ আঘোনীবাইক সংস্থাপিত কৰা আঘোনীবাৰী অঞ্চল, সেই  আঘোনীবাৰীক যাতে আমি পুনৰ ৰূপত সজাই তুলিব পাৰো, এই খিনিকে কৈ মই মোৰ বক্তব্য সামৰণি মাৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ**-Thank you. Minister please.

**শ্ৰী নৰকুমাৰ দলে, মন্ত্ৰী** ঃ- মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য বিমল বৰা ডাঙৰীয়াই ৩০১ ত ঐতিহাসিক আঘোনীবাৰী সহ মৈদাম পুখুৰী সমূহ পৰ্য্যটন ক্ষেত্ৰ হিচাপে গঢ়ি তোলা বিষয়টো দাঙি ধৰিছে আৰু এই বিষয়ে আমি কিছু অৱগত কৰিব খুজিছো. মাননীয় অধ্যক্ষ মহোদয়, ডিব্ৰুগড় জিলাৰ টিংখং সমষ্টিৰ ৰাজগড় ৰাজহ চক্ৰৰ অধীনৰ আঘোনীবাৰী অঞ্চল ঐতিহাসিক সম্পদেৰে চহকী। অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ অধীনস্থ অসম প্ৰত্নতত্ত্ব সঞ্চালকালয়ে ২০০৭ চনত উক্ত অঞ্চলৰ প্ৰত্নতাত্ত্বিক স্থান ও স্থাপত্যৰ অনুসন্ধানৰ কাম হাতত লৈছিল আৰু বৰ মেচ্‌লৌ সৰু মেচ্‌লৌ, তামুলি মৈদাম, আঘোনীবাৰী পুখুৰী আৰু ঢাপেৰে সৈতে আঘোনীবাৰী অঞ্চল, নামদাং নাহৰ পুখুৰী, চাংমাই নাহৰ পুখুৰী আৰু সোনোৱাল গাওঁ নাহৰ পুখুৰী আদি প্ৰত্নতাত্বিক স্থান চিহ্নিত কৰি সংৰক্ষণৰ বাবে ডিব্ৰুগড় জিলাৰ উপায়ুক্তলৈ চিঠি নং এ.আৰ. চি এইচ.৫৩-ডিব্ৰুগড় -২০০৭-০৮-২৯৮, তাং ২১-০৬-২০০৭ পত্ৰ যোগে এই বিভাগলৈ ভূমি হস্তান্তৰ কৰাৰ বাবে আবেদন জনাইছিল। পৰবৰ্ত্তী কালত ২০০৮-০৯ বিত্তীয় বৰ্ষত বৰ মেচ্‌লৌ আৰু সৰু মেচ্‌লৌ মৈদামদ্বয়ক এই বিভাগৰ অধীনলৈ আনি ১০ লাখ টকা ব্যয়ৰে সংৰক্ষণ উন্নয়ন আৰু সৌন্দৰ্য্যবৰ্দ্ধনৰ কাম সমাধা কৰা হৈছিল। ইয়াৰ উপৰিও, তামুলি মৈদাম, চাওৰুং ফুকনৰ মৈদাম, আঘোনীবাৰী অঞ্চল, নামদাং নাহৰ পুখুৰী, চাংমাই নাহৰ পুখুৰী আৰু সোনোৱাল গাঁৱৰ নাহৰ পুখুৰী আদি ঐতিহাসিক স্থান সমূহৰ ভুমি এই বিভাগলৈ স্থানান্তৰ কৰাৰ বাবে ডিব্ৰুগড় জিলাৰ উপায়ুক্তক ০৩-০১-২০০১৭ পত্ৰ যোগে পুনৰ আবেদন জনোৱা হৈছে। উক্ত প্ৰত্নতাত্ত্বিক স্থান সমুহ এই সঞ্চালকালয়ৰ অধীনত অহাৰ পিছতহে পৰ্য্যায় ক্ৰমে বিত্তীয় অনুদান সাপেক্ষে সংৰক্ষণ আৰু উন্নয়ণৰ কাম হাতত লোৱা হব।উল্লেখযোগ্য যে ২০১৭-১৮ বিত্তীয় বৰ্ষত মেচ্‌লৌ মৈদাম প্ৰত্নতাত্ত্বিক স্থানৰ সংৰক্ষণ আৰু উন্নয়ণৰ বাবে ১৫ লাখ টকাৰ আৱন্টন লাভ কৰা হৈছে।

**মাননীয় অধ্যক্ষ** ঃ- ইয়াৰ পিছত শ্ৰী ৰূপক শৰ্ম্মা।

**শ্ৰী ৰূপক শৰ্মা, সদস্য**-ঃ- মাননীয় অধ্যক্ষ মহোদয়, পোন প্ৰথমে আপোনাক ধন্যবাদ জনাইছো ৩০১ নিয়মৰ অধীনত বিশেষ প্ৰসংগ উত্থাপনৰ সুবিধা দিয়াৰ কাৰণে । মাননীয় অধ্যক্ষ মহোদয়, অসমৰ ৭ টা ৰাজ্যিক শিশুগৃহৰ ভিতৰত নগাঁওৰ যিটো শিশুগৃহ আছে, সেইটো সকলোতকৈ পুৰণি। ১৯৬৪ চনতে স্থাপন হোৱা আৰু তাত যি সকল শিশু আছে আমি মাজে সময়ে যাওঁ আৰু বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ ফালৰ পৰা আমি সময় অতিবাহিত কৰো। মই বিধায়ক হোৱাৰ পাছত যেতিয়া গৈছিলো যাওঁতে তাত আমি আধাৰশিলা দেখা পালো আৰু সেই আধাৰশিলাটোত লিখা আছিল যে ২০১৪ চনৰ ২০ জুন তাৰিখে সেই সময়ৰ মাননীয় মন্ত্ৰী স্থানীয় বিধায়কক লগত লৈ তাত এটা আধাৰ শিলা স্থাপন কৰিছিল আৰু সেই যিটো শিশুগৃহ হব লাগিছিল তাত কোনো ধৰণৰ গৃহৰ কাম হোৱা নাই তাত এটা গাঁতো খাণ্ডা নাই। সেই সময়ত মই তাত যি গৰাকী Superintendent আছিল, তেওঁক মই সুধিলো যে এই আধাৰশিলাটো কৰা হ'ল এতিয়া গৃহটো যে হোৱা নাই কাৰণটো কি? তেওঁ মোক জনালে যে ইয়াত সেই সময়তে এখন ডাঙৰ সভা পাতি সেই বিভাগৰ কমিশ্যনাৰ, ডাইৰেক্তৰৰ পৰা আদি কৰি মন্ত্ৰী, স্থানীয় বিধায়ক আৰু লগতে স্থানীয় উপায়ুক্ত গৈ ডাঙৰ সভা পাতি সেই আধাৰশিলা স্থাপন কৰিছিল। কিন্তু সেই গৃহটোৰ কাৰণে কিমান টকা অনুমোদন হৈছিল বাকী টকা কি হ'ল? সেই বিষয়ে মই যিমানখিনি সোধাপোচা কৰিলো কোনেও গম নাপালে। গতিকে আজি মই সদনক সেই বিষয়টো দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে এই বিষয়ে আৰু যদি তথ্য পাওঁ তেতিয়া ভাল হ'ব। ধন্যবাদ ।

**মাননীয় অধ্যক্ষ** ঃ- ধন্যবাদ।

**শ্ৰী নবকুমাৰ দলে, মন্ত্ৰী** ঃ- মাননীয় অধ্যক্ষ মহোদয়, যোৱা ২০-০৬-২০১৪ তাৰিখে নগাঁৱৰ নাৰী গৃহৰ চৌহদত এটা শিশুগৃহ নিৰ্মানৰ বাবে আধাৰশিলা স্থাপন কৰাৰ কথাটো সত্য। অধ্যক্ষা, ৰাজ্যক শিশুগৃহ, নগাৱৰ অনুৰোধ মৰ্মে PWD Building Division, নগাঁওৱে নতুন শিশুগৃহ এটি নিৰ্মানৰ বাবে ২,৮৩,০৬০০০.০০ টকাৰ এষ্টিমেট দাখিল কৰে আৰু সেই সময়ৰ সদস্য সচিব, ৰাজ্যিক শিশু সুৰক্ষা সমিতিয়ে চৰকাৰৰ ওচৰত এই প্ৰস্তাৱ প্ৰশাসনীয় অনুমোদনৰ বাবে প্ৰেৰণ কৰিছিল। কিন্তু চৰকাৰে উক্ত প্ৰস্তাৱত অনুমোদন নজনালে। নগাঁৱৰ ৰাজ্যিক নাৰী গৃহৰ চৌহদতে ১৯৬৪ চনৰ পৰা অনাথ শিশু গৃহটো কাৰ্য্যক্ষম হৈ আছে। উক্ত শিশুগৃহটো শিশু ন্যায় বিচাৰ "Juvenile Justice Act" আইনৰ অধীনত পঞ্জীভুক্ত হোৱাত শিশু গৃহ হিচাপে নামাকৰণ কৰা হয়। ২০১৪-১৫ বৰ্ষত উক্ত শিশুগৃহটোৰ বিভিন্ন শিতানত যেনে পৰামৰ্শ দান কোঠা Counseling Hall, Police/Security Barrack, Visitors Room, JJB sitting Room ইত্যাদি নিৰ্মানৰ কাৰণে মুঠ ৫০ লাখ টকা অনুমোদনৰ প্ৰস্তাব প্ৰত্ৰ যোগে অসম চৰকাৰৰ ওচৰত দাখিল কৰা হয়। সেই প্ৰস্তাব মৰ্মে ২০১৪-১৫ বৰ্ষত মুঠ ২৩,৬৬,৩৫৭ টকা অনুমোদনৰ বাবে চৰকাৰক অনুৰোধ কৰা হয়। সেই মৰ্মে চৰকাৰে চিঠি নং SWD 677/2014/69, dtd. 19-03-2015 জৰিয়তে ২০১৪-১৫ বৰ্ষৰ বাবে ২৩,৬৬,৩৫৭ টকাৰে অনুমোদন জনাই। উল্লেখযোগ্য যে ইতিমধ্যে Estimate অনুযায়ী শিশু গৃহৰ বিভিন্ন শিতানৰ কাম সম্পূৰ্ণ হৈছে। PWD Building Division, নগাঁও আৰু অধ্যক্ষা ৰাজ্যিক শিশু গৃহ, নগাঁও যুটীয়াভাৱে সম্পূৰ্ণ হোৱা প্ৰমাণ পত্ৰ প্ৰেৰণ কৰিছে। সেই অনুযায়ী বাকী থকা ২৬,৩৩,৪৪৩.০০ টকা মঞ্জুৰ কৰিবলৈ চৰকাৰৰ ওচৰত প্ৰস্তাৱ প্ৰেৰণ কৰাৰ ব্যৱস্থা লোৱা হৈছে।

ইয়াৰ উপৰিও নগাঁও শিশু গৃহৰ, ৰান্ধনি শাল, খোৱা ঘৰ, নলা আদিৰ মেৰামতিৰ বাবে মুঠ ৪৯.৫১ লাখ টকাৰ Estimate অসম চৰকাৰৰ ওচৰত দাখিল কৰা হয় আৰু উক্ত টকাৰ পৰা চিঠি নং SWD.457/2012/25, dtd. 27-03-2014 ৰ জৰিয়তে ৮৮.৭৮ লাখ টকা চৰকাৰে আৱণ্টন দিয়ে আৰু ইতিমধ্যে Estimate অনুযায়ী শিশু গৃহৰ কাম সম্পূৰ্ণ হৈছে। PWD Building Division, নগাঁও আৰু অধ্যক্ষা, ৰাজ্যিক শিশু গৃহ, নগাঁও যুটীয়াভাৱে সম্পূৰ্ণ হোৱা প্ৰমাণ পত্ৰ প্ৰেৰণ কৰিছে। সেই অনুযায়ী বাকী থকা ধনৰ মঞ্জুৰ কৰিবলৈ চৰকাৰৰ ওচৰত প্ৰস্তাৱ প্ৰেৰণৰ ব্যৱস্থা লোৱা হৈছে।

পূৰ্বৰ প্ৰস্তাৱৰ ওপৰত ভিত্তি কৰি নগাঁওত এটা নতুন শিশু গৃহ, নিৰ্মাণৰ বাবে ব্যৱস্থা লোৱা বিষয়টো চৰকাৰে বিবেচনা কৰি চাব।

**মাননীয় অধ্যক্ষ ঃ** ইয়াৰ পিছত মই ৩ নম্বৰ ৩০১ ৰ Notice, Special Mention, Shri Kamalakhya Dey Purkayastha.

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ** (উত্তর করিমগঞ্জ) ঃ Regarding undemocretic interference of Deputy Commissioner of Karimganj এই বিষয়টি উত্থাপন করার সুযোগ করে দেওয়ার জন্য মাননীয় অধ্যক্ষ মহোদয়কে ধন্যবাদ জানালাম। মাননীয় অধ্যক্ষ মহোদয় বিশ্বের সবচেয়ে বড় গণতান্ত্রিক দেশ ভারতবর্ষ। এবং সেই ভারতবর্ষের নাগরিক হিসাবে আমি নিজেকে গর্ববোধ করি। এবং গণতন্ত্র আমাদেরকে সত্যিকে সত্যি এবং মিথ্যাকে মিথ্যা বলতে সাহস যোগিয়েছে। সেইজন্য করিমগঞ্জ থেকে বিধায়ক হিসাবে এসে আপোনার সামনে আমার কথা গুলো বলতে পারছি। মাননীয় অধ্যক্ষ মহোদয় করিমগঞ্জের জেলাধিপতি গনতন্ত্রকে হত্যা করেছেন, সংবিধানকে অবমাননা করেছেন, করিমগঞ্জের জনসাধারণকে অপমান করেছেন। আপনি বলবেন

যে কিভাবে ? মাননীয় অধ্যক্ষ মহোদয়, Municipality চলে থাকে Assam Municipality amendment act ১৯৫৬ মতে সেটা ই আমাদের জন্য গীতা সেটাই আমাদের জন্য বাইবেল, Municipality এরও জন্য। Municipality act clearly লিখা আছে যদি কোন কনসিকিউটিভ চাৰটা মিটিং এ উপস্থিত না থাকে তাহলে সেকশন ২৯ র মতে ওদের ওপৰ বোর্ড ডিসিশন নিয়ে সরকারকে পাঠিয়ে দিলে সরকার শোকজ্ কৰবে। অধ্যক্ষ মহোদয় accordingly লিখা সরকারকে পাঠানো হয়েছিল । এবং তার ওপর শোকজ করেন। অধ্যক্ষ মহোদয় , শোকজ করার সাথে সাথে শাশক দলের চাপে আমাদের করিমগঞ্জের জেলাধিপতি আমাদের Municipality র finance power. টা বন্ধ করে দিলেন যেটা অনৈতিক এবং কোন অবস্থায় একজন জেলাধিপতি municipality র finance power বন্ধ কৰতে পারেন না। যেহেতু সরকার কোন সিদ্ধান্ত নেয়নি আমরা জানিয়েছিলাম আমরা সঙ্গে সঙ্গে হাইকোর্টে যাই হাইকোর্টে ক্লিয়ারলি লিখা আছে অধ্যক্ষ মহোদয় ১০-১০-২০১৭ that the D.C.Karimganj is suspended untill the returnable date and in the other words the elected Chairman of the Karimganj Municipal Board can discharge the Constitutional responsibility without any hardence under Article 243 of the Constitution সঙ্গে সঙ্গে ডি সি র অর্ডারটাকে Nul and void করে দিয়েছেন। সঙ্গে সঙ্গে কোর্ট বলেছিল যে একটা স্পেশাল মিটিং করার জন্য। আমাদের করিমগঞ্জের মিউনিসিপ্যালটি বোর্ড হাইকোর্টের সিদ্ধান্ত মতে ২৫ জানুয়ারী স্পেশাল মিটিং কল করলো। সেই মিটিং এ আমাদের আস্থা ভোটের জন্য ঠিক করা হল। সেখানে করে আস্থা ভোটে আমারা বিজয়ী হলাম এবং জিলাধিপতি ও সরকারকে আমরা জানিয়ে দিলাম সঙ্গে সঙ্গে আমরা দেখতে পারলাম একটা বিভীষিকাময় ব্যাপার। আমরা যখন আস্থা ভোটে বিজয়ী হলাম তখন সঙ্গে সঙ্গে করিমগঞ্জের Deputy Commissioner আমাদের করিমগঞ্জের Municipality office এ গিয়ে তালা মেরে দিলেন, যা কোনো অবস্থায় একজন জেলাধিপতি একজন ellected body রুমে তালা মারতে পারেন না। যেহেতু আমরা এখানে এসেম্বলিতে আছি আমাদের চিফ সেক্রেটারী কালকে আসবেন, তাই আমরা এসেম্বলি করতে পারবোনা। এই জন্য আমাদের রুমে তালা মেরে দিল। করিমগ্ঞ্জের জেলাধিপতি Municipality Chairman

Vice Chairman এর রুমটা তালা মেরে দিলেন। আমরা সঙ্গে সঙ্গে আবার হাইকোর্টে যাই এবং হাইকোর্টে ক্লিয়ারলি লিখে দিয়েছে ২৫-০১-২০১৮ No confidence motion processed against chairman and Vice-chairman of the Municipal Board, Karimganj was defeated. ওরা defeate হল সঙ্গে সঙ্গে আমরা সেই কথা গুলো বলাম বর্তমানে আমাদের করিমগঞ্জের Municipality ChairmanVice Chairman এর রুমটা তালা মারা আছে। আপনার অবগতির জন্য বলছি হয়তো বা মন্ত্রী মহোদয়ের কাছে জেলাধিপতি বলতে পারেন Chairman তো Resign করেছেন। অধ্যক্ষ মহেদয় আমি যদি Resign করি আমাকে মুখ্যমন্ত্রীর কাছে দিলে হবেনা। আপোনার কাছে Resign application দিতে হবে। act মতে আমাদের Chairman র কাছে resignation letter যদি দিতে হয় সেটা বোর্ড মিটিং করে দিতে হবে। সেখানে ক্লিয়ারলি লিখা আছে সেকশন ২৭এ resignation of Chairman, Vice Chairman & Commissioner সেখানে ক্লিয়ারলি লিখা আছে বোর্ড মিটিং করে সেই বোর্ডে আমাদের Chairman resignation দিতে হবে, ইন্টিমেশন

জিলাধিপতিকে দিতে হবে সরকারকে জানাতে হবে আমরা ডি সি র সঙ্গে কথা বলেছিলাম এবং সেই বোর্ড মিটিং করে যখন আস্থা ভোটে বিজয়ী হলাম। জিলাধিপতি দেখতে পেলেন একজন শাসক দলের একজন নেতা হিসাবে আমি দেখতে পেলাম উনি Vice Chairman, Chairman এর রুমটি তালা মেরে দিলেন। আমি আপনাকে একটা কথা বলতে চাই করিমগঞ্জ ডিসি অফিসে বি জে পি অফিসের একটা চেম্বার বানাতে হয়, বিশেষ করে এইজন্য বানাতে হয় কারণ অধ্যক্ষ মহোদয় আপনাকে কতগুলি ফটো দেখাচ্ছি, করিমগঞ্জের ডিসি বিজেপি অফিসে গিয়ে মিটিং করছেন। এটা কি গণতন্ত্র? অধ্যক্ষ মহোদয়, এটা কি সুশাসন ? । যেগুলি সরকারি নোটিফিকেশন বের হয় copy to MLA, copy to AIDC সির চেয়ারম্যান এবং copy to Hon'ble BJP President for kind information is it democracy এটা কি সুশাসন। দুঃখ হয় আমি যখন করিমগঞ্জের পরিবেশটা. দেখি, করিমগঞ্জের ডি সি অফিস একটা মাছ বাজারে পরিণত হয়েছে।

**অধ্যক্ষ ঃ** Actually, what kind of answar do you want from the Govt. ?

**শ্রী কমলাক্ষ দে পুরকায়স্থ** অধ্যক্ষ মহোদয় আ পনি আমাদের Gurdianএবং আপনার Gurdianship ই আমরা ঠিক ভাবে চলছি এবং আমি মনে করি জেলার Gurdian এর যদি এই অবস্থা হয় তাহলে আমাদের করিমগঞ্জের কি অবস্থা হবে? আমাদের মুখ্যমন্ত্রী সুশাসনের কথা বলেন, মুখ্যমন্ত্রী সবকা সাথ সবকা বিকাশ বলেন, মুখ্যমন্ত্রী জিরো টলারেন্স কথা বলেন আমরা খুশী আমাদের কোন আপত্তি নেই। কিন্তু এটা কি গণতন্ত্র? আপনার কাছে আমরা আজকে বিচার চাচ্ছি বিশেষ করে আপনাকে একটা কথা জানাতে চাই যে করিমগঞ্জের নমামি বরাক হয়েছিল। সেটাতে আমি পার্টিসিপেট করেছিলাম।

**মাননীয় অধ্যক্ষ ঃ** Please, please Mr. Kamalalkhya, I have allowed you to raise the un-democratic interference. Don't do further. Just a minute, You have rightly put the matter before the House. Why do you elaborating it ? Un-democratic is not a question, question here is un-democratic interference in the Municipality Board Office.

**শ্রী কমলাক্ষ দে পুরকায়স্থ** সুশাসনের কথা যখন বলা হয় এবং জিলাধিপতির কাছে যখন সেই জিনিস গুলো নিয়ে যাওয়া হল দুঃখ হয় অধ্যক্ষ মহোদয় একজন ইলেকটেড বডিকে এইভাবে অবমাননা করা হয় আজকে Municipality act 1956 সেটার মতে চলবে। এখানে মন্ত্রী মহোদয় আছেন আমরা আছি, বিধানসভা আছে, আমাদের কারো কিছু করার নেই । অধ্যক্ষ মহোদয় আপনার কাছে অনুরোধ থাকবে যে আমাদের করিমগঞ্জে জিলাধিপতির বর্তমানে যে অবস্থা, যে পরিবেশ, সেই পরি বেশকে যদি ঠিক করতে হয় তা হলে কঠোর ভাবে দমন করতে হবে। এবং আমাদের যে গণতান্ত্রিক অধিকার, আমাদের যে বাক স্বাধীনতা সেটা যদি অক্ষুন্ন রাখতে হয় তাহলে সেই অধিকারটুকু যাতে আমাদের করিমগঞ্জ Municipality Board আছে , ইলেকটেড বডি আছে, ওদেরকে যদি এই অধিকারটুকু দেওয়া যায় তার জন্য আমরা বিচারপ্রাপ্তি এবং আমি বিশ্বাস করি যে আমাদের Urban development Minister আছেন উনি সেটার সদুত্তর দেবেন। এবং সদুত্তরের মাধ্যমে সমাজে যাতে ন্যায় প্রতিষ্টা হয় এবং high level enquiry দরকার আছে। এবং জিলাধিপতির যাতে দৃষ্টান্তমূলক শাস্তি হয় সেটা আমি কামনা করছি। নমস্কার ধন্যবাদ।

**শ্ৰী অতুল বৰা (কৃষি মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়,** পুৰকায়স্থ ডাঙৰীয়াই যি ধৰণে বিষয়টো উত্থাপন কৰিছে আমি জিলা প্ৰশাসনৰ পৰা পোৱা মতে কথাখিনি ঠিক তেনেধৰণৰ নহয়। কৰিমগঞ্জ পৌৰসভাৰ সভানেত্ৰী আৰু উপ-সভাপতিৰ ২৪-২-২০১৮ তাৰিখৰ পৌৰসভাৰ সভানেত্ৰী আৰু উপ-সভপতি পদৰ পৰা পদত্যাগ কৰাৰ পৰিপ্ৰেক্ষিতত দুয়োগৰাকীয়ে পদত্যাগ কৰিছিল। পৌৰসভাৰ সভানেত্ৰী আৰু উপ-সভপতিৰ কাৰ্য্যলয়কক্ষ দুটাত যাতে অকৰ্তৃত্বশীল লোকৰ প্ৰৱেশ নঘটে তাৰ বাবে কৰিমগঞ্জ জিলাৰ উপায়ুক্তই তাত তলা লগাই দিয়ে। আপোনালোকে জানে যে বৰাকভেলীত সততে কিবা এটা হ'লে তাত মিছিল ওলায়, কিবা হয় আৰু এনেকুৰা বহু ধৰণৰ খেলি-মেলি হোৱা দেখা যায়। এই ক্ষেত্ৰত পৌৰসভাৰ কামকাজত কোনো বিঘিনি হোৱা নাই যিহেতু ইতিমধ্যে সেইখন পৌৰসভাৰ যিজন কাৰ্য্যবাহী বিষয়া আছিল সেই বিষয়া জনক পৌৰসভাৰ কাম চলাই দিয়াৰ বাবে দায়িত্ব ন্যস্ত কৰা হৈছে।

মহামান্য গুৱাহাটী উচ্চ ন্যায়ালয়ৰ আদেশ নং W.P.(C) NO.5516 ৰ 2017 তাৰিখে ০৫-০১০২০১৮ ৰ মৰ্মে কৰিমগঞ্জ পৌৰসভাৰ সভানেত্ৰী শ্ৰী শিখা সূত্ৰধৰে অনাস্থা সম্পৰ্কে আলোচনাৰ বাবে মিটিং আহ্বান কৰিছিল। সেই মৰ্ম্মে কৰিমগঞ্জ পৌৰসভাৰ সভানেত্ৰীয়ে ১২-০১-২০১৮ তাৰিখে বিশেষ(অধিৱেশন) মিটিংৰ বাবে ২৫-০১-২০১৮ তাৰিখ দিনটো ধাৰ্য্য কৰে। কাৰ্য্যবাহী বিষয়াই কৰিমগঞ্জ জিলা উপায়ুক্তলৈ এজন দণ্ডাধীশ তথা নিৰীক্ষক পঠাবলৈ অনুৰোধ জনাই ১৯-০১-২০১৮তাৰিখে চিঠি প্ৰেৰণ কৰিছিল ।ইয়াৰ গোটেই কপিবিলাক মোৰ হাতত আছে। সেইবোৰ পঢ়ি দিলে বহুত দীঘলীয়া হ'ব।

কৰিমগঞ্জ পৌৰসভাৰ কাৰ্য্যবাহী বিষয়াৰ অনুৰোধ মৰ্ম্মে শ্ৰী বি দাস, কৰিমগঞ্জ জিলাৰ উঁপায়ুক্তই, জিলা উন্নয়ন আয়ুক্তক নিৰীক্ষক আৰু শ্ৰী এন ভট্টাচাৰ্য্য, অতিৰিক্ত উপায়ুক্ত বিশেষ মিটিঙৰ বাবে আইন শৃংখলাৰ দায়িত্ব অৰ্পণ কৰে। কিন্তু এদিন আগতে মানে ২৫ তাৰিখে অনাস্থা সম্পৰ্কে আলোচনা হোৱাৰ কথা আছিল, চেয়াৰমেনে চিঠি দিছিল সদস্য সকললৈ। কিন্তু ২৪-০১-২০১৮ তাৰিখে কৰিমগঞ্জ পৌৰসভাৰ সভানেত্ৰী শ্ৰী মতী শিখা সূত্ৰধৰে জিলা উপায়ুক্তক লিখিত ভাৱে সভানেত্ৰী পদৰপৰা ইস্তফা দিয়াৰ কথা জনায়। সেই একেদিনাই অৰ্থাৎ ২৪-০১-২০১৮ তাৰিখে তেৰ জন ওৱাৰ্ড কমিশ্যনাৰ আৰু EX-Officio Members of the Karimganj HPC আৰু মাননীয় বিধায়ক কমলাক্ষ দে পুৰকায়স্থৰ চহীটোও আছে, তেওঁলোকে (কৰিমগঞ্জ বিধান সভাৰ) এখন স্মাৰক পত্ৰ জিলা উপায়ুক্তৰ ওচৰত দাখিল কৰে। সেই প্ৰস্তাৱ মৰ্ম্মে শ্ৰী মতী ৰীতা দাসক সভানেত্ৰী আৰু শ্ৰী বিশ্বজিৎ দাসক উপ-সভাপতি হিচাপে দায়িত্ব দিবলৈ তেওঁলোকে উপায়ুক্তক অনুৰোধ জনায়। যিহেতু বৰ্তমানৰ সভানেত্ৰী আৰু উপ-সভাপতিয়ে পদত্যাগ কৰিছে। তেখেত সকলে যি চিঠিখন দিছে, সেই চিঠিখনত সেই কথাটো উল্লেখ আছে যে সভাপতি আৰু উপ-সভাপতিয়ে যিহেতু পদত্যাগ কৰিছে, তাত এম. পি ৰো চহী আছে আৰু এম এল এ ৰো চহী আছে। গতিকে তেওঁলোকে বেলেগক দায়িত্ব দিবলৈ সেই পত্ৰখনত চহী কৰিছিল।

প্ৰণিধানযোগ্য যে উপ-সভাপতি(Vice-Chairman) এ লিখিতভাৱে উপায়ুক্তৰ ওচৰত ইস্তফা দিয়া নাছিল। তেনেকুৱা পত্ৰ কিন্তু আমাৰ ওচৰত নাই। উপায়ুক্তৰ ওচৰত নাই। কিন্তু যুটীয়া পত্ৰ যিখনত স্বাক্ষৰ কৰিছিল য'ত কমলাক্ষ দেৰ স্বাক্ষৰ আছে, এম পি ডাঙৰীয়াৰ স্বক্ষৰ আছে, সেইখনত তেওঁলোকে উল্লেখ কৰিছে যে দুয়োগৰাকীয়ে ইস্তফা দিছে। এতিয়া পত্ৰত স্বাক্ষৰ আছিল য'ত তেওঁ ইস্তফা দিয়াৰ কথা উল্লেখ আছে। ইং. ২৪-০১-২০১৮ তাৰিখে চৈধ্য জন বিজেপি দলৰ ওৱাৰ্ড কমিশ্যনাৰে অন্য এখন স্মাৰকপত্ৰ যোগে জিলা উপায়ুক্তক এখন নতুন বোৰ্ড গঠন কৰাৰ

বাবে দাবী উত্থাপন কৰে। লগতে ইয়াকো উল্লেখ কৰে যে ২৭জন নির্বাচিত ওৱার্ড কমিশ্যনাৰে গঠিত পৌৰসভাত বিজেপি দল সংখ্যাগৰিষ্ঠ হৈ আছে। এই পৰিপ্ৰেক্ষিতত কাৰ্য্যবাহী বিষয়াই জিলা উপায়ুক্তক বিশেষ মিটিং (Special Meeting) ৰ প্ৰয়োজন নহ'ব বুলি জনায়। ইয়াত Executive Officer ৰ গৰাকীৰ স্বাক্ষৰ সম্বলিত কপি দিছিল। তাৰে এটা কপি মোৰ লগত আছে। মই এতিয়া পাঠ নকৰো। প্ৰয়োজন সাপেক্ষে পঢ়িম। কাৰ্য্যবাহী বিষয়াৰ প্ৰতিবেদন মৰ্ম্মে জিলা উন্নয়ন আয়ুক্তই বোৰ্ডৰ সকলোকে বিশেষ মিটিং (Special Meeting) ৰ অপ্ৰয়োজন বুলি জনাবলৈ আদেশ দিয়ে। সেই মতে কাৰ্য্যবাহী বিষয়াই সকলোকে অৱগত কৰে যে তাত কোনো বিশেষ মিটিং (Special Meeting) ৰ প্ৰয়োজন নাই। কৰিমগঞ্জ জিলাৰ উপায়ুক্তই ২৫-০১-২০১৮ তাৰিখে বিশেষ মিটিঙৰ প্ৰয়োজন নাই বুলি এক আদেশ জাৰি কৰে। সকলোৰে পৰা ৰিপোৰ্ট পোৱাৰ পিছত অতিৰিক্ত উপায়ুক্তই Executive Officer-ৰ পৰা লিখিতভাৱে পোৱাৰ পিছত ২৫-০১-২০১৮ তাৰিখে শ্ৰী মতী শিখা সূত্ৰধৰে এদিন পূৰ্বে লোৱা পদত্যাগৰ সিদ্ধান্ত বাতিল কৰি বোৰ্ডৰ পেড ব্যৱহাৰ কৰি কাৰ্য্যবাহী বিষয়াক চিঠি প্ৰদান কৰি কয় যে তেওঁ দাখিল কৰা পদত্যগ পত্ৰ আইন সংগত নহয়, সেয়েহে ইয়াক বাতিল হোৱা বুলি ধৰিব লাগে। লগতে তেওঁ পৰস্পৰ বিৰোধী মন্তব্য ৰাখে যে তেওঁ উপায়ুক্তৰ ওচৰত দাখিল কৰা পদত্যাগ পত্ৰ দাখিল নকৰা বুলি ধৰিব লাগে। জিলা উপায়ুক্তই কাৰ্যবাহী বিষয়াক জনস্বাৰ্থৰ খাতিৰত বোৰ্ডক কাৰ্য্য চলাই যাবলৈ আদেশ দিয়ে। কাৰণ বোৰ্ডখন চলিব লাগিব আৰু ইতি মধ্যে কৰিমগঞ্জ জিলাৰ উপায়ুক্তই চৰকাৰৰ ওচৰত দুখন প্ৰতিবেদন দাখিল কৰিছে বিস্তৃতভাৱে। আমি তেতিয়া কথা পাতিছো এনেকুৱা কিবা হৈছে নেকি? সন্মানীয় বিধায়ক এজনে আমাক কৈ আছে আৰু সংবাদ মাধ্যমতো এনেকুৱা কিছুমান কথা প্ৰকাশ কৰা আমি প্ৰত্যক্ষ কৰিছো। দুখন প্ৰতিবেদন আমালৈ পঠিয়াইছে। পৌৰ আইনৰ ২৭(২) ধাৰা মতে পৌৰসভাৰ সভাপতি বা উপ-সভাপতিয়ে পদত্যাগ কৰাৰ তথ্য উপায়ুক্তই পোৱাৰ পিছত তেওঁলোক তাৎক্ষণিকভাৱে সেই পদৰ পৰা আঁতৰা বুলি গণ্য কৰা হয়। ইয়াত কিবা অনাহকত হস্তক্ষেপ বা গণতন্ত্ৰক ধ্বংস কৰাৰ কথাটো নাই। পৌৰ আইনৰ ৪১(২) ধাৰা মতে পৌৰসভাৰ সভাপতি বা উপ-সভাপতিয়ে পদ খালি হ'লে ৪৫ দিনৰ ভিতৰত নিৰ্বাচন অনুষ্ঠিত কৰিব লাগে। এই কথাসমূহ চৰকাৰৰ বিবেচনাধীন হৈ আছে।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা ক'ব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** Zero hourত discussion নহয়। ৪৫ দিনৰ ভিতৰত এইটো হ'বই লাগিব। গতিকে You prepare yourself and otherside will prepare for themselve. And place the thing in the floor of the House.- মই আপোনাক এটা Assurance দিছো যিহেতু ৪৫ দিনৰ ভিতৰত হ'ব। যিটো শুদ্ধ সেইটো ওলাই পৰিব। মই ভাৱো মন্ত্ৰী মহোদয়ে উত্তৰটো ঠিকেই দিছে। আৰু আপোনাৰ কিবা ক'বলগীয়া থাকিলে মোৰ ওচৰত আহিব। এতিয়া ইমানুৱেল মুছাহাৰী ।

**শ্ৰী ইমানুৱেল মুছাহাৰী(তামুলপুৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি অসম বিধান সভাৰ প্ৰক্ৰিয়াৰ কাৰ্য্যপৰিচালনাৰ নিয়মাৱলীত ৩০১ নং প্ৰশ্নৰ নিয়ম অনুসৰি তলত উল্লেখ কৰা ৰাজহুৱা গুৰুত্বপূৰ্ণ বিষয়টো পৰিৱেশ আৰু বন বিভাগৰ মাননীয় মন্ত্ৰী মহোদয়ক দৃষ্টি আকৰ্ষণ কৰিব খুজিছো। আমি জানো যে ১৯৮০ চনত বৰনদী Wild Life Sanctuary গঠন কৰা হৈছে। ইয়াত বৰনদী অভয়াৰণ্যৰ সৰ্বমুঠ মাটিকালি আছিলে ২৬.২২ স্কুৱেৰ কিলোমিটাৰ. এই বৰনদী হ'ল পশ্চিমৰ সীমা

আৰু বাকী ভূটানৰ পাদদেশ। বৰ্তমান ওদালগুৰি জিলাখন সাঙুৰি লোৱা হৈছে। এই অভয়াৰণ্যৰ মূল বিষয়বস্তুটো আছিল Pygmy Hog আৰু লগতে Hispid Hare মানে শহাপহু সংৰক্ষণ কৰাৰ কাৰণে। এই অঞ্চলবোৰত বিশেষকৈ Pygmy Hog আছিল আৰু এতিয়াও দুই এটা পোৱা যায়। প্ৰায় বিলুপ্ত হ'বলৈ গৈআছে। ঠিক তেনেদৰে পশ্চিমৰ সীমাত আছে বৰনদী অভয়্যৰণ্য। সেই নদীখন ভূটানৰ সীমামূৰীয়াত বৰনদী হিচাপে জনা যায় আৰু কিছু অংশ এনেই ল'কাইতৰা হিচাপে জনা যায়। গতিকে নদীখনৰ উত্তৰ অংশক কিছু নামেৰে আৰু দক্ষিণ অংশক কিছু নামেৰে জনা যায়। কিন্তু আমি বৰনদী বুলিয়েই কওঁ। সেই অঞ্চলৰ নদীয়েদি হাতীয়ে Migrate কৰে। ইয়াক বছৰৰ অক্টোবৰ মাহৰ পৰা আৰম্ভ কৰে আৰু ডিচেম্বৰ বা জানুৱাৰী মাহত উভটি যায় অৰুণাচল প্ৰদেশ বা পূব ফাললৈ। কিন্তু লক্ষণীয়ভাৱে এইবাৰ দেখা গ'ল যে বিশেষকৈ প্ৰতিদিন বাতৰিকাকতত আমি যদি চাও ১-১-২০১৮ তাৰিখে কুমাৰ ঘাটত বিশেষকৈ মোৰ অঞ্চলত ঘৰ-দুৱাৰ ভাঙি বিনষ্ট কৰি্ছে, ধ্বংস কৰিছে। ঠিক তেনেকৈ ২.১.২০১৮ আৰু ১৫.১.২০১৮ তাৰিখে হাতীয়ে ঘৰ-দুৱাৰ ধ্বংস কৰিছে। এইটো endless আৰু এইবোৰ যে অকল আমাৰ অঞ্চলত হৈছে এনেকুৱা নহয়, অসম বা ভাৰতবৰ্ষত বা গোটেই পৃথিৱীত হাতী মানুহৰ সংঘাত সময়ে সময়ে দেখা পাওঁ। আজি মই বিষয়টো ইয়াত উত্থাপন কৰিছো যে এই অঞ্চলসমূহত যি অঞ্চল সমূহেৰে বিশেষকৈ বৰনদী ৰিভাৰ বেংক, সেই অঞ্চলসমূহেৰে হাতী অহা-যোৱা কৰে সেইটো Eco- Sensative Zone. যদিও বিষয়টো বি টি চি ফৰেষ্টত গৈছে তথাপিও মই আজি উত্থাপন কৰিছো কাৰণ আজি মন্ত্ৰী মহোদয় উপস্থিত আছে। মই তেখেতকো ধন্যবাদ কৰিছো কাৰণ তেখেতে যোৱা ১৬ তাৰিখে তেখেতৰ উচ্চ পদস্থ বিষয়া সকলক লৈ সেই অঞ্চলবোৰ পৰিদৰ্শন কৰিছে। অৰ্থাৎ দেখা গৈছে অভয়াৰণ্য একেবাৰে সীমামূৰীয়া পশ্চিম দিশত ৫/১০ কিলোমিটাৰ মান ভিতৰত অভয়াৰণ্যৰ অন্তৰ্ভূক্ত বুলি ক'ব পৰা সেই অঞ্চলবোৰত Mining কাৰণে Contract দিয়া হৈছে, সাত বছৰৰ কাৰণে Lease ত দিয়া হৈছে। গতিকে অঞ্চলসমূহৰ Mining Lease মতে এটা বছৰত ৬৫০০ কিউবিক মিটাৰ Miningকৰিব পাৰে। তাত ১০ হেক্টৰ Miningকৰিব পাৰে। কিন্তু দেখা গৈছে যে তাত ২০ হেক্টৰতকৈ বেছি Open Mining চলি আছে। ঠিক তেনেদৰে তাত কোনো নিৰ্ধাৰিত সীমাও দেখা নগ'ল। যেতিয়া সন্মানীয় মন্ত্ৰী মহোদয়াই উচ্চ পদস্থ বিষয়া সকলক লৈ ১৬ তাৰিখে তাত পৰিদৰ্শন কৰিছিল। তাত কোনো এটা Mining Areaচিনাক্ত কৰা নগ'ল। ঠিক তেনেদৰে যধেমধে সমগ্ৰ নদীখনত ১০ কি.মিজোৰা অঞ্চলত টেন হেক্টৰ এণ্ড এবোভ তাত মাইনিঙ কৰা দেখা গ'ল। মাইনিঙ কৰাৰ পিচত পাথৰ বা প্ৰয়োজনীয় সামগ্ৰী তেওঁলোকে উঠাই আনিলে কিন্তু বাকীবিলাক শিল , বালি বা মাটি বিলাক যধে মধে পেলাই থৈ আহিলে। গতিকে কাৰ্য্যক্ষেত্ৰত দেখা গ'ল, আমি যদি অলপ পিছুৱাই যাওঁ, ২০০৪ চনত দেখা পাইছো যে, বৰনদীখনে ফোৰ্ছটো চেঞ্জ কৰি সমগ্ৰ ৰঙিয়া সমষ্টি, তামুলপুৰ সমষ্টি বুৰাই পেলাইছে। গতিকে মই দৃষ্টিগোচৰ কৰিব বিচাৰিছো, দুটা পইন্টত বিশেষকৈ এই অঞ্চলটো হ'ল বৰনদী ৱাইল্ড লাইফ Sanctuary ৰ অধীনত পৰে। অকল হাতীৰ কৰিডৰ বুলি কথা নহয়। এইটো হাতীৰ বিচৰনৰ এটা উল্লেখনীয় ঠাই। এই অঞ্চলটোত মাইনিঙৰ জৰিয়তে বাধাগ্ৰস্ত কৰা হৈছে। বিশেষকৈ উল্লেখ কৰা হৈছে স্পষ্টভাৱে কনট্ৰেক্ টত যে, কোনো এটা হেভী মেচিন মাইনিঙত ব্যৱহাৰ কৰিব নোৱাৰিব। কাৰ্য্যক্ষেত্ৰত দেখা গ'ল তাত হেভী মেচিন ব্যৱহাৰ কৰা হৈছে। প্ৰতি বছৰে নদীৰ যিটো বেড আছে সেইটো তলত গৈ আছে। গতিকে উত্তৰৰ অঞ্চলৰ সীমাত যিবিলাক থ্ৰ ইৰিগেচন আমি এ আই ডি স্কীমৰ জৰিয়তে পাবলৈ সক্ষম হৈছিলো এই গোটেই এ আই ডি স্কীমবিলাক জহি খহি গৈছে আৰু তাত এতিয়া ইৰিগেচন ব্যৱস্থা

নাই বুলিয়ে ক'ব পাৰি। গতিকে এইটো কাৰণে অধ্যক্ষ মহোদয় মই দৃষ্টিগোচৰ কৰিব বিচাৰিছো। এই অঞ্চলবোৰত যাতে হাতীয়ে অহা যোৱা কৰিব পাৰে। এবাৰ হাতীৰ জাকটো অহাৰ পিচত তাৰ পৰা ওলাই যাব পৰা নাছিল। যাৰ বাবে ২১ ডিচেম্বৰৰ পিছত ৰাইজে, কিছুমান এন জি অ'ই পন্থা ল'ব লগা হৈছে , ৰাইজে ওলাই আহি সেই মাইনিঙ কৰা মেচিনেৰীবিলাক বন্ধ কৰিব লগা হৈছে। তেনে কৰাৰ পিচতহে হাতীৰ জাক বিলাক লাহে লাহে অৰুনাচল পাহাৰলৈ যাবগৈ পাৰিছে। গতিকে মোৰ অনুৰোধ সেই বিষয়টোৰ ক্ষেত্ৰত এটা নিয়ন্ত্ৰন কেনেদৰে কৰিব পৰা যায়? অকল অসম চৰকাৰৰ দ্বাৰা হাতী আৰু মানুহৰ সংঘাত নিয়ন্ত্ৰন কৰিব পৰাটো মই ভাবো ইমান সহজ কথা নহয়। গতিকে কেন্দ্ৰীয় চৰকাৰে হাতী আৰু মানুহৰ মাজত যিটো সমস্যা তাৰ নিয়ন্ত্ৰণৰ বাবে ব্যৱস্থা কৰিব লাগে, কাৰণ আমি জানো যে উত্তৰ অঞ্চলত হাতীৰ কৰিডৰ বুলি । ক'বলৈ গ'লে বি টি ছিৰ ৪ খন জিলাৰ চিৰাং আৰু কোকৰাঝাৰৰ বাদে বাকী দুখনজিলা, বাক্সা আৰু ওদালগুৰি জিলাৰ মেক্সিমাম উত্তৰ অঞ্চলত ভূটানৰ সীমামূৰীয়া যিবিলাক অঞ্চল আছে তাত স্মল টি গ্ৰ'ৱাৰ যিসকল আছে তেওলোকে গোটেই মাটি নিজাববীয়াকৈ কৰি ল'লে। তাত তেওঁলোকে চাহপাতৰ খেতি কৰিলে । কোনো সন্দেহ নাই যে তেওঁলোকে আৰ্থিকভাবে উন্নত হৈছে । এখেতসকল আমাৰে মানুহ। কিন্তু কিছু মানুহৰ লাভ কৰাবলৈ যাওঁতে কিছুমান মানুহে ভূগিব লগা হৈছে। গতিকে মোৰ কথাটো হৈছে ইয়াৰ ওপৰত কিছু নিয়ন্ত্ৰণ কৰিব পৰা যায় নেকি? মই সমস্যাটোৰ সমাধান বিচাৰি আজি এই সমস্যাটো উত্থাপন কৰিছো। লগতে ইয়াত এটা ভুল মেচেজ যাব পাৰে যে, আমাৰ অসমখন ইনফ্ৰাচষ্ট্ৰাকচাৰ ডেফিচিয়েন্সী এখন ষ্টেট । বিশেষকৈ এইবাৰ প্ৰধান মন্ত্ৰী চড়ক যোজনাৰ অন্তৰ্গত এইবাৰ ৭০০০ কি.মি পথ অসমত চেংচন হৈছে। গতিকে এনে ক্ষেত্ৰত মেটেৰিয়েলছৰ অভাৱ হ'ব নেকি? আজি অসমত পৰ্য্যাপ্ত পৰিমাণৰ শিল পাথৰ আছে । কিন্তু প্ৰকৃততে শিল পাথৰবিলাক আনোতে চৰকাৰে ইয়াৰ পৰা ৰেভিনিউ পাইছেনে নাই? উদাহৰণ হিচাপে আমি এটা মহলৰ কথা ক'ব পাৰো। মোৰ তাতে এটা মহল আছে। এটা বছৰত তেখেতসকলে মাল উঠাব পাৰিব কেৱল ৬৫০০ কিউৱিক মিটাৰ। জি পি এছ কোৰ্ডিনেচন মতে ১০ স্কোয়েৰ কিলোমিটাৰত মাইনিঙ কৰিব পাৰে। কিন্তু কাৰ্য্যক্ষেত্ৰত দেখা গ'ল যে এটা বছৰত ২ লাখ এণ্ড এবোভ তাত মেটেৰিয়েলচ সংগ্ৰহ কৰিছে মহলদাৰে। গতিকে মিনিমাম ২০০ টকাকৈ পাৰ কিউবিক মিটাৰ চৰকাৰে ৰেভিনিউ পাব লাগিছিল। কিন্তু তাত মুঠ ৫৪.৭০ ল াখ টকা চৰকাৰে ৰেভিনিউ পাইছে। এই ক্ষেত্ৰত নিশ্চয় চৰকাৰে বিষয়টো গুৰুত্বসহকাৰে ল'ব। বৰনদী ৱাইল্ড লাইফ Sanctuary যদি চেনচেটিভ ইকো জোন তেন্তে মাইনিঙ কৰিবলৈ কিধৰণে দিয়া হৈছিলে ? ইয়াৰ তদন্ত কৰি এটা ৰিপোৰ্ট লৈ সেই মাইনিঙখিনি বাতিল কৰিব পাৰে নেকি আৰু হাতী যিটো অহা যোৱা কৰা ৰাস্তা তাত সেইটো যাতে কোনো মতে বাধা গ্ৰস্ত নহয় তাৰ ব্যৱস্থা কৰে, গতিকে এই খিনি কথা দৃষ্টিগোচৰ কৰিলো ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** মিনিষ্টাৰ প্লিজ.....।

**শ্ৰীপ্ৰমীলা ৰাণী ব্ৰহ্ম, মাননীয় মন্ত্ৰী , বন ও পৰিবেশ ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীযুত ইমানুৱেল মোছাহাৰী ডাঙৰীয়াই বৰনদীত চলি থকা যিটো মহল বা মাইনিঙ অনিয়মত চলি থকা বিষয়টো লৈ আমাৰ মাননীয় সদনৰ দৃষ্টিগোচৰ কৰাৰ বাবে চেষ্টা চলাইছে সেইটো আমাৰ চৰকাৰৰ দৃষ্টিগোচৰ হৈছে। মাননীয় অধ্যক্ষ ডাঙৰীয়া তেখেতে নিজে কৈছে যে, মই সেইটো এলেকাত ১৬ তাৰিখে ভিজিট কৰিছিলো। কাৰণ তেখেতে বহু দিন এই বিষয়টো মোক দৃষ্টি গোচৰ কৰিবলৈ চেষ্টা চলাই আছিল। মোৰ সময় নোহোৱা বাবে মই ভিজিট কৰিব পৰা নাছিলো। ১৬ তাৰিখৰ দিনাখন তেখেতৰ অনুৰোধমৰ্মে মই সেই ঠাই ভ্ৰমন কৰিছো। মোৰ লগত পি চি চি এফ

আৰু এগৰাকী আৰ চি চি এফ আছিলে। যি বিষয়াসকলৰ মাইন্‌চৰ ওপৰত যথেষ্ট অভিজ্ঞতা আছিল। তেওলোকক লৈ গৈ মই নিজে চাইছো। বৰনদী গোটেইটো মই চাব নোৱাৰিলেও যি ঠাইত খনন কাৰ্য্য চলাই আছে, সেই অঞ্চলটো মই চাইছো। তেখেতে মোক জানিবলৈ দিছে যে, ব্যক্তিগতভাবে তেখেতে যিবিলাক অনিয়ম তাত চলি আছে সেই অনিয়মটো বন্ধ কৰিবৰ বাবে চেষ্টা চলাইছে। তেখেতৰ ৰিপোৰ্টিমতে গোটেই দিন ৰাতি তাৰ পৰা বালি শিল লৈ অহা হয়। যিমানখিনি গাড়ীয়ে পাথৰ ,বালি কঢ়িয়াই লৈ আহে, কিন্তু সিমান খিনি চালান নাথাকে। চালানবিহীনভাৱে আমাৰ অসমৰ প্ৰাকৃতিক সম্পদ লুণ্ঠন হৈ থকাটো তেখেতৰ অৱগত। গতিকে তেখেতে নিজে সেইটো বন্ধ কৰিবৰ বাবে চেষ্টা কৰিছিল। মই নিজে গৈ দেখিছো আৰু তেখেতেও কৈছে, স্মল মাইনিঙৰ মিনেৰেলত ডাঙৰ ডাঙৰ মেচিন ব্যৱহাৰ কৰিব নোৱাৰি। কিন্তু আমাৰ কিছুমান মহলবিলাকত দেখা যায় অকল বৰনদীতে নহয় কিছুমান মহলৰ মহলদাৰে ডাঙৰ ডাঙৰ মেচিন, জে চি বি বা ফকলেণ্ড - এনেধৰনৰ মেচিন লগাই বালি খনন বা পাথৰ ভঙা দেখা যায় । গতিকে এইবিলাক লৈ আমাৰ চৰকাৰ যথেষ্ট উদ্বিগ্ন । এইবিলাক বন্ধ কৰিবৰ কাৰণে আমাৰ বিভাগে চেষ্টা চলাইছে। মাননীয় অধ্যক্ষ মহোদয় , এই বৰনদীৰ যিটো মাইনিঙ প্লেন্ট , য'ত মাইনিঙ চলি আছে, সেইটো আমাৰ বি টিছি অঞ্চলত অৰ্ন্তভুক্ত হয় । আৰু এই নদীখন হিমালয়ৰ ভূটান পাহাৰৰ পৰা নামি অহা এখন নদী। মাইনিঙ প্লেন্ট য'ত চলি আছে সেইটো একেবাৰে ভূটান পাহাৰৰ নামনি অঞ্চল। বেছি দুৰত নহয় সম্ভৱ ভূটান পাহাৰৰ পৰা ৪-৫ কি .মি দুৰত হ'ব পাৰে। সেই কাৰণে ওপৰৰ পৰা তললৈ নামি অহা কাৰণে নদীখন যথেষ্ট খৰস্ৰোতা হয়। যাৰ ফলত বহু মানুহ আৰু খেতিয়কৰ অনিষ্ট সাধন কৰিছে। খেতি বাতি নষ্ট কৰিছে। সেইবিলাক কথা আছলতে চালি জাৰি চাব লাগিছিল। মহলটো দিছে আমাৰ বি টি ছি প্ৰশাসনে। গতিকে আমাৰ অসমৰ বিভাগীয় বিষয়াসকলে ডাইৰেক্টলী চাব নোৱাৰে। সেই কাৰণে মই তেওঁলোকৰ লগত যোগাযোগ কৰাৰ পিছতহে মই তাত গৈ চাইছো আৰু চাই ফালে যিটো দেখা পালো। যে তাত যেনেধৰনৰ খনন হ'ব লাগে তেনেধৰনৰ খনন হোৱা নাই। তাত মেটেৰিয়েলছ খিনি খনন কৰি দম দম কৰি ৰখা হৈছে। এনেকুৱাকৈ ষ্টক কৰিব নোৱাৰি। নিৰ্দ্দিষ্ট জোখমতেহে খনন কৰিব লাগে। কিন্তু খনন কৰি একেবাৰে গাঁত গাঁত কৰি তাত জমা কৰি থৈছে সেইটো নিয়মৰ বাহিৰত হৈছে। সেই কাৰনে মই সেইদিনা তাত ভিজিট কৰি এইটো বন্ধ কৰিবৰ বাবে সিদ্ধান্ত লৈ আহিছো। এই বন্ধটো আমি ডাইৰেক্ট কৰিব নোৱাৰো । বি টি চি প্ৰশাসনৰ লগত, বি টি চি চৰকাৰৰ লগত আলোচনা কৰি আমি সেইটো বন্ধ কৰাৰ ব্যৱস্থা কৰিম। আমি directly নকৰো কাৰণ বহুত উন্নয়ন মুলক কাম কাজত যথেষ্ট বাধা আহিব পাৰে। গতিকে সেইটো যাতে আমাৰ বিভাগৰ নিয়ন্ত্ৰণত থাকে তাৰ কাৰণে আমি ব্যৱস্থা কৰিম। আৰু মাননীয় সদস্য ডাঙৰীয়াই কৈছে তাত বৰনদী sanctuary আছে।বৰনদী sanctuary ১৯৮০ চনত যদিও ঘোষণা কৰিছিল সেইটো আচলতে Notified Wildlife Sanctuary নহয়। কিন্তু হাতী বিলাকে কছুগাঁৰৰ পৰা আৰম্ভ কৰি ভূটান পাহাৰ নামনিদি অহা যোৱা কৰি থাকে। সেই গতিকে সেইটো আচলতে corridor হিচাপে ঘোষণা কৰিব লাগে, সেইটো কৰা নাই। গতিকে এই বিষয়টো আমি গুৰুত্বসহকাৰে চাব কাৰণে ব্যৱস্থা কৰিছো যিহেতু বৰনৈদীতো sanctuary নহয়, তাত Eco-sensitive zone ৰ প্ৰশ্নই নুঠে। তথাপিও যিহেতু হাতীৰ আৱাসস্থল হয়, সেই গতিকে সেইটো যদি sanctuary হিচাপে ঘোষণা কৰা হয়, তেতিয়াহলে মানুহবিলাকৰ খেতি -মাটিও নষ্ট হোৱাৰ পৰা বাচিব। কাৰণ তাত খনন কৰাৰ কাৰণে হাতী বিলাকে অহা যোৱা কৰাত অলপ বাধা পায়। কাৰণ ডাঙৰ ডাঙৰ মেচিন তাত ব্যৱহাৰ কৰে, হাতী বিলাকে ভয়ত সেইফালে অহা যোৱা নকৰি খেতি পথাৰৰ

ফালেৰে আহে। যাৰ কাৰণে হাতীবিলাকে খেতি মাটি নষ্ট কৰি আহে। হাতীবিলাকে এনেকুৱা ধৰণৰ বাধা পোৱাৰ কাৰণে তেওঁলোক ধ্বংস হৈ যায়, যাৰ কাৰণে মানুহবিলাকৰ ঘৰ বাৰীও সিহতে নষ্ট কৰি আহে। সেইটো অকল এই অঞ্চলতে নহয়, গোটেই অসমত এনেকুৱা ধৰণৰ অৱস্থা হৈছে। হাতী বিলাকৰ অৱস্থা একে হাঁহ নচৰা অৱস্থা সিহঁতে পেট ভৰাই খাবলৈও তেনেকুৱা ধৰণৰ বনাঞ্চল নাই, আৰু কৰবাত বনাঞ্চল আছে যদিও ইমান খিনি খাদ্য নাই। গতিকে হাতীবিলাকৰ অৱস্থা অতি শোচনীয়। সেই গতিকে হাতী বিলাকৰ কাৰণে আমি মানুহ বিলাকে যথেষ্ট চিন্তা কৰিব লাগিব। সিহতৰ কাৰণে প্ৰচুৰ খাদ্য আমি কেনেকুৱা ধৰণে যোগান কৰিম তাৰ ব্যৱস্থা কৰিব লাগে। তাৰ কাৰণে আমি চিন্তা কৰিব লাগিব, চৰকাৰ খনে চিন্তা কৰিব লাগিব। সেই গতিকে হাতী বিলাকৰ কাৰণে খাদ্য ৰোপন কৰিবৰ বাবেও আমাৰ বিভাগত project ready কৰা হৈছে। আগন্তুক সময়বিলাকত যাতে আজি সদনৰ সকলো মাননীয় সদস্যক অনুৰোধ কৰিব বিচাৰিছো যে আপোনালোকৰ নিজৰ নিজৰ সমষ্টিৰ য'ত য'ত হাতীবিলাক অহা যোৱা corridor আছে, যদিও notified corridor নহয়, তেওঁলোকৰ অহা যোৱা ৰাস্তা হয়, সেইবিলাকত যাতে মানুহবিলাকক সচেনত কৰাত আপোনালোকে সহায় কৰে, তাৰ কাৰণে মই অনুৰোধ কৰিছো। হাতী মানুহৰ সংঘাটতো যাতে কমাই আনিব পাৰো। এইখিনি যদি আপোনালোকৰ পৰা সহায় পাওঁ তেতিয়া হলে আমাৰ বিভাগ বা আমাৰ চৰকাৰে সেইখিনি কমাই আনিবৰ কাৰণে সুবিধা পাম। মই এইখিনিকে কৈ মাননীয় সদস্য ডাঙৰীয়াক আশ্বাস দিব বিচাৰিছো যে বৰনদী যদিও তাত অভয়াৰণ্য হিচাপে ভাবি লৈছিল, সেইটো notified অভয়াৰণ্য নহয়। এইটো notified অভয়াৰণ্য কৰিবৰ কাৰণে আমাৰ চৰকাৰে বিবেচনা কৰি থকা হৈছে। তাত যাতে নিয়ন্ত্ৰিত ভাৱে প্ৰাকৃতিক সম্পদটো মহলদাৰ সকলে কঢ়িয়াই আনে তাৰ ব্যৱস্থা কৰিবৰ কাৰণে বি.টি.চি চৰকাৰৰ লগত আমি আলোচনা কৰিম ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ।

**শ্ৰী ইমানুৱেল মুছাহৰী, তামুলপুৰঃ** মাননীয় অধ্যক্ষ মহোদয়, তাত যিটো mining waste পাহাৰৰ নিচিনা দম হৈ আছে নদীৰ বুকত। এইটো যদি অতি সোনকালে বাৰিষাৰ আগত গুচাই দিয়া নহয়, তেনেহলে নদীখনৰ গতিতো সলনি হৈ যাব পাৰে। তেনেকুৱা উদাহৰণ **২০০২, ২০০৪** চনত আছে।

**মাননীয় অধ্যক্ষঃ** এইটো বেছি দীঘলীয়া কৰিব নোৱাৰো, কাৰণ zero hour ত discussion নহয়।

এতিয়া, The Assam Excise (Amendment) Bill, 2018 খনৰ আজি যিখিনি শুধৰণী প্ৰস্তাৱ আছে সেইখিনি আমি লবৰ কাৰণে আগবাঢ়িছো। প্ৰথমতে মই ৰাজভৱনৰ পৰা বিধায়কখন সদনত বিবেচনাৰ কাৰণে উত্থাপন কৰিবলৈ যিটো বাণী পঠিয়াছে, সেইটো মই পাঠ কৰি দিছো -

Under the Provision of Article 207, sub -clause 3 of the Constitution of India, I Professor Jagdish Mukhi, Governor of Assam recommend that "The Assam Excise (Amendment) Bill, 2018" be taken into consideration by the Assam Legislative Assembly.

মই এতিয়া আৱকাৰী বিভাগৰ মন্ত্ৰী বিলখন বিবেচনাৰ বাবে সদনত প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ কৰিছো।

**শ্ৰী পৰিমল শুক্লবৈদ্য, আৱকাৰী বিভাগৰ মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam

Excise (Amendment) Bill, 2018" বিবেচনা কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**माननीय অধ্যক্ষঃ** এতিয়া মই প্ৰস্তাৱটো সদনত দাঙি ধৰিছো, প্ৰস্তাৱটো হৈছে-

"The Assam Excise (Amendment) Bill, 2018" be taken into consideration. যিসকল ইয়াৰ সপক্ষে আছে তেখেতসকলে কওঁক 'হয়' , যিসকল ইয়াৰ বিপক্ষে আছে তেখেতসকলে কওঁক 'নহয়'। মই ভাৱো 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে প্ৰস্তাৱটো গৃহীত হৈছে।

এতিয়া মই দেখিছো যে বিলখনত প্ৰায় সাতটামান Amendment আছে।

প্ৰথমতে বিধায়কখনৰ ২ নং দফাত মাননীয় সদস্য শ্ৰী হাফিজ বচিৰ আহমেদ,শ্ৰী আমিনুল ইছলাম, শ্ৰী মামুন ইমদাদুল হক চৌধুৰী, শ্ৰী আবুল কালাম আজাদ আৰু শ্ৰী চাহাব উদ্দিন আহমেদৰ নামত এটা সংশোধনী আছে। মই তেখেতসকলৰ হৈ এজনক প্ৰথমতে সংশোধনীৰ ওপৰত কোৱাৰ বাবে অনুৰোধ কৰিছো।

**শ্ৰী আমিনুল ইছলাম, ধিংঃ** Hon'ble Speaker, I beg to move the Amendment in clause 2 of the proposed Bill in between the words 'any' and 'place' the words 'govt. or semi govt. offices, institutions, private institutions or any' shall be inserted. তাৰমানে ইয়াতে public place টো ইয়াত section 2 ত define কৰি দিছে যে "public place means any place intended for use by or accessible to public & includes any conveyance running or parked on public roads or parking area". যত জনসমগম হয়, বজাৰ এলেকা, যত public ৰ কাৰণে reachable । মই ভাবিছো যিহেতু ইয়াত আমি মাদক দ্ৰব্য নিবাৰণ বা যাতে মাদক দ্ৰব্য বৰ্জিত এলেকা বিলাক চিহ্নিত কৰিব বিচাৰিছো ইয়াত আৰু strictly distinct হৈ যোৱাতো ভাল যে আমি সেই এলেকাৰ মাজত এই শব্দ কেইটা সোমাই দিওঁ যে "govt. or semi govt. offices, institutions, private institutions or any public places" তাৰ মানে যাতে এই দুই এটা শব্দৰ কাৰণে এনেকুৱা এলেকা বিলাক বাদ পৰি নাযায়। যে private institutions ত কোনোবাই মদ খালে, সেইটো নহ'ব। বা এটা private semi govt. office ত মদ খাব পাৰি, এইটো আইন নাই। গতিকে যাতে বাদ পৰি নাযায়, এই শব্দকেইটা সোমাই ললে আৰু বেছি define হ'ব যে এই গোটেই কেইটাত মাদৰ দ্ৰব্য বৰ্জিত, কোনেও মদ খাব নোৱাৰিব।

**মাননীয় অধ্যক্ষঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী পৰিমল শুক্লবৈদ্য, আৱকাৰী বিভাগৰ মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি বিলত আনিছো যে "public place means any place intended for use by or accessible to public & includes any conveyance running or parked on public roads or parking area". আমাৰ মাননীয় বিধায়ক বন্ধুৱে কৈছে যে ইয়াতে in clause 2 of the proposed Bill in between the words 'any' and 'place' the words 'govt. or semi govt. offices, institutions, private institutions or any' shall be inserted. এতিয়া কথাতো হৈছে আমি যে 'any' কথাতো কলো, এই 'any' ৰ ভিতৰত গোটেইখিনি কথা সোমাই আছে। আৰু আপুনি যি কথাতো আনিব বিচাৰিছে , এই কথাতো

পাছতো কিন্তু আপুনি কৈছে 'or any' মানে বহুতখিনি যিটো বাকী থাকি গ'ল সেইটোও আপুনি 'any' ত সোমাই দিব বিচাৰিছে। মই ভাৱো আপুনি যি কথা বিলাক কৈছে যে govt. or semi govt. offices, institutions, private institutions গোটেইখিনি 'any' কথাত সোমাই আছে। আজি এই সংশোধনীৰ প্ৰয়োজন নাই বুলি মই ভাৱো।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। মাননীয় সদস্য শ্ৰীআমিনুল ইছলাম।

**শ্ৰীআমিনুল ইছলাম (ধিং)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ উদেশ্যটো কোনো বেলেগ নহয়, চৰকাৰে যিটো বিচাৰিছে আমিও সেইটোৱে বিচাৰিছো। আইনৰ ফাকত কোনোৱে যাতে সুবিধা ল'ব নোৱাৰে। যিহেতু আইনখনত কোনো উল্লেখ নাই গতিকে প্ৰাইভেট স্কুলত বা অমুকত আমি মদ খাব পাৰিম। মই ভাবো বিলখন যদিও "any" শব্দটো আছে তথাপি তাত প্ৰাইভেট নাইবা semi govt শব্দটো লগাই দিব লাগে যাতে পাব্লিক নহয় বুলি কোনেও ক'ব নোৱাৰে, তাৰ বাবে আমাৰ সংশোধনীটো গ্ৰহণ কৰিলেও কোনো অসুবিধা নাই, যিহেতু আমাৰ উদেশ্যটো একে। সংশোধনীটো গ্ৰহণ কৰিলে আৰু বেচি ডিচটিং হ'ব।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী।

**শ্ৰীপৰিমল শুক্লবৈদ্য (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আচলতে কথাটো সেইটো নহয়। মই এইটো কথা কোৱা নাই যে আপোনাৰ উদেশ্য বেলেগ। মই কথাটো কৈছো চৰকাৰৰ প্ৰতিষ্ঠান সমূহত যিহেতু পাব্লিক গৈ থাকে ইয়াতে আমি গভৰ্ণমেন্ট কৰি এটা special identity দিব নালাগে। এইটো দিলে restricted হৈ যাব। Restricted হোৱাতকৈ এনেকৈ থকাটোৱে ভাল। যিহেতু "any" শব্দটো আছে গতিকে সকলো সোমাই গৈছে। চৰকাৰীৰো আহিব ৰাজহুৱাখণ্ডও আহিব দুয়োটা সোমাই যাব। আপুনিয়ে যেতিয়া গোটেইখিনি লিষ্ট দিব পৰা নাই আৰু আপুনিয়েই কৈছে institutions or any shall be inserted গতিকে সেই কথাটোৱেই আহিব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। I think legally it is included।

**শ্ৰীআমিনুল ইছলাম (ধিং)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এই কথাটো বিলখনত লিপিবদ্ধ হওঁক বা নহওঁক এই কথা ensure কৰিব লাগে। এতিয়া মই মোৰ সংশোধনীটো প্ৰত্যাহাৰ কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। সদনৰ সন্মতি সাপেক্ষে, সংশোধনী প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰা বুলি ঘোষণা কৰিছো। বিধেয়কখনৰ দফা নং ২ বিধেয়কখনৰ অংশ হ'ব। যিসকল মাননীয় সদস্য, সদস্যাই দফাটোৰ সপক্ষে আছে তেখেতসকলে কওঁক 'হয়'। যিসকল বিপক্ষে আছে তেখেতসকলে কওঁক 'নহয়'। মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে ২ নং দফাটো বিধেয়কখনৰ অংশ হ'ল। বিধেয়কখনৰ ৩ আৰু ৪ নং দফা দুটাত সংশোধনীৰ প্ৰস্তাৱ নাই। গতিকে প্ৰশ্নটো হৈছে ৩ আৰু ৪ নং দফা দুটা বিধেয়কখনৰ অংশ হ'ব। যিসকল মাননীয় সদস্য, সদস্যাই দফাটোৰ সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়'। যিসকল বিপক্ষে আছে তেখেতসকলে কওঁক 'নহয়'। মই ভাবে 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে ৩ আৰু ৪ নং দফা দুটা বিধেয়কখনৰ অংশ হ'ল। বিধেয়কখনৰ ৫ নং দফাত পুনৰ শ্ৰীহাফিজ বচিৰ আহমেদ আৰু তেখেতৰ সহযোগীসকলৰ এটা সংশোধনী আছে। সংশোধনী উত্থাপন কৰিবলৈ তেখেতসকলৰ মাজৰ পৰা এজনক অনুৰোধ জনালো।

**শ্ৰীমামুন ইমদাদুল হক চৌধুৰী** ঃ Hon'ble Speaker Sir, I beg to move that "In sub-clause (e) of clause 5 of the proposed Bill occuring in lines 7 and 9 the words 'six months', 'five thousand' and 'one lakh' shall be substitued by the words 'one year', 'fifty thousand' and 'five lakh'

respectively". ইয়াত চাৰ ক্লজ নাম্বাৰ ৫ ৰ sub-clause(e) ত যিটো কথা কোৱা হৈছে possesses any material or label of any brand of liquor either with or withour the Government hologram. বাকী বিশদ বিৱৰণত মই নাযাওঁ। ইয়াত চাৰ এটা punishment ৰ provision দিয়া হৈছে। ইয়াত কোৱা হৈছে less than six months এই six months ৰ সলনি less than one year ৰ প্ৰস্তাৱ দিছো, তাৰ পিছত কোৱা হৈছে less than five thousand এইটো fifty thousand বিচাৰিছো আৰু কোৱা হৈছে extend to one lakh এইটো আমি extend to five lakh কৰিব বিচাৰিছো। এইটোৱে চাৰ আমাৰ সংশোধনী প্ৰস্তাৱ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় মন্ত্ৰী।

**শ্ৰীপৰিমল শুক্লবৈদ্য (মন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়, মাননীয় বিধায়কজনে বিচাৰিছে যে আইনখন আৰু কঠোৰতকৈ কঠোৰ হ'ব লাগে। আমি আপোনাৰ কথাটো বুজিছো। কিন্তু আমি ছমাহ বুলি উল্লেখ কৰাৰ পিচতো তাত লিখিছিলো six months but which may be extended to three years ছমাহ প্ৰাথমিক পয্যায়ত ইচ্ছা কৰিলে তিনি বছৰ পৰ্য্যন্ত হ'ব। এই আপুনি কৈছে ছমাহৰ পৰিবৰ্তে এবছৰ হ'ব লাগে। এবছৰো হ'ব পাৰে তিনি বছৰো হ'ব পাৰে। আমি কৈছো ছমাহৰ পৰা আৰম্ভণি কৰিব লাগে। অধ্যক্ষ মহোদয় সদস্য গৰাকীয়ে কৈছে five thousand ৰ পৰিবৰ্তে fifty thousand হ'ব লাগে আৰু one lakh ৰ পৰিবৰ্তে five lakh হ'ব লাগে। আপোনাৰ কথাটো হয়, আপোনাৰ spirit টো ঠিক আছে। কিন্তু কথাটো হৈছে যেতিয়া পাঁচ লাখ দিব নোৱাৰিলে আমি ঠিকমতে আইনখন বলবৎ কৰিব নোৱাৰিম। আমাৰ কথা হ'ল সমাজখনৰ পৰা ইয়াক মুক্ত কৰিব লাগে। তেতিয়া যদি আমি বেচি impose কৰো তেতিয়া হ'লে ৰিলিজো নহব কথাটো উল্টা হৈ যায় নেকি বিষয়টো অলপ চিন্তা কৰি চাওক। নহলে আপুনি এইটো উঠাই লওক।

**শ্ৰীমামুন ইমদাদুল হক চৌধুৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি বিচাৰিছিলো শাস্তিটো কঠোৰ হওঁক। মই মাননীয় মন্ত্ৰী মহোদয়ৰ বক্তব্যত আশ্বস্ত হৈ সংশোধনীটো উঠাই লৈছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া সদনৰ সন্মতি সাপেক্ষে, সংশোধনী প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰা বুলি ঘোষণা কৰিছো। বিধেয়কখনৰ ৫ নং দফা বিধেয়কখনৰ অংশ হ'ব। যিসকল মাননীয় সদস্য, সদস্যাই দফাটোৰ সপক্ষে আছে তেখেতসকলে কওক 'হয়'। যিসকল বিপক্ষে আছে তেখেতসকলে কওক 'নহয়'। মই ভাবে 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে ৫ নং দফাটো বিধেয়কখনৰ অংশ হ'ল। এতিয়া বিধেয়কখনৰ ৬ নং দফাত পুনৰ এটা সংশোধনী প্ৰস্তাৱ আছে। মই শ্ৰীআমিনুল ইছলাম নাইবা তেখেতসকল এজনক সংশোধনী উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰীআমিনুল ইছলাম** ঃ Hon'ble Speaker Sir, I beg to move the amendment of Clause 6. "In Clause 6 of the proposed Bill occuring in line 8 the word 'tweenty' and in line 9 the word 'two' shall be substituted by the words 'fifty' and five respectively". ইয়াত যিটো আমাৰ existing principle Act ৰ Section 54 ত তাতে unlawful possession of certain cases আৰু unlawful possession ত কথাখিনি আছে যেনে export, import, transport ধৰা পৰে যে তাত কোনোবা unlawfully import, export, store, transport, manufacture কৰি আছে, সামান্য বিশ হাজাৰ টকা ফাইন কৰা হয়। এই ক্ষেত্ৰত তেওঁলোকে ভাবিব পাৰে যে , য'ত আমি ৫০ লাখৰ পৰা ১ কোটি টকালৈ বছৰত উপাৰ্জন কৰি আছো ধৰা

পৰিলে ২০ হাজাৰ টকা দিয়াটো টান নহয়। গতিকে আমি ভাবো ২০ হাজাৰ টকাটো বহুত কম টকা, তেওঁলোকৰ লোকচান হ'লেহে এনেকুৰা অবৈধ কামত লিপ্ত নহ'ব। বিলত দিয়া হৈছে minimum 20 thousand extend to 2 lakhs, আমি বিচাৰিছো 20 thousand হ'ব লাগে 50 thousand আৰু 2 lakhs হ'ব লাগে 5 lakhs।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় মন্ত্ৰী।

**শ্ৰী পৰিমল শুক্লবৈদ্য (মন্ত্ৰী) ঃ** Respected Speker Sir, আমি ইয়াতে আনিছিলো, Transported or manufactured, and knowing that the prescribed duty has not been paid thereon এই ক্ষেত্ৰত Unlawful Provisions in certain cases আমাৰ মাননীয় বিধায়ক বন্ধু সকলে আনিছে, যে আমি কৈছিলো ২০ তাৰ পিছত কৈছে ৫০ হয়, এইটো একে আছে, আপোনালোকৰ কথা মৰ্মে ২০ তাৰ পিছত কৈছে ৫০ ললৈ লৈ যাম। আৰু ৫ লাখ কথাটো আমি কৈছিলো আগতে ৩ লাখ । ৫লাখলৈ লৈ যাম আমি মানি লৈছো।

**মাননীয় অধ্যক্ষ ঃ** এইটো মানি লৈছে, It will be done. যিহেতু সংশোধনী প্ৰস্তাৱটো সদনে এই বিষয়টো গ্ৰহণ কৰিছে, চৰকাৰে গ্ৰহণ কৰিছে, প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰা হৈছে। গতিকে মই ঘোষণা কৰিছো যে দফা নম্বৰ ৬ With the Goverment Amendment will be a part of the Bill. যি সকল সপক্ষে আছে, কওঁক হয়, যিসকল বিপক্ষে আছে, কওঁক নহয়, গতিকে মই ভাৱো হয় সপক্ষে, হয় সপক্ষে, হয় সপক্ষে, ৬নম্বৰ দফাটো With Govt Amendment বিধেয়কখনৰ অংশ হৈছে। এতিয়া বিধেয়কৰ ৭নং দফাত পুনৰ আৰু এটা সংশোধনী প্ৰস্তাৱ আছে, আমিনুল ইছলাম আৰু তেখেত সকলৰ সংগী সকলৰ মই পুনৰ তেখেত সকলৰ এজনক সংশোধনীটো উত্থাপন কৰিবৰ বাবে অনুৰোধ কৰিলো।

**শ্ৰী আমিনুল ইছলাম (মাননীয় বিধায়ক, ধিং) ঃ** Hon'ble Speaker Sir, I beg to move the Amendment in clause 7 of the propsed Bill occurring in line 12 the word "tweenty" shall be substituted by the word "fifty" ইয়াতে একে কথা ২০হাজাৰ টকাটো আজিকালি একেবাৰে সৰু এটা কথা? টকাৰ মূল্য আগতকৈ বহুত কমিছে, গতিকে এইটো ৫০হাজাৰ কৰিলে অলপ ভাল পাব।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় নন্দিতা দাস,আপোনালোকৰ এই Clause ত Amendment আছে, আপুন কওঁক।

**শ্ৰীমতী নন্দিতা দাস (মাননীয় বিধায়িকা, বকো) ঃ** Hon'ble Speaker Sir, I beg to move the Amendment After the end of Clause 7 of the proposed Bill a new para shall be added as follows-

' In case of death of any person or persons due to consumption of altered denatured spirit, consumed as a medicine or beverage or any way whatsoever, the person or persons altering it in anyway whatsoever, shall be imprisoned for a term which shall be not less than 3 years with fine which shall be not less than fifty thousand rupees' ছাৰ আমি এইটো Amendment আনিছিলো, যিহেতু Punishment এইটো ক্ষেত্ৰত এইটো Clause ত Penalty for altering or attempting to alter any

denatured spirit that may be used for human consumption যদি এইটো Offence কৰা হয়, Offence ত এটা মানুহ মৃত্যু বৰণ কৰিব পাৰে। মৃত্যুটো specifically উল্লেখ কৰা নাছিল, সেই কাৰণে মৃত্যুৰ কাৰণে Punishment টো আৰু বেছি কঠোৰ হব লাগে। আমি Minimum 3 years টো ধৰিছিলো, আৰু Penalty টো ৫০ হাজাৰ ধৰিছো যিটো ২০ হাজাৰ আছে, 3 years its may extend to 5 years. Upper limit থিক আছে, Lower limit টো আমি অলপমান 3 years কৈছো, 1 Year আছিলে আমি 3 years কৰিছো আৰু যিটো পইচাৰ কথা আছিলে ফাইনটো সেইটো ২০হাজাৰ আছে, ৫০ হাজাৰ কৰিছো, Upper limit থিক আছে ২ লাখলৈ ৰাখিচো। Lower limit টো ধাৰ্য্য কৰা হৈছে, Amendment ত। Lower limit টো 3 years ধৰা হৈছে আৰু ৫০ হাজাৰকৈ ধৰা হৈছে, Lower limit টো আমি Specify কৰিছো, In case of death.

**শ্ৰী পৰিমল শুক্লবৈদ্য (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ইয়াতে আমি দুটা Amendment ত কব পাৰো, আমি দুটা দলৰ পৰা পাইছো। প্ৰথমটোত আমি The word tweenty shall be substituted by the word fifty, ২০ হাজাৰটো আমি ৫০হাজাৰ কৰিব লাগে। সেইটো আমাৰ আমিনুল ইছলাম ডাঙৰীয়া, নজৰুল হ'ক ডাঙৰীয়া, নিজানুৰ ৰহমান ডাঙৰীয়া, অনন্ত কুমাৰ মালো ডাঙৰীয়া, তেওঁলোকে দিলে, আৰু নন্দিতা বাইদেউ, ৰূপজ্যোতি কুৰ্মী, কমলাক্ষ দে পুৰকাস্থ তেওঁলোকে দিলে, তেওঁলোকে এই কথাটো কৈছে, যে আমি Tweenty to Fifty কৰিব লাগে। আৰু আপোনালোকে death কথা কৈছে, এইটো আপুনি কৈছে, In case of death of any person or persons due to consumption of altered denatured spirit, consumed as a medicine or beverage or any way whatsover, the person or persons alterning it in anyway whatsover, shall be imprisioned for a term which shall be not less than 3 years with a fine which shall be not less than fifty thousdend আপুনি ৫০ হাজাৰ কথাটো কৈছে, ৫০হাজাৰ টকাটো আমি মানি লব পাৰো, আপোনালোকে কৈছে, আমি মানি লম। কিন্তু কথাটো হৈছে, যেতিয়া এজন মানুহ ঢুকাই যায়, এই যি বস্তুটো দিয়া হল, এনেকুৰা এটা প্ৰক্ৰিয়া আছে,আৰু এইটোত আমাৰ বিভাগীয় ফালৰ পৰা আমি CPc আৰু IPC ৰ জৰিয়তে এইটো Death case হৈ যায়। তেতিয়া Death case হলে এইটো আমি ইয়াৰ পৰা Dictate কৰাটো ঠিক নহব মই ভাবো, এইটো Court এ নিৰ্ণয় কৰিব। আপোনালোকৰ এটা কথা মানি লব পাৰো, আৰু এটা কথা কওঁ CrPc আৰু IPC ৰ জৰিয়তে যেনেকুৰা কেছটো চলিব লাগে, সেইটো চলিব দিব লাগে।

**মাননীয় অধ্যক্ষ** ঃ মই ভাৰো ঠিক আছে।

**শ্ৰীমতী নন্দিতা দাস (বকো)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই Death ৰ বিষয়টো Specify কৰি দিছিলো, যিহেতু আমি শাস্তি দিব বিচাৰিছো, কাৰণ কোনোৰাই মৃত্যু বৰণ কৰিলে তেওঁৰ শাস্তিটো ১বছৰৰ পৰা আৰম্ভ হব নেকি ? আমি বিচাৰিছিলো ৩বছৰ শাস্তি হওঁক Minimum, সেইটো ইয়াত Specify নাছিলে।

**মাননীয় অধ্যক্ষ** ঃ বুজিলো আপুনি Specifically আৰু এটা Para লগাবলৈ অনুৰোধ কৰিছিল। যদি আপুনি গোটেই কথাখিনি ভালকৈ পঢ়ে তেতিয়া দেখিব যে ইয়াত কোনো এনেকুৰা কথা কোৱা নাই সেইটোত যাৰ নোৱাৰিব বুলি ।

**শ্ৰীমতী নন্দিতা দাস (বকো)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ কথা হৈছে, কি যে এজন মানুহে ভেজাল মদ্যপান কৰি তেওঁৰ বেমাৰ ও হব পাৰে বা মৃত্যু বৰণ কৰিবলগীয়া হব পাৰে। এতিয়া ছাৰ কথা হ'ল, মৃত্যুৰ কাৰণে একে শাস্তি আৰু বেমাৰ হোৱাৰ কাৰণে একে শাস্তি হব পাৰে নেকি ? আমি তাক Define মানে ভাগ ভাগ কৰিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ** ঃ আপুনি মৃত্যু হলে যিটো কথা কৈছে, তাৰ বাবে আমাৰ Existing Panel Code ৰ পৰা Provision আহিবই। কথাটো মই বুজি পাইচো, কাৰোৱাৰ ভেজান মদ্যপান কৰি মৃত্যু হলে Court য়ে যদি বেছি Punishment দিয়ে তাত কিবা আমাৰ আপত্তি আছে নেকি ? সেই কাৰণে আপুনি অলপ চাই লব। মই ভাৱো যে আমি যিহেতু Amendment ৰ বাবে আইনটো প্ৰণয়ন কৰো আমি চাব লাগিব মৃত্যুৰ কথাটো, আমি ইয়াৰ কাৰণে কিবা Specifice ক কৰি দিম জানো। কাৰণ মৃত্যুৰ প্ৰসংগটো IPC ত আছে।

**শ্ৰীমতী নন্দিতা দাস (বকো)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটো মই মানিছো মহাশয়, কিন্তু শাস্তিটো একে হোৱা উচিত নহয়।

**শ্ৰী দেৱব্ৰত শইকীয়া (মাননীয় বিৰোধী দলৰ দলপতি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মৃত্যুৰ কাৰণে যাৱতজীৱন কাৰাদণ্ডৰ নিচিনা যিখিনি আইন আছে, তেতিয়া হলে বিশেষ কথা নাই।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে, তেখেতে এটা ভাল পৰামৰ্শ দিছে, আমাৰ আগলৈ কেতিয়াবা Scrutiny হব, আজিৰ কাৰণে আপোনালোকে এইটো উথাই লোৱা ভাল।

**শ্ৰী পৰিমল শুক্লবৈদ্য (মন্ত্ৰী)** ঃ Hon'ble Speaker Sir, মোৰ কথাটো এনেকুৱা যে এই Spirit টো যিটো মানুহে বেলেগ কামত ব্যৱহাৰ কৰে, এইটো যদি মানুহক খুৱাই দিয়ে তেতিয়া Adulteration কৰাৰ কাৰণে আমি ধৰিব পাৰো। ধৰিলেও আপোনালোকে যিটো কৈছে, Penalty কথাটো যেতিয়া মানুহ মৰি যাব, কোনোবা এজন মানুহক মদ বুলি যদি বিষ খুৱাই মাৰি দিয়া যায়, তাৰ কাৰণে আমাৰ Existing Law আছে, এইটো আমাৰ IPC ত আছে।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে, মই ভাৱো যে আমাৰ যি বিলাক illicit liquar ৰ যিবিলাক ঘটনা হয়, তাৰ বাবে Discussion ত মই ভাল পাইছো। তেখেত সকলে কিবা এটা ভাৰিছে আৰু কথাটো কৈছে, কিন্তু আপুনি Legal part টোত ঠিকে আছে। গতিকে আপোনালোকৰ যি এটা Amendment দিছে, সেইটো মানি লৈছে আৰু বাকীটো মই ভাৱো যে এতিয়া মানি লোৱাটো ঠিক নহব । মই ভাৱো যে সকলোৱে সন্মতি প্ৰকাশ কৰিছে, এটা প্ৰত্যাহাৰ কৰা বুলি ধৰিছো আৰু প্ৰথমটোৰ ক্ষেত্ৰত সংশোধনী সাপেক্ষে আমি এইটো গ্ৰহণ কৰিছো। গতিকে এতিয়া দফা নং ৭ বিধেয়কখনৰ অংশ হব বুলি কব বিচাৰিছো, সংশোধনী সাপেক্ষে। যিসকল সদস্য-সদস্যা ইয়াৰ সপক্ষে আছে কওঁক হয়, যি সকল বিপক্ষে আছে কওঁক নহয়। গতিকে মই ভাৱো হয় সাপেক্ষে, হয় সাপেক্ষে, হয় সাপেক্ষে ৭ নং দফাটো চৰকাৰে আগবঢ়োৱা সংশোধনী সহ গ্ৰহণ কৰা হৈছে। এতিয়া ৮ নং দফাত পুণৰ এটা সংশোধনী আছে, আমিনুল ইছলাম আৰু তেখেতৰ সহযোগী সকলৰ।

**শ্ৰী আমিনুল ইছলাম** ঃ Hon'ble Speaker Sir,In clause 8 of the proposed Bill occurring in line 7 the word "twenty" and in line 8 the word 'one' shall be substitued by the words 'fifty' and 'five' respectively. আৰু Sir, এই amendment টো চৰকাৰে Principal Act 58 ৰ ওপৰত section টো আনিছিল য'ত আছিলে যে যি সকলৰ licence নাই বা without licence Illegally চোৰাং ব্যৱসায়টো কৰি থাকে সেই সকলৰ বাবে Punishment provision টো আছে। গতিকে

সেই কথাটো মই আগতে কৈছো এবাৰ, আমি একেদৰে ভাৰিছো যি সকলে অবৈধ ভাৱে licence নবনোৱাকৈ চোৰাং ভাৱে ব্যৱসায় কৰি আছে তেনেকুৱাত Punishment যদি ২০,০০০ দিয়া হয়, তেনেহ'লে একে কথা হ'ব।

**মাননীয় অধ্যক্ষ ঃ** কমটো বঢ়াব বিচাৰিছে, মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দি দিব। মন্ত্ৰী ডাঙৰীয়া কওঁক।

**শ্ৰী পৰিমল শুক্লবৈদ্য, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, হয় আমি ইয়াতে কৈছো with the fine, which shall not be less than twenty thounand rupees which may extend to one lakh rupees আপুনি কৈছে এইটো ৫০ হাজাৰ কৰিব লাগে আৰু এক লাখটো কৰিব লাগে পাঁচ লাখ। substituted by the words fifty and five respectively এতিয়া কথাটো হৈছে, If any person or any licence holder under this Act fails to pay any duty fee or any other levy due to the Government, which under this Act he is liable to pay and for which he has received due notice from the State Government or the Excise Commissioner or a collector, shall be punished এইটো নহয়, আমি ইয়াতে কৈছো চাৰ,In the Principal Act, in Section 58, in Sub-section (b), after the words and punctuation mark "permit or pass", the following shall be substituted, namly :- "shall be punished in case of (a) with fine which shall not be less than ten thousand rupees but which may extend to fifty thousand rupees and in case (b) with fine which shall not be less than twenty thousand rupees আপুনি কৈছে ইয়াতে ৫০ হাজাৰ, fifty thousand rupees but which may be extended to one lakh rupees, আপুনি কৈছে five lakh rupees and the convicting Magistrate shall direct the offender এই পাচৰ কথাখিনি আছে। এতিয়া কথা হৈছে আপোনালোকে ভাৱে যে এইটো হলে ভাল হ'ব। এটা কথা আছে চাৰ, যে একেবাৰে সৰু-সুৰা যিসকল, ধৰক একেবাৰে সৰু-সুৰা লৈ আহিলে, লৈ অহাৰ পিছতে আমি যদি ইমান খিনি fine impose কৰো, তেতিয়াহলে সেইজনে কেতিয়াও দিব নোৱাৰিব। দিবও নোৱাৰিব আৰু তেতিয়া কি হ'ব সেইটোও এটা চিন্তাৰ কথা। ডাঙৰ কিবা যদি হয় সেইটো বেলেগ কথা। কেতিয়াবা দেখা যায় যে চাইকেলত দুই বটল মদ লৈ আহি গ'ল আৰু তেতিয়া সেইজনে দিব পাৰিবনে, নোৱাৰিলে আকৌ বহুতখিনি কথা হব। আপুনি realise কৰিব নোৱাৰে। যে এই কথাখিনি আপুনি চিন্তা কৰি মোক কওঁক। নহলে আমি কেৱল fine impose কৰিলেইটো নহ'ব, আমি realise ও কৰিব লাগিব।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে।

**শ্ৰী আমিনুল ইছলাম ঃ** মাননীয় অধ্যক্ষ মহোদয়, তাৰমানে আমি ইয়াত প্ৰত্যেকটো Saction তে এইটো চাই আছো যে নিজে কোনোবাই খালে বা পাব্লিক ঠাইত সেইটো এটা শাস্তি আৰু এটা হ'ল লাইচেঞ্চ নোহোৱাকৈ ব্যৱসায় কৰিছে বা illegally হওঁক transport কৰিছে বা stock কৰিেছে, সেইটোৰ শাস্তি আৰু কোনোবাই আইন অমান্য কৰি ৰাজহুৱা অনুষ্ঠানত খালে এইটো শাস্তি, দুয়োটা বেলেগ। কাৰণ যিয়ে ব্যৱসায় কৰিছে, মই এই কথাটো বাৰে বাৰে কৈ আছো যে তেওঁলোকে চোৰাং ব্যৱসায় কৰি বহুত টকা ঘটে। গতিকে যদি শাস্তিৰ পৰিমাণ কম থাকে তেনেহলে তেওঁলোকে ভয় নকৰিব। যে আমি ধৰা পৰিলে দি দিম ২০ হাজাৰ টকা। য'ত সিহতে প্ৰতিদিনে

বহুত টকা পায়। যিহেতু তেওঁলোকে অবৈধ ভাৱে লাইচেঞ্চ নোহোৱাকে ব্যৱসায় কৰা কথাটো আছে সেই কাৰণে এই কেইটাত কিন্তু আমি বঢ়াব লাগিব আৰু দ্বিতীয়তে, এটা কথা হ'ল যে ফাইন তেওঁলোকে কিমান আদায় দিব পাৰিব সেইটোতকে আমাৰ উদ্দেশ্যটো থাকিব লাগে যে ফাইনটো ইমান বেছি হওঁক যাতে ভয়তে তেওঁলোকে কামটো নকৰে। আদায় দিব পৰা capacity যদি হয় প্ৰত্যেকে আদায় দিব আৰু কৰি থাকিব। মানে tendency সেইটো হোৱা উচিত।

**শ্ৰী পৰিমল শুক্লবৈদ্য, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সেইটো ল'বলৈ আপত্তি নাই। মই সেই কাৰণে কৈছো যে এইটো অলপ চিন্তা কৰি লওঁক। ঠিক আছে চাৰ, আমাৰ মাননীয় বিধায়ক বন্ধুসকল আমিনুল ইছলাম, নজৰুল হক, নিজানুৰ ৰহমান আৰু অনন্ত কুমাৰ মালো, আপোনালোকে যিটো দিছে যে আমাৰ এক লাখটো পাঁচ লাখ কৰিব লাগে আৰু ২০ হাজাৰটো ৫০ হাজাৰ কৰিব লাগে। ঠিক আছে মানি লৈছো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। ইছলাম ডাঙৰীয়া, আপুনি খোৱাখিনিক অলপ ৰেহাই দিব খুজিছে, বিক্ৰী কৰা খিনিক ধৰিব বিচাৰিছে। ঠিক আছে। মই সংশোধনী সহ এই দফাটো গ্ৰহণ কৰিব বিচাৰিছো, যে দফা নং ৮, এই সংশোধনী সহ বিধেয়ক খনৰ অংশ হ'ব। যি সকল মাননীয় সদস্য-সদস্যাই সপক্ষে আছে কওঁক হয় আৰু যি সকল সদস্য-সদস্যাই বিপক্ষে আছে কওঁক নহয়, মই ভাৱো হয় সপক্ষে, হয় সপক্ষে, হয় সপক্ষে ৮ নং দফাটো বিধেয়কৰ অংশ হ'ল। বিধেয়কৰ ৯ নং দফাত সংশোধনী প্ৰস্তাৱ নাই। মই প্ৰস্তাৱটো উত্থাপন কৰিছো ৯ নং দফাটো বিধেয়কৰ অংশ হ'ব। যি সকল মাননীয় সদস্য-সদস্যাই সপক্ষে আছে কওঁক হয় আৰু যি সকল সদস্য-সদস্যাই বিপক্ষে আছে কওঁক নহয়, মই ভাৱো হয় সপক্ষে, হয় সপক্ষে, হয় সপক্ষে ৯ নং দফাটো বিধেয়কৰ অংশ হ'ল, যিহেতু সকলেৰে হয় সপক্ষে কৈছে সেইবাবে মই এইটো গ্ৰহণ কৰিলো। এতিয়া বিধেয়কৰ ১০ নং দফাত পুনৰ আমিনুল ইছলামৰ এটা সংশোধনী আছে, সংশোধনী একে ধৰণৰ নে বেলেগ কওঁক।

**শ্ৰী আমিনুল ইছলাম ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটোত চাৰ আমি অলপ কমাই দিছো। মই আগতে যিটো কথা কৈছো। যি সকলে খায় হুলস্থূল কৰে আৰু assemble কৰে তাতো যিটো ৫ হাজাৰ জৰিমনা ধৰিছে আৰু আইন এখন কৰিলে অধ্যক্ষ মহোদয়, আইন খন কিন্তু আজিৰ এটা মাৰ্কেট ভেলু চাই কৰি আছো, কিন্তু আইনখন আকৌ ২০ বছৰ, ৩০ বছৰ পিছলৈ গৈ, আমি দেখিছো পূৰ্বৰ কিছুমান আইন আজি এনেকুৱা হ'ল য'ত ফাইন আছে ৫, ৪ টকা হয়তো ২০-৩০ বছৰ আগত বনোৱা আইন। গতিকে আমি সেইটো চাই কৰিলে ভাল, যে আমি আজিৰ ৰেটত ভাৰি আছো ৩০ বছৰ পিছত গৈ ৫ হাজাৰ টকাটো কথাই নহ'ব। আজিকালি এনেকুৱা হ'ল চাৰ, মুৰ্গী মৰা এটা কেচত ৫০ হাজাৰ টকা অ' চি ক দি দিয়ে। গতিকে এনেকুৱা ক্ষেত্ৰত ৫ হাজাৰ টকা ফাইন হলে গুৰুত্বই নিদিব। গতিকে সেই কাৰণে এইটো অলপ বঢ়াব লাগে। যে ৫ হাজাৰ টকাটো ২০ হাজাৰ আৰু ১০ হাজাৰটো ৩০ হাজাৰ হ'ব লাগে। নহলে ভয়য়ে নকৰিব। ১০ বছৰ পিছত ৫ হাজাৰ টকাৰ টো ভেলু কমি যাব।

**মাননীয় অধ্যক্ষ ঃ** আপোনাৰ লগত সকলো সদস্যৰ সন্মত আছেনে নাই?

**শ্ৰী আমিনুল ইছলাম ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সকলোৰে আছে।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী পৰিমল শুক্লবৈদ্য, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই কথাটো ইমান দিনে অহা নাছিল। আমাৰ চৰকাৰ অহাৰ পিছতে আমি এই কথাবিলাক আনিছো। আমাৰ বিধায়ক বন্ধুসকলে Participate কৰিছে ভাল লাগিছে। কিন্তু আপুনি যে খুব বঢ়াই আছে আমি এটা লজিক দিলো, পিছত

গোটেই দোষ আপোনালৈ আহিব। এই কথাটো মনত ৰাখিব আপুনি। কথাটো হ'ল In case of an offence কথাটো হ'ল In case of an offence falling under clause(A),our act consumtion liquor in a public place. ইয়াত আমি কৈছো ৫০০০ টকা । পাছত প্ৰয়োজন হলে যদি Amendment খন আপোনালোকে pass হবলৈ দিয়ে তেতিয়াহলে আমি আনিব পাৰিম। ১০,০০০ টকাটো বহুত বেছি হৈ যায়। দুখীয়া এজনেতো হাজিৰা কৰি ইমান টকা দিব নোৱাৰিব।

**শ্ৰী আমিনুল ইছলাম, ধিং ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই spirit টো বুজিছো। মই এনেকুৱা এটা Rate ৰ কথা কৈছিলো যাতে মানুহে মদটো নাখায়। কিন্তু মন্ত্ৰী মহোদয়ে Collection ৰ কথাও ভাবিছে।

**মাননীয় অধ্যক্ষ ঃ** কথাটো সেইটো নহয়। বহুতখিনি এইবাৰ Strict কৰিছে। যিহেতু আপুনি জানে আমাৰ অসমৰ Position টো কেনেকুৱা ধৰণৰ। তেখেত এইবাৰ Strict হৈছে। I think we should welcome that.

**শ্ৰী আমিনুল ইছলাম, ধিং ঃ** অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে এটা কথা কৈছে যে পৰবৰ্তী পৰ্য্যায়ত যদি এইটো অনুভৱ হয় যে, ৫০০০ টকাটো একেবাৰেই কম আৰু আকৌ পাছত Amendment কৰাৰ সুবিধা আছে, তেনেহলে এইটো মই withdraw কৰি লৈছো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া সংশোধনীটো আমি প্ৰত্যাহাৰ কৰা বুলি ঘোষণা কৰিছো। দফা নং ১০ বিধেয়কৰ অংশ হব বুলি ক'ব বিচাৰিছো। যিসকলে ইয়াৰ সপক্ষে আছে ক'ব হয়, যিসকলে বিপক্ষে আছে ক'ব নহয়। মই ভাৱো হয়ৰ সপক্ষে ,হয়ৰ সপক্ষে, হয়ৰ সপক্ষে ১০ নং দফাটো বিধেয়কৰ অংশ হ'ল। বিধেয়কৰ ১১ নং আৰু ১২ নং দফাত সংশোধনী প্ৰস্তাৱ নাই। মই সেইকাৰণে প্ৰশ্নটো উত্থাপন কৰিছো যে, ১১ নং আৰু ১২ নং দফাটো বিধেয়কৰ অংশ হৈছে। যিসকলে ইয়াৰ সপক্ষে আছে ক'ব হয় যিসকলে বিপক্ষে আছে ক'ব নহয়। মই ভাৱো হয়ৰ সপক্ষে ,হয়ৰ সপক্ষে, হয়ৰ সপক্ষে ১২ নং দফা দুটা বিধেয়কখনৰ অংশ হ'ব। এতিয়া বিধেয়কৰ ১৩ নং দফাত মাননীয় সদস্যা নন্দিতা দাস আৰু তেখেতৰ সহযোগী সকলৰ এটা সংশোধনী প্ৰস্তাৱ আছে। মই উত্থাপন কৰিবলৈ অনুৰোধ কৰিছো।

**শ্ৰী মতী নন্দিতা দাস,বকো ঃ** Hon'ble Speaker, I beg to move after the end of Clause 4 of Clause 13 of the proposal Bill, a new Sub Clause shall be added as follows-

" In case Licence holder committs the same offence for the second time ,his compound in fee will be double of the amount paid for the same offence committed earlier. Further, if the same Licence holder committs the same offence once again for the third time , his Licence shall be permanently cancelled. In this case no compounding fees or compensation need to be paid."

এইটো ছাৰ আমি আনিছিলো Power to compound of the case তাৰমানে যিবোৰ case ত offences বোৰ compound কৰা হয় মানে যিসকলে এই ক্ৰাইমবোৰ কৰে তেওঁলোকে ভয় কম কৰে। পইচা দি বা ফাইন দি সোনকালে তেওঁলোক ৰিলিজ হৈ যায়। আমাৰ আমিনুল

ডাঙৰীয়াই কৈ গৈছে যে, তেওঁলোকৰ যিমান লাভ তাৰ তুলনাত ফাইন fees টো বহুত কম। সেইকাৰণে ক্ৰাইম কৰাত সংকোচ নকৰে। সেইকাৰণে যদি দ্বিতীয়বাৰ offence কৰে আমি ইয়াত লিখিছিলো যে, আগত যিটো ফাইন ভৰিছিলে তাৰ দুগুন হয় আৰু এটা লিখিছিলো মাননীয় অধ্যক্ষ মহোদয়,একেজন Liscence holder যদি একেটা offence তৃতীয়বাৰলৈ কৰে, তেতিয়া যাতে তেওঁৰ লাইচেঞ্চখনে cancel কৰি দিয়া হয় Without any compounding fee or compensation. যদি এইটো কৰা নহয় তেওঁৰ ভয় নাথাকিব। তেওঁৰ মনত যাতে এটা ভয় থাকে যে, একেটা ক্ৰাইমে তেওঁ তৃতীয়বাৰলৈ কৰিলে তেওঁৰ Liscence খন কেঞ্চল হৈ যাব।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী পৰিমল শুক্লবৈদ্য, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, হয়, আবকাৰী বিভাগৰ বস্তুবিলাক বিক্ৰী কৰিবলৈ লাইচেঞ্চ দিয়া হয়। Liscence renewal ৰ কাৰণে কিছুমান নীতি নিয়ম আছে। যেতিয়া আমি Licence দিওঁ তেওঁক কিছুমান নিয়মৰ জৰিয়তে দিয়া হয়। বহুত নিয়ম আছে। আমি দুটা দিশ চাব লাগিব যে এজন মানুহে ভুল কৰিছে হয়। কিন্তু সৰু ভুল। তথাপি ভুল ভুলেই। কিন্তু তৃতীয়বাৰ ভুল কৰাৰ কথা যিটো কৈছে যে, " In case Licence holder committs the same offence for the second time ,his compound in fee will be double of the amount paid for his same offence committed earlier". আমাৰ এনেকুৱা provision ও আছে। "Further,if the same Licence holder committs the same offence once again for the third time ,his licence shall be permanently cancelled." এই Permanent cancel কৰাৰ কথাটো হৈছে যে যদি Serious offence হয়, আমি তেওঁক Non-bailable কেচত আনিব পাৰো। তেওঁ Punish হলে Automatically তেওঁৰ দোকানখন বন্ধ হৈ যাব। কিন্তু ইয়াতে যদি আমি কিবা Provision আনো এই সুবিধাটো আকৌ বেলেগ মানুহে ল'ব পাৰে। Business ত Competition থাকেই। ছাৰ আপুনি জানে যে, fake লেবেল লগাই বাহিৰৰ বস্তুবিলাক আনে। যিসকল Valid Licence holder তেওঁলোকৰ তাত Nexus টো লাগি যাব পাৰে। মই ভাৱো ভবিষ্যতে এই কথাটো ভালদৰে আলোচনা কৰি চোৱাটো ভাল নেকি?

**শ্ৰী মতী নন্দিতা দাস, বকো ঃ** অধ্যক্ষ মহোদয়, মই ক'ব বিচাৰিছো যে, যদি Licence holder জনে একেটা ভুলকে বাৰে বাৰে কৰি থাকে তেওঁৰ Licence খন cancel নহব নেকি? আমাৰ মন্ত্ৰী মহোদয়ে যিটো কথা কৈছে যে মাৰ্কেটত Competition থাকে, মই এইটো কথা বুজি পাইছো। এই ক্ষেত্ৰত মই ভাবো যে, Licence cancel নকৰিলেও তেওঁৰ ফাইনটো দুগুন হ'ব লাগে। আগৰ offence টোত তেওঁ যিমান ফাইন দিলে নেক্সট offence ত তেওঁ তাতকৈ অলপ হ'লেও বেচি ফাইন ভৰিবই লাগিব। এইটো কৰিলে ভাল হয়।

**শ্ৰী পৰিমল শুক্লবৈদ্য, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, যদি দ্বিতীয়বাৰ offence কৰে ইমানখিনি আমি মানি ল'ব পাৰো । ইয়াত আমাৰ আপত্তি নাই। কিন্তু cancel কৰাৰ কথাটোহে এই মুহুৰ্তত ঠিক নহব পাৰে।

**মাননীয় অধ্যক্ষ ঃ** প্ৰদীপ হাজৰিকা ডাঙৰীয়া আপুনি কি কব?

**শ্ৰী প্ৰদীপ হাজৰিকা, আমগুৰিঃ** অধ্যক্ষ মহোদয়, মই ক'ব বিচাৰিছো যে magnitude of the mistake, এই কথাটো আমি চাব লাগে আৰু কিছুমান ভূল সৰু হয় আৰু কিছুমান ভূল বৰ serious বা major হয়। গতিকে major ভূলৰ punishment আৰু সৰু ভূলৰ pun-

ishment দুয়োটা একে নহয়। গতিকে মাননীয় সদস্যা গৰাকীয়ে যি ৩ টা ভুলৰ কথা আনিছে মোৰ তাত ক'ব লগীয়া একো নাই। কিন্তু ভুলটো কেনেধৰণৰ ভুল তাৰ ওপৰত ভিত্তি কৰিহে cancel কৰা বা নকৰাৰ কথাটো আহিব কাৰণ ইয়াৰ লগত আন বহুত কথা জড়িত হৈ আছে। সেই কাৰণে বিষয়টো চালে ভাল হয়।

**মাননীয় অধ্যক্ষঃ** হয়।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য, (গুৱাহাটী পূব)ঃ** অধ্যক্ষ মহোদয়, আমি মন কৰিছো যে, আবকাৰী আইনত যিবোৰ সংশোধনী অনা হৈছে এই গোটেইবোৰ সংশোধনীৰ মাধ্যমেৰে আবকাৰী আইনখনক অধিক সক্ৰিয় কৰিবলৈ বিচৰা হৈছে। সেইবাবে যিবোৰ amendment আহিছে, এই amendment বোৰতো quantum টো এইকাৰণে বঢ়াব বিচৰা হৈছে যাতে মানুহ এজনে চিন্তা কৰে। আইনৰ যিটো theory of punishment আছে, তাত দুটা কথা থাকে তাৰে এটা হ'ল habitual offender। বৰ্তমান যিটো clauseক লৈ কথা পতা হৈছে, সেইটোত কোৱা হৈছে যে, এজন মানুহে প্ৰথমে এটা দোষ কৰিলে, সেই মানুহজনে যদি দ্বিতীয়বাৰ আৰু তৃতীয়বাৰো দোষ কৰে, তেনেহ'লে সেই মানুহজনক habitual offender বুলি ধৰিব পৰা যাব আৰু compounding ৰ কথা যিটো কৈছে, মই ভাৱো সেইটো যুক্তি সংগত, কিয়নো এজন মানুহে সৰু কিবা এটা ভুল কৰিলে বা তেওঁৰ কিবা এটা ত্ৰুটি হ'ল তাৰ বাবে তেওঁক এটা quantum ধৰি দিয়া হৈছে যে সেই সম্পৰ্কত তেওঁক এটা punishment দিয়া হ'ব। সেই মানুহজনেই যদি দ্বিতীয়বাৰো সেই একেটা ভুলকে কৰে আৰু যদি compounding কৰা হয়, তেনেহ'লে মানুহজনৰ মনত এটা ভয় থাকিব। কিন্তু সেই মানুহজনে যদি দ্বিতীয় বাৰ ভুল কৰি উঠাৰ পিছত তৃতীয় বাৰো একে ভুলকে কৰে তেনেহ'লে ধৰি ল'ব লাগিব যে, he is a habitual offender. তেতিয়া যদি তেওঁৰ permit খন কাটি দিয়া হয় বা তেওঁৰ license খন যদি cancel কৰি দিয়া হয়, মই ভাৱো তেতিয়া তেওঁ deterrent হিচাপে কাম কৰিব। গতিকে, যিটো amendment আনিছে, সেইটো যদি যুক্তিৰে চাওঁ যে গোটেই আইনখন কিয় সংশোধন কৰা হৈছে, তেনেহ'লে আমি গম পাওঁ যে আগতে যিখন আইন আছিল সেইখন যথেষ্ট শিথিল হৈ গৈছিল। বৰ্তমানৰ পৰিস্থিতিত বহুতে আইনখন খাতিৰ নকৰা হৈ গৈছিল। গতিকে অলপ শক্তিশালী কৰাৰ বাবে মই ভাৱো যে habitual offender ৰ ক্ষেত্ৰত যদি compounding কৰা হয় তেতিয়া হ'লে এইটো যুক্তিকৰ হ'ব।

**শ্ৰী পৰিমল শুক্লবৈদ্য, মাননীয় মন্ত্ৰী, গড়কাপ্তানী ইত্যাদিঃ** হয়, আমাৰ ভট্টাচাৰ্য ডাঙৰীয়া আৰু অধ্যক্ষ মহোদয়ে কৈছে। আমি তেওঁলোকক license দিয়াটো আমাৰ rule তে আছে। আমি ইচ্ছা কৰিলে যি কোনো offence ৰ বাবে তেওঁলোকৰ license cancel কৰিব পাৰো। আপোনালোকে যিটো কৈছে যে, দ্বিতীয় বাৰ offence কৰিলে compounding কৰিব লাগে, হয়, যদি প্ৰয়োজন হয় আৰু আমাৰ বিভাগে যদি ভাৱে যে তেওঁক প্ৰথম বাৰ offence কৰোতেই cancel কৰি দিব লাগে তেনেহ'লে আমি cancel কৰি দিব পাৰো। এইটোও rule ত আছে। নতুনকৈ cancel কৰাৰ কথাটো অনাৰ প্ৰয়োজন আছে বুলি মই নাভাৱো আৰু secondary যিটো কৈছে, আমি সেইটো মানি ল'ব পাৰো।

**শ্ৰীমতী নন্দিতা দাস, (বকো)ঃ** আমি license cancel কৰাৰ কথাটো উঠাই লৈছো। কিন্তু আমি double the compounding fees he paid বুলি কৈছো। আমি same mistake, same offence ৰ কথাহে কৈছো আন offence ৰ কথা কোৱা নাই।

**মাননীয় অধ্যক্ষঃ** Not double, it should be 'not less than double' কোনোবাই যদি বেছিও কৰে আমাৰ আপত্তি কি? Not less than double হ'লে double ৰ ওপৰত গ'লেও আমাৰ আপত্তি নাই strip short হ'ব লাগে। মই ভাৱো, তেনেকৈ wording কৰা ভাল।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, (মৰিয়নী)ঃ** অধ্যক্ষ মহোদয়, আপুনি যেতিয়া চাহ-বাগিচাৰ ওপৰত এটা আলোচনা দিছিলে, তেতিয়া চাহ-বাগিচা অঞ্চলত চুলাই ঘাটিৰ বিষয়টোৰে স্থান পাইছিল। আমাৰ Amendment খিনি নন্দিতা দাস ডাঙৰীয়ানীয়ে ক'লেই আমি আৰু ক'বলৈ বিচৰা নাই । মাননীয় মন্ত্ৰী মহোদয়ে চৰকাৰী পক্ষৰ তৰফৰ পৰা কিছু বিষয়ৰ সমৰ্থনো জনাইছে, তাৰ বাবে ধন্যবাদ জনাইছো। এই চুলাই ঘাটি সমূহ বন্ধ কৰিব লাগে আৰু manpower shortage আছে। এইটো বঢ়াব লাগে গতিকে এই ব্যৱস্থা খিনি গ্ৰহণ কৰিলে ভাল হয়।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে।

আমি প্ৰথম amendment ৰ first part টো যিটো কৈছে, Government য়ে মানি ল'ব বিচাৰিছে, সেইটো তেনেকৈ কৰিলে ভাল আৰু double ৰ ঠাইত 'not less than double' কৰিলে বেছি ভাল। নহ'লে, কিছুমান হয়তো এনেকুৱা ধৰণৰ offender থাকিব পাৰে যি ধনী হ'ব পাৰে আৰু তেনেকুৱা মানুহক কৰিব পাৰো বেছি ইচ্ছা কৰিলে । মই এই কাৰণে এইটো তেনেকৈ গ্ৰহণ কৰা বুলি কৈছো।

এতিয়া, দফা নং ১৩ সহ চৰকাৰে যি সংশোধনী মানি লৈছিল সেইটো বিধেয়ক খনৰ অংশ হ'ব।

যি সকল মাননীয় সদস্য-সদস্যা ইয়াৰ সপক্ষে আছে তেখেত সকলে কওঁক 'হয়', যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়'।

মই ভাৱো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, ১৩ নং দফাটো বিধেয়কখনৰ অংশ হ'ল।

বিধেয়ক খনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণত কোনো সংশোধনীৰ প্ৰস্তাৱ নাই। মই সেই কাৰণে প্ৰশ্নটো উত্থাপন কৰিলো- বিধেয়ক খনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ, আৰু আৰম্ভণ বিধেয়ক খনৰ অংশ হ'ব।

যি সকল সন্মানীয় সদস্য-সদস্যা ইয়াৰ সপক্ষে আছে তেখেত সকলে কওঁক 'হয়', যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়'। মই ভাৱো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, বিধেয়ক খনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়ক খনৰ অংশ হ'ল।

**কাৰ্যসূচী নং-৪ (গ)**

মই মাননীয় আবকাৰী মন্ত্ৰীক বিধেয়ক খন চৰকাৰী সংশোধিত সহ পাৰিত কৰাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী পৰিমল শুক্লবৈদ্য, মাননীয় মন্ত্ৰী, গড়কাপ্তানী ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam Excise (Amendment) Bill, 2018" পাৰিত কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষঃ** মই প্ৰস্তাৱটো পাঠ কৰি দিছো-"The Assam Excise (Amendment) Bill, 2018" be passed. যি সকল এই প্ৰস্তাৱৰ সপক্ষে আছে তেখেত সকলে কওঁক 'হয়'। যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়'। মই ভাৱো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,

'হয়'ৰ সপক্ষে প্ৰস্তাৱটো পাৰিত কৰা হৈছে। বিধেয়ক খনো চৰকাৰী সংশোধনী সহ পাৰিত হৈছে।

কাৰ্যসূচী নং-৫

এতিয়া, মুখ্যমন্ত্ৰীৰ হৈ Parliamentary Affairs Minister য়ে ২০১৬-১৭ অসম তথ্য আয়োগৰ বাৰ্ষিক প্ৰতিবেদন খন সদনত দাখিল কৰিব।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী, সংসদীয় পৰিক্ৰমা, ইত্যাদিঃ** Hon'ble Speaker Sir, on behalf of the Hon'ble Chief Minister Shri Sarbananda Sonowal, I beg to lay the Annual Report of "Assam Information Commission for the year 2016-17".

**মাননীয় অধ্যক্ষঃ সদন অহাকালি পুৱা ৯-৩০ বজালৈ স্থগিত ৰখা হৈছে।**